# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

## তাৰিখ ঃ ২৮/০৯/২০১৮ শুকুৰবাৰ

আজি ইংৰাজী **২৮-০৯-২০১৮** তাৰিখে ৰাতিপুৱা **৯.৩০** বজাত মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ শৰৎকালিন অধিবেশনৰ কাৰ্য্যবিৰৰণীঃ

**মাননীয় অধ্যক্ষ** ঃ- প্ৰশ্ন নং **৮১**, শ্ৰী সঞ্জয় কিষান।

**শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী সঞ্জয় কিষান, তিনিচুকীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইছো। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে যি দুইবছৰৰ কাৰ্য্যকালৰ কথা কোৱা হৈছে, কিন্তু এনে বহু অংগনবাড়ী কেন্দ্ৰ বিলাক আছে য'ত বছৰ বছৰ ধৰি অংগনবাড়ী পৰিচালনা কৰা সভাপতি গৰাকীয়ে তেওঁৰ কাৰ্য্যভাৰ চলাই আছে আৰু এই কাৰণতে বিভিন্ন অংগনবাড়ী কেন্দ্ৰ বিলাকত যথেষ্ট দূৰ্নীতি আমি দেখিবলৈ পাইছো, বিভিন্ন অভিযোগ আমি পাইছো। যিহেতু সভাপতি গৰাকী কেন্দ্ৰটোৰ সৰ্বেসৰ্বা গতিকে তেওঁ যিকোনো পইচা ওলোৱা সোমোৱা আদি কৰি সকলো বিলাক কামৰ ক্ষেত্ৰত জৰিত থাকে আৰু এটা এনেধৰণৰ বাতাবৰণ সৃষ্টি হৈছে যে তাত থকা সৰু সৰু লৰা-ছোৱালী বিলাকৰ যিটো শিক্ষাৰ প্ৰথম মন্দিৰ বুলি কব পাৰি, তাত কিন্তু দূৰ্নীতি তাৰ পৰাই আৰম্ভ হৈছে। যিহেতু দুইবছৰৰ কাৰ্যকাল আছে, যিমান বিলাক কেন্দ্ৰ আছে, যিসকল সভাপতিৰ দায়িত্বত আছে, অতি শীঘ্ৰে তেখেতসকলক আতৰ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ পৰা সম্পূৰ্ণ দূৰ্নীতিমুক্ত অংগনবাড়ীৰ পৰিবেশ এটা গঢ়িব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, লগতে তাত যিটো পঞ্চায়ত wise ত মুখ্য সহায়িকা থাকে, তেখেত সকলৰো কাৰ্য্যকাল দুইবছৰ, কিন্তু তাতো আমি দেখিছো আমাৰ বহুতে আপত্তি দৰ্শাইছে যে এই মুখ্য সহায়িকা গৰাকীয়ে কেইবাটাও অংগনবাড়ী কেন্দ্ৰ চোৱা চিতা কৰে আৰু তেনে ক্ষেত্ৰত আমি দেখিছো যে মুখ্যসহায়িকা গৰাকী কেন্দ্ৰ বিলাকত গৈ বিভিন্ন দাবী ধমকি দি বা কিবা কথা কৈ তেওঁলোকৰ পৰা টকা সংগ্ৰহ কৰে বুলি আমি অভিযোগ পাইছো। গতিকে এই কেন্দ্ৰ বিলাকত যিসকল মুখ্যসহায়িকা আছে, তেখেতসকলকো সময়মতে বদলিকৰণৰ ব্যৱস্থাটো হব লাগে বুলি মই আপোনাক জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। অন্যথা আমি দেখিছো যে অংগনবাড়ী কেন্দ্ৰৰ সা-সুবিধাৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে বঞ্চিত হৈছে।

**শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী সঞ্চয় কিষান ডাঙৰীয়াই যিবিলাক কথা কৈছে, যদি এই সমিতিৰ কাৰ্য্যকাল দুই বছৰ হোৱাৰ স্বত্বেও যদি বহুত বছৰ ধৰি কাম কৰি আছে বা কাৰ্য্যকালটো চলাই আছে, যদি renew কৰা হোৱা নাই তেতিয়া হ'লে আমি ইয়াৰ ওপৰত ব্যৱস্থা লম। যদি ভাল কাম কৰে তেতিয়া হ'লে renew কৰিব পাৰে। কোনোবাই যদি বেয়া কাম কৰিছে, মোক যদি অভিযোগ দিয়ে তেতিয়া হ'লে dissolve কৰাৰ কাৰণে ব্যৱস্থা কৰিম। আৰু লগতে যিটো মাননীয় সদস্যগৰাকীয়ে কৈছে যে

মুখ্যকাৰ্য্যবাহী সহায়িকা, তেওঁলোকে যিটো দূৰ্নীতি কৰাৰ কথা কৈছে, কম বেছি পৰিমাণে এই অভিযোগ বিলাক পাই আহিছো। যদি মাননীয় সদস্য ডাঙৰীয়াই ব্যক্তিগত ভাৱে, এগৰাকী সহায়িকা বা supervisor ৰে যদি তেনেকুৱা ধৰণৰ কাম কৰাটো প্ৰমাণ পাইছে, তেতিয়া হ'লে মোক যদি report দিয়ে তাৰ ওপৰত ব্যৱস্থা লোৱাৰ কাৰণে মই দায়িত্ব সহকাৰে কৈছে।

**শ্ৰী সঞ্জয় কিষান, তিনিচুকীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা হৈছে যে তেওঁলোকক যদি বদলিৰ কাৰণে লিখিও দিয়া হয়, তেওঁলোকে দিছপুৰলৈ আহি stay কৰাৰ ব্যৱস্থা কৰি লয় বুলি আমি গম পাইছো। গতিকে ওপৰতো তেওঁলোকৰ দীৰ্ঘদিন থাকিব পৰা সুবিধা থকা বুলি গম পাইছো আৰু তেওঁলোকে stay কৰি থাকে। গতিকে এইটো চোৱা চিতা কৰাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়ানিক অনুৰোধ কৰিছো। লগতে মোৰ তিনিচুকীয়া জিলাতে বহুত CDPO ৰ কৰ্মী আৰু সহায়িকা পদবিলাক বহুদিন ধৰি পেলাই খালী হৈ আছে। গতিকে এই বিলাক যাতে পূৰণৰ ব্যৱস্থা কৰি আমাৰ অংগনবাড়ী কেন্দ্ৰ বিলাক সক্ৰিয় কৰি তোলে তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। ধন্যবাদ।

**শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি তেওঁলোকৰ ওপৰত অভিযোগটো specific থাকে তেতিয়া হ'লে stay কৰাৰ কোনো কথা নাথাকে। আপুনি অভিযোগটো আমাক specific ভাৱে দিয়ক তেতিয়া আমি ব্যৱস্থা লম, তাৰ পৰা বদলি কৰি দিয়াৰ ব্যৱস্থাটো লব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** Transfer is not a punishment. এতিয়া মাননীয় সদস্য শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, মৰাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে আমাৰ অংগনবাড়ী কেন্দ্ৰ বিলাকত, আমাৰ ডিব্ৰুগড় জিলা বা মোৰ সমষ্টিতো দেখিছো যে বহুত অংগনবাড়ীৰ সহায়িকা পদ খালী আছে আৰু মুখ্যকৰ্মী গৰাকীৰ পদো খালী আছে। গতিকে এইখিনি কেতিয়া পূৰণ কৰিব, সেইটো আজি মই জানিব খুজিছো লগতে যিসকল অংগনবাড়ী supervisor আছে, তেখেতসকলক মাননীয় সদস্য কিষান ডাঙৰীয়াই কোৱাৰ দৰে আমি যথেষ্ট দূৰ্নীতিত লিপ্ত হোৱাতো ওচৰৰ পৰা দেখিছো। তেওঁলোকৰ কাৰণে regulation এটা কৰিব লাগে যাতে এই দূৰ্নীতিটো ৰোধ কৰিব পাৰি। দ্বিতীয় আৰু এটা কথা মই আপোনাৰ জৰিয়তে মাননীয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই যিবিলাক সভাপতি বা সভানেত্ৰী আছে পৰিচালনা সমিতিৰ, এই বিলাক বহুত বহুত বছৰ প্ৰায় পাচঁ, ছয় বছৰৰ ওপৰত হৈ গ'ল। মই CDPO গৰাকীৰ লগত কথা পতাৰ পিছতো তেওঁ আজিলৈকে কিন্তু একো কৰা নাই। গতিকে আপোনালোকৰ ফালৰ পৰা কিবা নিৰ্দেশণা দিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

**শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ বিভাগঃ** CDPO বা যিকোনো বিষয়াৰ action লোৱাত অলপ অসুবিধা হয়। গতিকে আপোনী যদি আমাক অভিযোগটো তথ্যসহকাৰে দাখিল কৰে, আপোনালোকৰ অভিযোগ মতে তেনকুৱা ব্যৱস্থা লোৱা হব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, অংগনবাড়ী কেন্দ্ৰ বিলাক almost 90% স্থাপন হৈছে। কিন্তু কেইটামান কেন্দ্ৰ স্থাপন হোৱা নাই, কৰ্মীৰ ঘৰত বা কৰবাত ক্লাচ চলাই আছে। আৰু তাত SNP ৰ যিটো ৰুটিন থাকে তাৰমতে service নিদিয়ে, কাৰণ কৰ্মীৰ ঘৰত থাকে, তাত কমিটিয়ে বা ৰাইজে চাব নোৱাৰে। গতিকে বাকী যিখিনি 10% কেন্দ্ৰ বাকী আছে,

সেইটো এই বছৰৰ ভিতৰত কৰি দিব নেকি ? কৰি দিলে এই SNP ৰ কাৰণে ভাল হয়।

**শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিবিলাক কেন্দ্ৰ একেবাৰে বেয়া অৱস্থাত আছে, এই বেয়া অৱস্থাত থকা কেন্দ্ৰ বিলাকক repair কৰাৰ কাৰণে পইচা দি আছে। যিটো আটাইতকৈ বেয়া, সেইটোক প্ৰথম priority দি আপোনালোকৰ সমষ্টি বিলাকত আমি **১৮** লাখ টকা দিম।সেইটো কম সময়ৰ ভিতৰতে দি আছো আৰু যত একে বাৰে নাই বা ভাড়াঘৰত আছে তাত নতুনকৈ নিৰ্মাণ কৰিবৰ কাৰণে, আপোনালোকক পইচা দিয়া হ'ব। এতিয়া নতুনকৈ সিদ্ধান্ত লোৱা হৈছে, P&RD ৰ লগতে convergent কৰি পেলাই এটা কেন্দ্ৰক, model centre কৰিবৰ কাৰণে আমি সাত লাখ টকা নিৰ্ধাৰণ কৰিছো। দুই লাখ social welfare ৰ পৰা দিয়া হ'ব আৰু বাকী পাঁচ লাখ P&RD ৰ দিয়া হ'ব। model centre এটা বনোৱাৰ কাৰণে আমি সিদ্ধান্ত লৈছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং. ৮২, মাননীয় সদস্য শ্ৰী অশোক কুমাৰ সিংহি।

**শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী অশোক কুমাৰ সিংহি, বিলাসীপাৰা (পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ মন্ত্ৰী ডাঙৰীয়ানিয়ে দিছে তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। Jalikura river and land protection & land development project ত যিখিন ঠিকাদাৰৰ তালিকা দিছে আৰু progress দিছে, তাতTime of completion কিমান আছে। সময়ত যদি কাম complete হোৱা নাই, ঠিকাদাৰৰ বিৰুদ্ধে কিবা panalty লগোৱাৰ ব্যৱস্থা আছেনে ? আৰু যদি ব্যৱস্থা আছে, তেনেহলে কিমান টকা panalty লগাইছে, মন্ত্ৰী ডাঙৰীয়াই জনাবনে ?

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্ৰী মতী প্ৰমিলাৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰত স্পষ্ট ভাবেই কৈছো কোন ঠিকাদাৰে কিমান কাম কৰিছে, আৰু তেওঁলোকৰ কামৰ completion অনুসৰি তেওঁলোকক পইচা দিয়া হৈছে। মুঠ project ৰ ওপৰত ২ কোটি টকা ধাৰ্য্য কৰা হৈছিল। তাৰে ভিতৰত ৫৩ লাখ ৩০ হাজাৰ ৩৬২ এই টকাটো ঠিকাদাৰ সকলক payment কৰা হৈছে, আৰু যিখিনি percentage, সেইটো অলপ কম হয়। 45% কাম complete হৈছে। মই নিজেও তাত গৈ চাইছো আৰু কামটো যাতে ভালকৈ কৰে, মই Circle Officer ক দায়িত্ব দিছো। তেওঁ ভিজিট কৰি Time to Time review কৰি থাকিব। আৰু যদি বেছি ঠিকাদাৰ বিলাকে অবেহেলা কৰে তেওঁ মোক ৰিৰ্পোট কৰিলে, তাৰ ওপৰত আমি Action লম।

**শ্ৰী অশোক কুমাৰ সিংহী ঃ-** মোৰ প্ৰশ্নটোৰ উত্তৰটো হোৱা নাই। মই বিছাৰিছো Time of Completion কিমান আছিল ? সেইটো বাইদেউৰে স্পষ্ট কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ-**Time of Completion what? Time of Completion মানে কি বুজাইছে? কিমান দিনৰ ভিতৰত কৰিব লাগে ?

**শ্ৰী অশোক কুমাৰ সিংহী ঃ-** যি কোনো ঠিকাদাৰক কাম দি অহা টেণ্ডাৰত এটা নিৰ্দিষ্ট Time থাকে। মই সেই Time টো কিমান আছিল জানিব বিছাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** কিমান দিনৰ ভিতৰত কামটো কৰিব দিছিলে সেইটো জানিব বিছাৰিছে। আপোনাৰ হাতত যদি তথ্য আছে দিয়ক, তথ্য যদি নাই পিছত তেওঁক দিব লাগিব।

**শ্ৰী মতী প্ৰমিলাৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত সেই তথ্যটো নাই।

কিমান দিনৰ ভিতৰত complete কৰিব লাগে, নিবিদাত যিটো লিখা থাকে, সেই তথ্যটো মোৰ হাতত নাই।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়া, যদি তথ্যটো নাই, তেখেতক কিমান দিনৰ ভিতৰত আছিল সেইটো দি দিলেই হ'ল। আপুনি পিছত দি দিব। এতিয়া অশ্বিনী ৰায় সৰকাৰ।

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিছাৰিছো যে Micro watershed Management ৰ অধীনত যোৱা ১৬-১৭ ৰ ত মোৰ সমষ্টিত আমোলনাৰা Micro Watershed আৰু ৰাইডা Micro Watershedত যিটো সমুহীয়া পুখুৰী নিৰ্মানৰ কাৰণে ৭,৪০,০০০ টকা ধাৰ্য্য কৰা হৈছিল। ইয়াৰে ৩ লাখ টকা খৰচ কৰি বাকীখিনি পুখুৰীটোৰ কাম সম্পূৰ্ণ নহ'ল, পুখুৰী দুটা আৰু মই বিভাগীয় বিষয়া সকলৰ লগত যোগাযোগ কৰিছিলো যে ইয়াৰ তথ্য লাগে, টকাখিনি কি হ'ল? আজি দুবছৰ পাৰ হ'ল কিন্তু পুখুৰী কেইটাৰ কাম সম্পুৰ্ন নহ'ল। যে বাকী টকাখিনি কি হ'ল? কিন্তু আজি লৈকে মই তথ্য নাপালো। গতিকে বাইদেউৰ জৰিয়তে মই এই কাম ২ টাৰ বিষয়ে বাইদেউক মই অৱগত কৰিলো। লগতে এই Micro watershed Management Committeeবিলাকৰ Term উকলি গৈছে নতুনকৈ যে Management Committee যিখিনি বনাব লাগে, তাৰ বিবেচনা বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা আমাৰ জনা দৰকাৰ হৈছে, কাৰণ বহুত watershed Management Committee, আগৰে পৰা চলি আছে, গতিকে নতুনকৈ বনোৱাৰ কাৰণে recruitment দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ-** এইটো বিলাসীপাৰা মহকুমাৰ ভিতৰৰ নে বাহিৰৰ?

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ ঃ-**বাহিৰৰ

**মাননীয় অধ্যক্ষ ঃ-** বাহিৰৰ হলে তেখেতৰ হাতত উত্তৰ নাথাকিব পাৰে। আছে যদি দিয়ক নহ'লে পিছত দিব। আজি মহকুমাৰ ভিতৰৰ কথা আহিছিল।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অশোক কুমাৰ সিংহী, তেখেতৰ প্ৰশ্নটো হ'ল বেলেগ Project আৰু অশ্বিনী কুমাৰ ৰায়ৰ প্ৰশ্নটো বেলেগ Project এইটোৰ মোৰ হাতত তথ্য নাই।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে, এতিয়া বছিৰ আহেমেদ ডাঙৰীয়া।

**শ্ৰী হাফিজ বছিৰ আহমেদঃ-** মাননীয় অধ্যক্ষ মহোদয়, Soil Conservation ৰ যিটো বিভাগ আছে, ধুবুৰী, বঙাইগাও, বৰপেটা এটা বিশাল এলেকা এটা Division ৰ অধীনত চলে, যিটো বৰপেটাত। এজন Executive Engineer. সমগ্ৰ ধুবুৰী জিলা মিলি এজন Ranger আছে তেওঁ control কৰে। সেই কাৰণে কামৰ যিটো গতিশীলতা, বা আমিও Time to Time লগ পাব লাগে পোৱা নাযায়। এই সম্পৰ্কে ধুবুৰীৰ দিচা Meeting ৰ পৰা একাধিকবাৰ প্ৰস্তাৱো দিয়া হৈছে যে, ধুবুৰী জিলাক লৈ এটা নতুনকৈ Division Create কৰাৰ কাৰণে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো, মই অনুৰোধ জনাইছো যে এই বৰপেটা ডিভিজনটো বেলেগকৈ ৰাখি আৰু ধুবুৰী ৰ কাৰণে বেলেগকৈ ডিভিজন তেওঁ বনাব নেকি? দ্বিতীয়তে, ইয়াত, Soil Conservation ৰ অধীনতে IDS Scheme ও আছে। ইয়াত কৰবাত বান্ধ দিয়ে, কৰবাত খান্দে Community tank আছে খিৰতী গাই ও দিয়া হয়। indivisual. মই এখন হিতাধিকাৰীৰ তালিকাত পালো। Soil Conservation আৰু খিৰতী গাইৰ কি সম্পৰ্ক মই সেইটো বুজিব পৰা নাই। এই কাৰণে ইয়াৰ আওঁৱত যিবোৰ স্কীম হয় বা indivisual. যিবিলাক হিতাধিকাৰী আছে, এই selection ৰ ক্ষেত্ৰত যিখন Committee সেইটো অলপমান খোকোজা এটা আছে।

**माननीय अध्यक्ष ঃ-** বছিৰ আহমেদ ডাঙৰীয়া, আপুনি কথাটো Department ৰ policy ৰ ওপৰতেই সুধিছে, কথাটো হ'ল তেখেতৰ হাতত এইখিনি আছে নে নাই কব নোৱাৰিম। তেখেত Ready হৈ আহিছে এটা particular question ৰ কাৰণে। গতিকে বেছি দীঘল নকৰি কথাটোৰ উত্তৰ লবলৈ চাওক।

**শ্ৰী হাফিজ বছিৰ আহমেদঃ-** মাননীয় অধ্যক্ষ মহোদয়, Scheme আছে, এইখিনি implement কৰাৰ ক্ষেত্ৰত অলপ সৰলীকৰণ কৰি কৰিলে ভাল হয়।

**माननीय अध्यक्ष ঃ-** again এইটো policy matter ত এইখিনি যদি আপোনাৰ হাতত আছে কব পাৰিব। নহলে পিছত তেখেতক দিব লাগিব।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ-** মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে সেইটো গুৰুত্বপূৰ্ণ প্ৰশ্ন কৰিছে। এইটো বহুত দিনৰ Lacking হৈ আছিল, আৰু আমি এতিয়া এইটো ২ টা Division ত ভাগ কৰিবৰ কাৰণে আমি proposal টো বনাই আছো। এতিয়া Finance ত গৈছে নেকি? Finance লৈ যাব পাৰে। সেইটো পৰ্য্যয়িত আছে। মই সেইটো Confirm নহয়, কিন্তু আমাৰ proposal আছে। এইটো বহুত অসুবিধা হয় আৰু ৰাইজে বিছাৰি পোৱা নাযায়। মই আপোনাক জনাব বিছাৰিছো যে মই ধুবুৰীত ২ দিন মিটিংৰ কাৰণে গৈছো। Ranger য়ে attend নকৰিলে। এনেকুৱা ধৰণৰ অৱস্থা। এইটো অৱস্থাত আছে। গতিকে আমি ইমান ডাঙৰ area টো মাত্ৰ এটা ডিভিজনৰ যোগেদি কাম কৰিব নোৱাৰো আৰু চোৱা চিতা কৰাটো বহুত ব্যাঘাত জন্মে। ২টা ডিভিজন কৰাৰ কাৰণে আমি process কৰিছো।

**माननीय अध्यक्ष ঃ-** ইয়াৰ পাছত Question No-83. আমিনুল ইছলাম।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰী আমিনুল ইছলাম ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসমত যি কেইটা বিভাগ আছে, এই বিভাগৰ কাম কাজৰ ভিতৰত আটাইতকৈ মন্থৰ গতিত কাম হোৱা বিভাগটো হ'ল সংখ্যালঘু উন্নয়ন বিভাগ, আৰু এই সংখ্যালঘু উন্নয়ন বিভাগৰ MSDP বা অন্যান্য আঁচনি বিলাক কেতিয়াবা Sanction হোৱাৰ 3/4 বছৰ পিছতহে কাম আৰম্ভ হয়। আৰু এই ক্ষেত্ৰত আমি দেখা পাইছো যে আজি মোৰ প্ৰশ্নৰ উত্তৰত যিখিনি তথ্য দিয়া হ'ল, ইয়াতে ২০১৪-১৫, ২০১৫-১৬ ২০১৬-১৭ ৰ যিবিলাক আঁচনি দিয়া হ'ল ২০১৫-১৬ ত মৈৰাবাৰী ব্লকত Samction হৈছিল ৫১ লাখ, এতিয়ালৈকে খৰছ হৈছে মাত্ৰ ৭ লাখ। এতিয়া ৩ টা বিত্তীয় বৰ্ষ পাৰ হৈ গ'ল। ঠিক সেই দৰে ২০১৭-১৮ ত ৫ কোটি ৮৮ লাখ Sanction হৈছিল এতিয়ালৈকে মাত্ৰ খৰছ হৈছে ৯৪ লাখ। তেনেকৈ আমি উদাহৰণ স্বৰূপে দিব পাৰো মহামায়া ব্লকত ২০১৫-১৬ ত ১ কোটি ৯৫ লাখ Sanction হৈছিল, এক টকাও খৰচ হোৱা নাই। ২০১৬-১৭ ত ৫৫ লাখ টকা Sanction হৈছিল, এক টকাও এতিয়ালৈকে খৰচ হোৱা নাই। ২০১৭-১৮ ত ১৮ লাখ টকা ৮৩ হাজাৰ Sanction হৈছিল, এক টকাও এতিয়ালৈকে খৰচ হোৱা নাই। ঠিক সেই দৰে গৌৰীপৰ ব্লকত ২০১৫-১৬ ত ২ কোটি ৯২ লাখ sanction হৈছিল, ৩ বছৰ পিছত মাত্ৰ ৪৭ লাখ খৰছ হ'ল। ২০১৬-১৭ ত ৮৭ লাখ ৯ হাজাৰ sanction হৈছিল, এতিয়ালৈকে মাত্ৰ ৩ লাখ টকা খৰছ হ'ল। এনেকে গোটেই অসমৰ ব্লক বিলাকৰ যিটো তথ্য দেখা গৈছে, ৩ টা বিত্তীয় বৰ্ষ পাৰ হোৱাৰ পাছতো, কিছুমানত 5%,2% এনেধৰণৰ, কৰবাত 10% খৰছ হ'ল। অন্য বিভাগতে বহু পিচ পৰি থাকে MSDP ৰ কাম-কাজ বিলাক। এইক্ষেত্ৰত এটা সমস্যা দেখিছো যে, জিলাসমূহত Nodel Department নথকাৰ কাৰণে DC, ADC বা হয়তো Circle officer, BDO সকলকে দায়িত্ব দিয়া হয়। তেওঁলোকৰ

নৰ্মেল কামবিলাক থাকে, অন্য বিভাগ বিলাকৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক। কেইবাজনেও হাত দাঙিছে। দৰকাৰী প্ৰশ্ন। Explanation অলপ কমকৈ কৰিব। তেতিয়া সুবিধা হ'ব।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, Nodel Department নথকাৰ কাৰণে মই ভাৱো আচলতে implementation বেছি দেৰি হয়। কাৰণ তেওঁলোকে নিজৰ বিভাগৰ কাম কৰি অতিৰিক্ত বোজা বুলি ধৰি লৈ কামবিলাক নকৰে। সেই কাৰণে চৰকাৰে প্ৰত্যেক জিলাত জিলা বিষয়া, MSDP ৰূপায়ণৰ কাৰণে যাতে Nodel officer নিযুক্তি কৰি হ'লেও বছৰৰ কামতো বছৰেকত হয় তাৰ কাৰণে কিবা ব্যৱস্থা কৰিব নেকি ?

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই তেখেতে যিটো প্ৰশ্ন কৰিছে যে, মন্থৰ গতিত এই বিভাগটো চলি আছে। মাননীয় অধ্যক্ষ মহোদয়, MSDP ২০০৭ চনৰ পৰা আৰম্ভ হৈছে। ২০০৭ চনৰ পৰা ২০১৭-১৮ চন। এতিয়া আৰু11th plan আৰু12th plan. এই বিভাগটোত কোনো ধৰণৰ Engineering Cell ৰ ব্যৱস্থা ৰখা হোৱা নাই। যিটো মাননীয় সদস্য গৰাকীয়ে কৈছে যে, ইয়াত কোনো ধৰণৰ Nodel officer নাই। হয় এইটো মানি লৈছো। কিন্তু কথাটো হ'ল যে, এই MSDP ৰ গোটেই টকাটো Districtwise allocation হয় আৰু জিলা উপায়ুক্ত ৰ যোগেদি এই টকাটো খৰচ কৰা হয়। আৰু MSDP ৰ যিমানখিনি তাত লোৱা হয়, সন্মানীয় বিধায়ক সকলৰ ব্লক লেভেলত কমিটি এখন আছে। District Level Committee এখন আছে। সন্মানীয় বিধায়ক সকল সেই কমিটিৰ সদস্য আৰু জিলা উপায়ুক্ত ডাঙৰীয়া সেই কমিটিৰ চেয়াৰমেন। কথাটো হ'ল যে, কিয় কামবোৰ পিছুৱাই আছে। মাননীয় অধ্যক্ষ মহোদয়, এই বিভাগটোৰ দায়িত্ব মই এপ্ৰিল মাহৰ পৰা লৈছো। এই বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। MSDP ৰ কাম অসমৰ ১৯ খন জিলাত চলি আছে। কেন্দ্ৰীয় চৰকাৰে পৰ্য্যাপ্ত পৰিমাণৰ টকা দিছে ইয়াত। টকাৰ কোনো অভাৱ নাই। কিন্তু কোনো বিভাগীয় বিষয়া নথকাৰ কাৰণে, ইঞ্জিনীয়াৰিং বিভাগ নাই। এই বি ভাগটোত খুব কমসংখ্যক সীমিত সংখ্যক Principal Secretary, Aditional Secretary চাৰি-পাচঁজন বিষয়াক লৈ গোটেই ১৯ খন জিলাৰ কাম তদাৰক কৰিব লাগে আৰু যিবিলাক স্কীম লৈছে, তেওঁলোকে ২০০৭-০৮,২০০৮-০৯, ২০১০-১১। মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি বিলাক অধ্যয়ণ কৰে যে, কেনেকুৱা ধৰণৰ MSDP ৰ আঁচনি লৈছে, IAY ঘৰ লৈছে। ইন্দিৰা আৱাস যোজনাৰ ঘৰ সেইটো সময়ত লোৱা হৈছিল, যিটো ঘৰৰ মূল্য আছিল ৩৬ হাজাৰ টকা। সেই সময়ত কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ যোগেদে ইন্দিৰা আৱাস যোজনাৰ ঘৰ পায়। মই যেতিয়া এই বিভাগটো চাইছো যে, পঞ্চায়তৰ ফালৰ পৰা তাত ইন্দিৰা আৱাস যোজনাৰ ঘৰ পাইছে আৰু MSDP শিতানৰ পৰাও তাত ঘৰ পাইছো, সেইটো আমি দায়িত্ব লোৱাৰ আগত। এতিয়া Additional class room যিবিলাক লৈ আছে তাত এটা class room ত চাৰি লাখ ৮৩ হাজাৰ, ৮৪ হাজাৰ টকা Additional class room MSDP শিতানৰ পৰাও লৈছে আৰু সৰ্বশিক্ষা মিছনৰ পৰাও লৈছে। এনেকুৱা হৈছে সৰ্বশিক্ষা মিচনৰো এটা ঘৰ আৰু MSDP ৰো এটা ঘৰ। গতিকে এই বিভাগটোত গোটে ইখিনি ইয়াত খেলিমেলি চলিছে। বিশেষকৈ মাননীয় সদস্য গৰাকী নগাওঁ জিলাৰ। আপুনি অবিভক্ত নগাওঁ জিলাৰে সদস্য আৰু গোটেই অসমৰ ভিতৰত আটাইতকৈ বেছি এলোকেশ্যন গৈছে নগাঁও জিলালৈ। আজি মই সদনত কবলৈ বিচাৰিছো যে, একেবাৰে যদি বেয়া কাম হৈছে, নগাওঁ জিলাত হৈছে। কিন্তু কথা হ'ল যে, এতিয়া আমি দায়িত্ব লোৱাৰ পাছত আপুনিতো ক'লে যে,

আচলতে আপুনি সেই বি ভাগৰ আপুনি বিধায়ক। আপুনি গোটেই আঁচনিবিলাক তাত দিয়ে। আপোনাৰ instruction মতে তাত আঁচনি বিলাক লোৱা হৈছে। সেই কামবোৰ কেনেকৈ হৈছে,কি হৈছে আপোনালোকৰ চোৱা-চিতাৰ দায়িত্ব আছে, সন্মানীয় বিধায়ক সকলৰ। যিহেতু এটা এটা ব্লক দুই কোটি, তিনি কোটি চাৰি কোটি টকা এলোকেশ্যন হয় আৰু এনেকুৱা এলোকেশ্যন তাত সৰু সৰু আঁচনি লয় য'ত Additional class room লাগে তাত লৈছে। কিন্তু ডাঙৰ ডাঙৰ যেনে হস্পিটেলৰ কাৰণে বা আই টি আই ৰ কাৰণে বা বিভিন্ন ধৰণৰ যিবিলাক শিক্ষানুষ্ঠান আছে। সেই বিলাকৰ কাৰণে ডাঙৰ ডাঙৰ আঁচনি আছে। কিন্তু আগতে আমি লোৱা দেখা নাই। এতিয়া আই টি আই চলিছে, কিন্তু আই টি আই বিলাকো আধা হৈ আছে। ঠিকাদাৰক গড়কাপ্তানী বিভাগৰ কাম কৰিব দিছে। গড়কাপ্তানী (গৃহ) বিভাগৰ নিজৰ কামৰ তেওঁলোকৰ সময় নাই, তেওঁলোকে MSDP শিতানৰ পৰা কেনেকৈ কাম কৰিব। গতিকে আমাৰ গোটেই বিভাগটোত Engineering Cell নথকাৰ কাৰণে এই কামবিলাক বন্ধ কৰি দিছে। গতিকে আমি এতিয়া নতুনকৈ সিদ্ধান্ত লৈছো আৰু আজি মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সদনক জনাবলৈ পাই সুখী হৈছো। এটা কথা কব বিচাৰিছো যে, 11th plan ত Govt. of India ৰ পৰা আহিলে ৬ শ ৩৬ কোটি টকা, 12th plan Govt. of India ৰ পৰা ৬ শ ১৬ কোটি টকা আৰু ২০১৭-১৮ ত যেতিয়া আমি দায়িত্ব লোৱাৰ পাছত Central Govt. য়ে allocation দিছিলে ১ শ কোটি ৪৪ কোটি টকা। আমি প্ৰপ'জেল চাবমিট কৰিলো। ৮ শ ৮৩ কোটি টকা আৰু এতিয়া আমাক চৰকাৰে ৫ শ ৭৫ কোটি টকা মোকোলাই দিছে। আগৰ চৰকাৰৰ দিনত যিমানখিনি আছিলে, তাতকৈ আমাৰ দুগুন। প্ৰায় শতকৰা ৩৯৮ ভাগ টকা আমাৰ বেচিকৈ আহিছে। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ তৎপৰতাত তেখেতৰ প্ৰচেষ্টাত ২১ খন Residential Model School লোৱা হৈছে। আৰু ২১ খন Residential Model School ত এখন এখন স্কুলৰ মূল্য হৈছে ৩০ কোটি ৪২ লাখ টকা। তেলেংগানাই Model Residential School ৰ কাৰণে পাইছে মাত্ৰ ১৮ কোটি টকা। কিন্তু অসমে লাভ কৰিছে ৩০ কোটি ৪২ লাখ টকা। প্ৰায় দুগুন পাইছো। ৩০ কোটি ৪২ লাখ টকা Residential Model School ৰ কাৰণে ৰখা হৈছে। তাত আমি ৩ খন স্কুল ছোৱালীৰ কাৰণে সংৰক্ষিত কৰি ৰাখিছো আৰু এখন এখন স্কুলত চাৰিশ শিক্ষাৰ্থী থাকিব পাৰিব। তেওঁলোকৰ থকা, খেলাৰ ব্যৱস্থা আছে। ৫০ বিঘা মাটি ইতিমধ্যে চৰকাৰে আমাক দিছে। গড়কাপ্তানী গৃহ বিভাগক আমি টেণ্ডাৰ ক'ল কৰিবৰ কাৰণে কৈছো। তেওঁলোকে টেণ্ডাৰ কৰিছে, আমি খুব সম্ভৱ অক্টোবৰ মাহৰ পৰা Model Residential School ৰ কাম আৰম্ভ কৰিম। গতিকে এই MSDP মোৰ হিচাপত, এন আৰ চি ৰ কামৰ কাৰণে উপাযুক্ত ডাঙৰীয়া সময় নহ'ব এতিয়া। গতিকে ব্লকবিলাকত Contruction Committee ক কাম কৰিব দিছে তাত। কোনো বিভাগে দিছে পি ডব্লিউ ডি ক, তেওঁলোকৰ নিজৰে সময় নাই, MSDP ৰ কাম কি চাব? গতিকে এনেকুৱা ধৰণৰ গতিত চলি আছিলে। কিন্তু এতিয়া আমি ৰিফৰ্ম কৰিব বিচাৰিছো। আপোনালোকে সহযোগ কৰক আৰু এতিয়াৰ পৰা MSDP ৰ কামবিলাক সুচাৰুৰূপে কৰিম। এতিয়া আমি ইউ চি দিব পৰা নাই। আমি ইউ চি দিব নোৱাৰাৰ কাৰণে নতুনকৈ টকা দিব পৰা নাই আৰু এনেকুৱা হৈছে যে, ইন্দিৰা আৱাস যোজনাৰ ঘৰৰ টকা আমি খৰচ কৰিব পৰা নাই।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি কথা মন্ত্ৰী ডাঙৰীয়াই কৈছে, আৰু এটা সমস্যা আমি পাই আছো যে, বিভিন্ন ব্লকত যিটো এলোকেশ্যন যায়, যোৱা তিনি-চাৰি বছৰ প্ৰত্যেক বছৰ আমি বহি ৩ কোটি এটা ব্লকত প্ৰপ'জেল পঠোৱা হয়। কিন্তু যেতিয়া চেংশ্যন যায়,

তেতিয়া এবাৰ ২০ লাখ, এবাৰ ২৫ লাখ আৰু কোনখিনি গ'ল নগ'ল আকৌ পিছৰ বছৰৰ পৰা ২০ লাখ গ'ল, আগৰ বছৰত কিমান বাকী থাকিল। একেবাৰে যদি গোটেই আঁচনিখিনি যিমান টকাৰ এলোকেশ্যন থাকে, একলগে চেংশ্যন হৈ গ'লে তেতিয়া এটা হিচাব থাকে। কোনখিনি হ'ল নহ'ল। এনেকুৱা হয় যে, তিনি বছৰৰ আগৰ হঠাৎ ৩০ লাখ টকা এটা আহিব, বাকী ২ কোটি টকাৰ খবৰ নাই। পিছৰ বছৰ অলপ আহিব। গতিকে গোটেই প্ৰপ'জেলৰ আঁচনি একেলগে অনুমোদন হৈ একেলগে গ'লে কামটো সুচাৰুৰূপে হয়। যিটো কথা মন্ত্ৰী মহোদয়ে কৈছে যে, নগাওঁ জিলাৰ কাম যদি আটাইতকৈ বেয়া হৈছে, আমি প্ৰায়েই উপায়ুক্ত মহোদয়ক সকলৰ লগত যোগাযোগ কৰি তাগিদা কৰি থাকো। কিন্তু কাৰ গাফিলতিৰ কাৰণে কম হৈছে, সেইটোৰ যাতে উচিত ব্যৱস্থা লয় আৰু grass root level একাংশ দালাল ওলাই আহিছে, যিবিলাকে গৈ উপায়ুক্ত, বি ডি অ' সকলক জোৰ দিয়ে যে, কামটো তেখেতসকলে কৰিব। খেলিমেলি কৰি সমস্যা সৃষ্টি কৰে। এইক্ষেত্ৰত যাতে এটা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা যায়, তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

**माননীয় অধ্যক্ষ ঃ** কথাখিনি বহুত গুৰুত্বপূৰ্ণ। প্ৰশ্নবিলাক কৰক। ভাল কথায়েই সুধে, কিন্তু দীঘলীয়াকৈ নক'ব।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো শেষ। এতিয়া গোটেই আঁচনিখন একেলগে চেংশ্যন কৰাৰ ব্যৱস্থা কৰিব নেকি।

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই কৈছে। এইটো কথা দৰকাৰ। মন্ত্ৰী ডাঙৰীয়াই জানে যদি কথাটো কওঁক।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, District Level Committe, Block Level Committee য়ে আঁচনি দিয়ে। District Level Committe ত আঁচনিবিলাক চেংশ্যন হয়। তাৰপিছত এখন State Level Committe এখন আছে। সেই কমিটিখনত Chief Sectretary তাত Chairman, সাংসদো আছে, তেওঁলোকে গৈ পেলাই State Level Committe ত যিবিলাক আঁচনি আছে, সেই আঁচনিবিলাক আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰি দিওঁ। কেন্দ্ৰীয় চৰকাৰৰ EC Committee য়ে তাতে অনুমোদন কৰি দিয়ে। নগাওঁ জিলাত কিয় কাম বেয়া হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** সেইবিলাক কথাত নাযাওঁ। বহুত প্ৰশ্ন আছে। সেইটো আপুনি ক'ব। কিন্তু তেখেতে এটা কথা কৈছে যে, টকাবিলাক অলপ অলপ কৰি পঠিয়াই থাকে।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, UC টো দিব লাগিব। ৫ কোটি টকা কোনোবা এখন জিলাত দিলে, সেই ৫ কোটি টকা UC খন দিলেহে দ্বিতীয় কিস্তিত টকাটো মোকোলাই দিব। UC খন নিদিয়ে। UC নিদিলে কাম শেষ নহয় কাৰণে UC নিদিয়ে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary ত তেতিয়া ক'ব। এইটো জৰুৰী কথা। মন্ত্ৰী ডাঙৰীয়াই চেষ্টা কৰিছে। কথাবিলাক ভাল হৈছে। পুৰণি কথাবিলাক খুচৰি থাকি লাভ নাই। ভাল হ'ব লাগে, সেই কাৰণে মই দিছো। মোৰ এইটো ক্ষেত্ৰত জ্ঞান ক'ম। MSDP টো কি মই চালো । এই ফাণ্ডটো সংখ্যালঘু অধ্যুষিত ব্লক বিলাকক দিয়ে। সংখ্যালঘু মানে সকলো সংখ্যালঘু, অকল এটাকে নহয়। এইটো Multi Sectoral Development Programme গতিকে এইটো এটা Nice Programme সেয়েহে ইমান টকা দিছে। গতিকে এইখিনি যদিuse হয় ভাল হ'ব । গতিকে প্ৰশ্নবিলাক প্ৰাসংঙ্গিক হ'লে ভাল হ'ব । ঠিক আছে ইয়াৰ পিচত আব্দুল কালাম ৰছিদ মণ্ডল।

**শ্ৰীআব্দুল কালাম ৰছিদ মণ্ডল ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়া অৱগত হয়নে নহয় মই নাজানো।

এম এচ ডি পি স্কীমটো এতিয়া নাই। ইয়াক পৰিৱৰ্ত্তন কৰা হৈছে। আৰু এটা কথা কোৱা হৈছে- Block Level Committee বিধায়কসকলক থাকে । এইটো সত্য কথা। এতিয়া ৩ জন Civil Society বা NGOৰ পৰা ল'ব দিয়া হৈছে DCক । গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম বিধায়কসকৰ লগত আলোচনা কৰি ৩ জন মেম্বাৰ দিয়াৰ ব্যৱস্থা কৰিবনেকি? লগতে District Level যিটো Committee আছে তাৰে কিবা পৰিৱৰ্ত্তন হৈছে নেকি? State Level বা Central Level তে হওক। তেখেতে আৰু এটা কথা কৈছে....।

**মাননীয় অধ্যক্ষ ঃ** একেলগে কেইবাটাও supplementary Question কৰিব নোৱাৰে। আৰু বহু কেইগৰাকীক সুযোগ দিব লাগিব। প্ৰথম Question continue কৰক।

**শ্ৰীআব্দুল কালাম ৰছিদ মণ্ডল ঃ** ঠিক আছে ছাৰ, তেখেতে কৈছে পি ডব্লিউ ডি বিল্ডিংৰ কাম নাই। সেইখিনি চোৱাৰ সময় নাই। মই কেৱল ক'ব খুজিছো construction Committee ৰ দ্বাৰা কামবিলাক কৰা হ'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে....... মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীৰঞ্জিত দত্ত, মন্ত্ৰী ঃ হস্ত তাঁত আৰু বস্ত্ৰ ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, এম এচ ডি পিৰ নাম সলনি হৈছে। প্ৰধান মন্ত্ৰী জনবিকাশ কাৰ্য্যক্ৰম। কিন্তু প্ৰশ্নটো আছিলে এম এচ ডি পিৰ সেই কাৰণে মই এম এচ ডি পিৰ উত্তৰ দিছো। নামটো যিহেতু সলনি হৈছে, ইয়াত আহিব লাগিছিল। যিহওঁক আপুনি উল্লেখ কৰা বাবে ধন্যবাদ। দ্বিতীয় কথাটো হ'ল যে- আপুনি যিটো ক'লে ডিষ্ট্ৰিক্ট লেভেল কমিটিৰ আপুনি মেম্বাৰ নহয়। ব্লক লেভেল কমিটি চোচিয়েল ৱৰ্কাৰ ৩ গৰাকী ৰখা হৈছে। আপুনি সেই সমষ্টিৰ বিধায়ক , সেই ব্লকটো আপোনাৰ অধীনত পৰে। দ্বিতীয়তে জিলাৰ যিখন কমিটি আছে- জিলা কমিটিখনত আপুনি মেম্বাৰ হৈ আছে। গতিকে যেতিয়া গোটেই টকাটো এলোকেশ্যন হয় , যেতিয়া ভাগ বতৰা হয়, যেতিয়া স্কীমবিলাক লোৱা হয়। সেই মিটিঙত উপস্থিত থাকি আপোনাৰ স্কীমবিলাক পাছ কৰিব লাগিব। এতিয়া ব্লক লেভেলত Head of the Panchayat Chairman । Block level officer আছে, চেয়াৰমেন আছে, Block level Education officer আছে, তাত ব্লক লেভেল অফিচাৰ হেল্থ আছে। ব্লক লেভেল অফিচাৰ আই চি ডি এছ আছে । ব্লক লেভেল officer ICDS আছে। Block level officer of Welfare আছে। Leads Bank Officers আছে, Principal ITI আছে আৰুthree from reputed NGO or Civil Society গতিকে ব্লক লেভেল কমিটিত আপোনাৰ সমষ্টিত কি কাম হ'ব । আপুনি অলপ চোৱা চিতা কৰাৰ দৰকাৰ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ....... ইয়াৰ পিচত চৰন বড়ো ।

**শ্ৰীচৰণ বড়ো ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো। মোৰ সমষ্টিটো যিহেতু অকনমান এম এচ ডি পিত পৰে মই ইয়াৰ স্কীম লৈ দেখিছো চেকেণ্ড installment আহোতে খুৱ পলম হয়। মই ২০১৬-১৭ স্কীমবিলাক আৰম্ভ হৈছে । তেখেতসকলে কাম কৰিও শেষ কৰিছে কিন্তু চেকেণ্ড ইনষ্টলমেন্ট আহোতে খুৱ পলম হয় । তাৰ ফলত ঠিকাদাৰসকলৰ সমস্যা হয়। আৰু এটা ছাৰ এম এচ ডি পিৰ allocation বিলাক কি ভিত্তিত ভাগ কৰা হয়? এইটো মই জানিব বিচাৰিছো। লগতে প্ৰধান মন্ত্ৰী জনবিকাশ কাৰ্য্যক্ৰম স্কীমটো আৰম্ভ হ'ল, ইয়াৰ কিবা ফাণ্ড আহিল নেকি ? এইবিলাক ফাণ্ড জিলাভিত্তি ভাগ কৰা হ'লনেকি? এইখিনি কথা মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো?

**শ্ৰীৰঞ্জিত দত্ত, মন্ত্ৰী , হস্ততাঁত আৰু বস্ত্ৰ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক

বড়ো ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে- এতিয়া কথা হ'ল যে, এম এচ ডি পিৰ যিটো চেকেণ্ড ইনষ্টলমেন্টৰ কথা কৈছে, সেইটো ক্ষেত্ৰত ইউ চি খন ডি চিৰ ফালৰ পৰা আহিব লাগিব। যিটো স্কীমত যিমান টকা sanction হৈছে তাৰ ইউ চিখন ডি চিৰ ফালৰ পৰা আহিব লাগিব আমাৰ তা'লৈ আৰু আমি ইউ চিখন পঠিয়াই দিম চেন্ট্ৰেললৈ। UC খন Central Government পোৱাৰ পিছত second installment release কৰি দিব। দ্বিতীয়তে এইবাৰ যিটো আমি পইচা পাইছো ২১ খন Residential Model School ৰ নামত ১কোটি ৪২ লাখ টকাকৈ পাইছো। এইবাৰ আমাক এলোকেশ্যন দিছে ১১৯ কোটি টকা । টকাটো এতিয়ালৈকে দিয়া নাই , এলোকেশ্যন দিছে। এতিয়া আমি ৪০০ৰ অধিক স্কীম ল'ব বিচাৰিছো। ইতিমধ্যে আমি জিলাৰ উপায়ুক্তসকলক নিৰ্দেশ দিছো। জিলা পৰ্য্যায় কমিটিত তেওলোকে বাছনি কৰক। স্কীম লওক । এইবাৰ ৩ টা চেক্টৰত টকা খৰছ কৰিবলৈ কৈছে। হেলথ , Education আৰু skill development। আগতে এম এচ ডিপত boundary wall দিছিল আকৌ আন এটাত ৰিং ৰেল দিছিল। বেলেগ এটা এম এচ ডিপত তাৰা পাম্প দিছিল। গতিকে এইবাৰ ডাঙৰ স্কীম আপোনালোকে লওক। Market shed লওক, তাত income Generating হ'ব। হস্পিটেলত যদি ডাক্টৰৰ কোৱাৰ্টাৰ লাগে বা স্কুলত যদি ৰেচিডেন্সিয়েল বা স্কুল বিল্ডিঙ ল'ব পাৰে, চায়েন্স লেব'ৰেটৰি ল'ব পাৰে, স্কীল ডেভল'পমেন্টৰ বাবে ব্লকবিলাকত ডাঙৰ স্কীম লওক। সদ্‌ভাৱনা মণ্ডপ বুলি নতুন এটা স্কীম আপোনালোকে ল 'ব পাৰে। গতিকে এনেকুৱা ডাঙৰ ডাঙৰ স্কীম আপোনালোকে লওঁক । ডাঙৰ ডাঙৰ স্কীম দিবলৈ ভাল হয় । সৰু সৰু - ১ -২ লাখ টকাৰ স্কীম দিয়াত অসুবিধা হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ .... last question ডাঃনোমল মোমিন।

**ডাঃনোমল মোমিন ঃ** অধ্যক্ষ মহোদয়, এম এচ ডি পিৰ অধীনত মোৰ সমষ্টিত ২০২ টা স্কীম চলি আছে। এ বছৰৰ আগতে ৪০ শতাংশ কাম হ'ল। second installment নিদিয়া কাৰণে কিন্তু এতিয়া বন গজা আৰম্ভ কৰিছে। UC দিয়া হ'ল District ৰ পৰা । ডি চিয়ে পঠিয়ালে কিন্তু এইটো খৰতকীয়াকৈ যদি কৰে তেতিয়া হ'লে কাম খিনি আমাৰ আৰম্ভ হয়। আৰু এটা অনুৰোধ জনাব খুজিছো - যিসকল ঠিকাদাৰ আছে । তেওঁলোকক ক'ব লাগে যে part টো complete কৰি দিয়ক Phasewise পইচা আহি থাকিব বিল হৈ থাকিব। তেতিয়া কাম কমপ্লিট হ'ব আৰু এটা কথা হ'ল- যিবিলাক scheme ধৰা হয় চাব চেন্টাৰ বিলাক ১ কি.মি ওচৰে ওচৰে ধৰা হয়। তাত কোনো প্ৰয়োজন নাই তেনেধৰনৰ স্কীম লোৱাৰ। কাৰন আমাৰ ৰিচ'ৰ্ছ নাই। এইবিলাকত কাক আপুনি এপইন্টমেন্ট দিব।গতিকে এইবিলাক বিজ্ঞানসন্মতভাৱে চাব লাগে আৰু সোনকাল ইউ চিবিলাক জমা দি আমাৰ ফাণ্ডবিলাক release কৰি দিব লাগে। যদি নোৱাৰে contractor কাম বিলাক কমপ্লিট কৰিবলৈ নিৰ্দ্দেশ দিয়ক।

**শ্ৰীৰঞ্জিত দত্ত, মন্ত্ৰী , হস্ত তাঁত আৰু বস্ত্ৰ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোমিন ডাঙৰীয়াই কৈছে তেওঁলোকৰ ফাৰ্ষ্ট ফেজৰ কামবিলাক হৈ যোৱাৰ পিছত second installment অহা নাই।

**ড° নোমল মমিন ঃ** সোনকালে UC দি ফাণ্ডবিলাক মুকলি কৰি দিব লাগে আৰু যদি নোৱাৰে ঠিকাদাৰক কামখিনি সম্পূৰ্ণ কৰিব দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** কৈছে তেখেতে। মন্ত্ৰী ডাঙৰীয়া, কওঁক। চমুকৈ ক'ব।

**শ্ৰীৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ নোমল মমিন ডাঙৰীয়াই কৈছে, যে তেওঁলোকৰ কামবিলাক হৈ যোৱাৰ পিছত second instalment অহা নাই। বিশেষকৈ মই দেখিছো যে

জিলা উপায়ুক্ত সকলে UC বিলাক partly দিয়ে, যে আপোনাৰ জিলাখনত যদি ১০ কোটি টকা এই বছৰ আঁচনি লোৱা হৈছে, ১০ কোটি টকাৰ UC দিব লাগে, আপুনি ৫ কোটি টকাৰ UC দিলে কিন্তু কেন্দ্ৰীয় চৰকাৰে নামানে। এই partly যিবিলাক UC দিয়ে সেই কাৰণে UC বিলাক তাত নলয়। গতিকে আপোনালোকে জিলা উপায়ুক্ত সকলক কওঁক যে কাম হৈ গৈছে, যদি ৫০ শতাংশও কাম হৈ গৈছে আপোনালোকে UC দিয়াৰ ব্যৱস্থা কৰক। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা দেখা পাইছো, কিছুমান জিলাত কাম ভাল হৈছে। যেনেকৈ মঙ্গলদৈত কাম ভাল হৈছে দৰং জিলাৰ, আমাৰ মৰিগাওঁত কাম ভাল হৈছে, ১০০ শতাংশ কাম হৈছে। তেওঁলোকে যিমান টকা পাইছে, ১০ কোটি টকা যদি সেই জিলাখনত পাইছে, তেওঁলোকে first phase ত ১০ কোটি টকাৰ কাম আৰম্ভ কৰিছে। সেই আৰম্ভ কৰাৰ কাৰণে ১০ কোটি টকাৰ কাম সম্পূৰ্ণ হৈছে আৰু UC দিবৰ কাৰণে ভাল হৈছে। কিন্তু, কিছুমান জিলাত দেখিছো তাত যদি allocationও আছে ৪০ কোটি টকা, পইচা গৈছে যদিও ১০ কোটি টকা, তেওঁলোকে ৪০ কোটি টকা allocationত কাম কৰি গৈ আছে। গতিকে সেইবিলাক খেলিমেলিৰ কাৰণে এইখিনি হৈছে, গতিকে মই ভাৱো যে এই বিভাগটো আমি নতুনকৈ গঢ়িব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আচলতে মই এটা সদস্যক সকলক অনুৰোধ কৰিম, সকলোৱে হাত দাঙিছে, মই কৈছো যে এইটো মোৰ কাৰণে নতুন বস্তু। যদি আপোনালোকে ভাল আলোচনা এটা বিচাৰিব পাৰে বিচাৰক, এটা বেলেগ notice দি। এনেকৈ প্ৰশ্নৰ উত্তৰ কৰি থাকিলে নিয়ম মতে মই দুটা Supplementary দিব লাগে। এইটো দৰকাৰ কাৰণে মই কৰবাত তিনি চাৰিটাও দিওঁ, ফলত পিছৰ প্ৰশ্নবোৰ থাকি যায়। মই সেই কাৰণে আপোনালোকক কৈছো যে এটা ভাল আলোচনা হওক, এই বিষয়টো সকলোৱে বুজি পাওঁক আৰু এইটো কেৱল Minority বুলি ক'লে সকলো বেঙ্গলী, Muslim, জৈন, খ্ৰীষ্টান এই সকলো অঞ্চলৰ বস্তুখিনি যাতে হয়, গোটেইখিনি মিলি ভাল আলোচনা হ'ব। মই সেইকাৰণে Supplementary ইমানতে শেষ কৰিব বিচাৰিছো। মই আব্দুল খালেক ডাঙৰীয়াক কৈছো বেলেগ এটা Supplementary.

**শ্ৰীৰমেন্দ্ৰ নাৰয়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই। মই এইটো দিয়া নাছিলো, সেইকাৰণে এইবাৰৰ পৰা দিছো, পিছৰ Supplementary, Question No 84, Jogen Mohan. অঙ্গনবাড়ীৰ বাবে আৰু দুজনমানক দিম, এতিয়া মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীযোগেন মহন ঃ** অধ্যক্ষ মহোদয়, উত্তৰৰ বাবে মন্ত্ৰী মহোদয়ালৈ ধন্যবাদ থাকিল, আৰু এটা ধন্যবাদ নিদিলে ভুল হ'ব আমাৰ অসমত ৬২১৫৩ টা অঙ্গনবাড়ী কেন্দ্ৰ আছে আৰু ৬২১৫৩ গৰাকী অঙ্গনবাড়ীৰ কৰ্মী আৰু ৬২১৫৩ গৰাকী সহায়িকা আছে। বৰ্তমান চৰকাৰে এই সহায়িকা আৰু কৰ্মীলৈ যি তেওঁলোকৰ পূৰ্বৰ যিটো নিৰিখত পাৰিতোষিক পাইছিল সেইটো বঢ়াই দিছে, ৩৫০০ টকাৰ পৰা ৬৫০০ টকালৈ। গতিকে ১২৪৩০৬ গৰাকী মহিলাৰ জীৱনলৈ পৰিবৰ্তন আহিছে। আমি দেখিছো অঙ্গনবাড়ী কৰ্মী সকলে বৰ্তমান যিটো ৰূপ লৈছিল, দুইগৰাকীমানে কৈছিল যে আমি সন্ত্ৰাসবাদী হমগৈ, কিন্তু এতিয়া তেওঁলোকলৈ ভাল খবৰ এইখন চৰকাৰে আনিলে। তেওঁলোকৰ ১২৪৩০৬ গৰাকীয়ে এটা ভাল পৰিৱেশ পালে, সেইবাবে অসম চৰকাৰলৈ ধন্যবাদ জনালো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন।

**শ্ৰীযোগেন মহন ঃ** কিন্তু এটা কথা, বাকী প্ৰশ্নটো আছিল, মোৰ তাত ৩০০ টা অঙ্গনবাড়ী কেন্দ্ৰ আছে। তাৰে ২০০ টা মানৰে অৱস্থা বেয়া। কিন্তু ১৮ লাখ টকা বাইদেউৱে দিছে, কিন্তু আমাৰ অঙ্গনবাড়ী কেন্দ্ৰবোৰ ইমানে অৱস্থা বেয়া আছিল যে অলপ ধুমুহা দিলেই ভাঙি যায়। কিন্তু এইটো পূৰ্বৰ চৰকাৰ বুলি কলে আকৌ জাঙুৰ খাই উঠিব, মই সেইকাৰণে নকও। গতিকে নিম্নমানৰ কাম হোৱাৰ বাবেই নে কি কাৰণে নাজানো, প্ৰায়বিলাকে ভাঙি আছে। গতিকে এইটোৰ বাবে কিবা বঢ়াব পাৰে নেকি এক নম্বৰ কথা আৰু দ্বিতীয় কথাটো হ'ল আমাৰ চৰাইদেউ জিলাত জিলা বিষয়া নাই, কেতিয়া নিযুক্তি দিব? জিলা বিষয়া নোহোৱাৰ কাৰণে আমাৰ অলপ সমস্যা হৈছে। গতিকে এইখিনি অলপ চাব। গতিকে এইখিনি কথা মই বাইদেউৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতক মই ধন্যবাদ জনাইছো, তেখেতে ভাল পোৱাৰ কাৰণে। আমাৰ অঙ্গনবাড়ী কেন্দ্ৰৰ বহুত কেন্দ্ৰ বেয়া। কিন্তু, অন্যান্য ৰাজ্য মিজোৰাম, ত্ৰিপুৰাত মই দেখিছো, তেওঁলোকৰ কেন্দ্ৰবোৰ ধুনীয়া আৰু ল'ৰা-ছোৱালী সকলেও ধুনীয়াকৈ বহিবৰ বাবে সুন্দৰ সুন্দৰ আসন আছে। কিন্তু আমাৰ ইয়াত নাই। সেইটো আগৰপৰা ঠিক কৰি আহিব লাগিছিল। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো আলোচনা কৰিছো, তেখেতে মোৰ লগত একমত হৈছে। যদি আমি কেন্দ্ৰবিলাক সুন্দৰ ভাৱে নিৰ্মাণ কৰি নিদিও মাক-বাপেকে নিজৰ ল'ৰা-ছোৱালী সকলক এই কেন্দ্ৰবিলাকলৈ পঠিয়াবলৈ ইচ্ছা নকৰে। ইমান লেতেৰা পৰিৱেশত নিজৰ ল'ৰা-ছোৱালীক এই কেন্দ্ৰবিলাকত পঠিয়াবৰ ইচ্ছা প্ৰকাশ নকৰাৰ বাবে তেওঁলোকৰ উপস্থিতি, শিশু সকলৰ উপস্থিতটো অতি তাকৰ হৈছে। সেই গতিকে আমি সৰুৰে পৰা, তিনি বছৰৰে পৰা লৰা-ছোৱালী সকলক train up কৰি লৈ যাব লাগে। এল. পি. স্কুল, প্ৰাথমিক স্কুল পোৱালৈকে তেওঁলোকক সুন্দৰকৈ train up কৰি লৈ যাব লাগে আৰু লৰা-ছোৱালীবিলাকে আমাৰ কেন্দ্ৰবিলাকত আহিব লাগে, interested হ'ব লাগে। এই কথাটো আমি চিন্তা কৰিছো, সেইকাৰণে যোৱাবছৰো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হাতত যেতিয়া আছিলে তেতিয়াও ২৪ কোটি টকা বাজেটত আৱন্টন কৰাইছিল, State Budget. কিন্তু তেতিয়া খৰচ নকৰিলে। এইবাৰো নতুনকৈ ২৪ কোটি টকা দিয়া হৈছে, এই ২৪ কোটি টকা আমাৰ হাতত আছে কাৰণে এই টকাৰে আমি মেৰামতি কৰাৰ সিদ্ধান্ত হাতত লৈছো আৰু ইয়াৰ পৰাই আপোনালোকক দি আছো। পৰ্য্যায়ক্ৰমে আমি যিমান বেয়া, পৰিত্যক্ত অৱস্থাত থকা কেন্দ্ৰবিলাক আছে সেইবিলাক নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছো। আমি বিচাৰিছো যে কেন্দ্ৰ বিলাকত ফেন থাকক। গৰমৰ সময়ত যাতে তাত ল'ৰা-ছোৱালী সকলে ভালকৈ শিক্ষা ল'ব পাৰে বা খোৱা বস্তুটো খাব পাৰে আৰু সুন্দৰ পৰিৱেশত তেওঁলোকে যাতে খোৱা খাদ্যটো খাব পাৰে এইবিলাকৰ কাৰণে আমি ঠিক কৰি ল'ব লাগিব। সেই কাৰণে এতিয়া ৭ লাখ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছো, য'ত য'ত নতুনকৈ হ'ব সেইবোৰ ৭ লাখ টকাৰে ধুনীয়াকৈ মডেলত কেন্দ্ৰবোৰ বনোৱা হ'ব। এটা এটা সমষ্টিত এটা এটা প্ৰথমে দিবলৈ চেষ্টা কৰিছো আৰু যিবিলাক আছে সেইবিলাকৰ পুনৰ নিৰ্মাণৰ বাবে ঠিক কৰা হৈছে। আপোনালোকে এইখিনি টকাৰে আগতে কৰক, তাৰপিছত পৰ্য্যায়ক্ৰমে আকৌ বিত্ত বিভাগৰ পৰা যদি পইচা পাওঁ তেতিয়া হ'লে আৰু আমি বনাবৰ চেষ্টা কৰিম। এইখিনিয়ে আছিল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীযোগেন মহন ঃ** আৰু District Officer.

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** আৰু District Officer হয়, আমাৰ বহুত বিষয়াৰ পদ খালী আছে। সেইবিলাকৰ নিযুক্তি দিয়া হোৱা নাই। তাৰকাৰণে কামবোৰো বহুত লেহেম গতিত

চলে। CDPO ৰ পদ বহুত খালী আছে, এইবিলাকক আমি নিযুক্তি দিব পৰা নাই। সেই গতিকে এই বিষয়াৰ পৰ্য্যায়ৰ বিষয়া সকলক আমি যদি সোনকালে নিযুক্তি দিয়াৰ ব্যৱস্থাটো নকৰো বা যেতিয়ালৈ নিযুক্তি দিয়াৰ ব্যৱস্থাটো নকৰো তেতিয়ালৈকে আমি কামবিলাক পূৰ্ণ গতিত চলাই লৈ যাব নোৱাৰো। যেনেকৈ SMP Scheme আছে, পুষ্টিকৰ খোৱা খাদ্য দিব লাগে, সেইবিলাক সময়মতে লৈ যোৱা নহয় কাৰণ কিছুমান বাধা কেন্দ্ৰবিলাকত প্ৰজেক্টবিলাকে পাই আছে। গতিকে সেইবিলাক আমি সোনকালে নিযুক্তি দিয়াৰ কাৰণে, য'ত য'ত খালী আছে তাত পুৰণ কৰিবৰ কাৰণে আমি চিন্তা-চৰ্চা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীযোগেন মহন ঃ** অধ্যক্ষ মহোদয়, এটা থাকি গ'ল। District Boardত information কৰি যি বিলাক খালী আছে, খালী থকাবিলাক sanction ৰ কাৰণে ওপৰলৈ interviewৰ যোগেদি সম্পূৰ্ণভাৱেপঠিয়াই দিয়া হ'ল যোৱা ২০১৭ চনৰ এপ্ৰিল মাহতে। এবছৰ দিনলৈকে ইয়াৰ পৰা approval যোৱা নাই। এইটো কি কাৰণে হোৱা বা কি অসুবিধা আছে, এই কথাটো জনাই দিলে ভাল হয়। কেৱল এইবিলাক জিলাত Board ৰ যোগেদি চৰকাৰৰ এটা instruction মতে interview পাতিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মানে এবছৰ কিয় পৰি আছে। ঠিক আছে।

**শ্ৰীযোগেন মহন ঃ** এবছৰ কিয় পৰি আছে সেইটো চাব লাগে আৰু এই পইচা ১৮ লাখতকৈ বঢ়াব নেকি? বাইদেউ এইটোৰ বিষয়েও অলপমান কলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** কিহৰ।

**শ্ৰীযোগেন মহন ঃ** Repairing ৰ বাবে প্ৰতিটো সমষ্টিত যিটো ১৮ লাখ টকাকৈ দিছে, সেইটো।

**মাননীয় অধ্যক্ষ ঃ** আৰু দিব, এইখিনি শেষ কৰি লওঁক। মন্ত্ৰী ডাঙৰীয়ানী কওঁক।

**শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আমি কৈছো যে কেন্দ্ৰীয় চৰকাৰলৈ আমি প্ৰস্তাৱবোৰ পঠিয়াই দিছো। কেন্দ্ৰীয় চৰকাৰৰ পৰা যদি আমি অনুমোদন পাওঁ বা Approval আমি পাওঁ বা Sanction পাওঁ তেতিয়াহলে সেইবিলাক নতুন কেন্দ্ৰ স্থাপন কৰিবৰ কাৰণে সুবিধাটো পাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, আমাৰ যিখিনি অঙ্গনবাড়ী কেন্দ্ৰ আছে, আমাৰ সমষ্টিত, প্ৰত্যেকটো সমষ্টিত যিখিনি কেন্দ্ৰ আছে, আমাৰ কেন্দ্ৰখিনি গাঁৱৰ ভিতৰত Permanent Centre নাই। গাঁৱৰ ভিতৰত কোনোবা কোনোবাৰ ঘৰত হয়।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক। I understand it.

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, Permanent যদি কোনো ঠাই নাথাকে, সেইটোৰ কাৰণে যিখিনি কেন্দ্ৰ বাকী থাকি গ'ল, সেইখিনি কেতিয়ালৈকে সম্পূৰ্ণ হ'ব? আৰু হ'লে আমাৰ এটা পৰিৱেশ সৃষ্টি হ'ব, নহ'লে বিৰাত এটা problem হৈ থাকে।

**মাননীয় অধ্যক্ষ** ঃ থাকি যোৱাৰ ঘৰখিনিৰ সম্পূৰ্ণ কৰাৰ কিবা Time frame আছে নেকি সেইটো শুধিছে।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনতে যি সকল ঠিকাদাৰক কাম কৰিবৰ কাৰণে সময় সীমা নিৰ্ধাৰণ কৰি দিছিল, তেখেত সকলে কিছুমান কাম Complete কৰিলে আৰু কিছুমান কৰিব পৰা নাই। সেইকাৰণে এতিয়া আমি সিদ্ধান্ত লৈছো, যে

তেওঁলোকক Continue কৰিব দিব লাগে। এতিয়া বোধহয় Order টো হৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Specific নাই । এতিয়া মাননীয় সদস্য শ্ৰী উৎপল দত্ত।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ ১০০ নম্বৰ তৰাবিহীন উত্তৰত জনাইছে, যে লক্ষিমপুৰত ১১টা অঙ্গনবাড়ী কেন্দ্ৰত ।

**মাননীয় অধ্যক্ষ ঃ** সেই প্ৰশ্নটো তেনেকৈ নাহিব You can not get supplement on that Question.আপোনাৰ প্ৰশ্নটো কৰক।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই অঙ্গনবাড়ী কেন্দ্ৰ বোৰত নিযুক্তিৰ বাবে Interview ললে ইয়ালৈ পঠাই দিলে, এতিয়া Interview result দিয়া নাই আৰু Center কেইটাখালী হৈ আছে। এইখিনি Cancel কৰি দিব নে নতুনকৈ Interview পাতিব। প্ৰায় ১১ টা অঙ্গনবাড়ী কেন্দ্ৰত Interview পাতিলে, ইয়ালৈ অনুমোদৰ কাৰণে পঠিয়ালে, এতিয়া অনুমোদন যোৱা নাই। Cancel কৰি দিব নে নতুনকৈ পাতিব নে সেই কেইটাকে Appointment দিব। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেইবছৰ মান হ'ল।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰায় দেৰবছৰ মান হৈ গ'ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়ানী আপুনি Check কৰি উত্তৰটো দি দিব।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বেছি দিন হোৱা নাই, এইটো অনুমোদন দি দিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া মাননীয় সদস্য শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়া।

**শ্ৰী প্ৰশান্ত ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, অঙ্গনবাড়ী কেন্দ্ৰত আটাইতকৈ ডাঙৰ ব্যাধি হ'ল Enrolment আমাৰ উপস্থিতিৰ সংখ্যা আৰু যিমান থাকে তাতকৈ আমাৰ Enrolment ৰ যি ব্যৱস্থা আছে, সেই ব্যৱস্থাটো আমাৰ সদায় এটা Discrimination দেখা যায়, তাত যদি ২০ জন থাকে, Enrolment খন কৰি দিয়ে, প্ৰায় ৬০জন ৭০জন যিমান থাকে। এতিয়া সেই বিষয়টো লৈ আজি মন্ত্ৰী মহোদয়ে আমাক জনাব লাগে তাত কিবা Vigilance কৰাৰ ব্যৱস্থা আছে নে নাই ? নহলে কি হৈছে, তাত যি বিলাক Nutrition দিয়া হয়, সেই গোটেই Nutrition খিনি এটা ডাঙৰ কেলেংকাৰী হৈ আছে। এইটো বিষয় লৈ পেলাই মন্ত্ৰী মহোদয়ক কি ব্যৱস্থা লৈছে, বা বিষয়া পৰ্য্যায়ত পঠাইছে নেকি বা দিশপুৰৰ পৰা কাৰোৱাক পঠাইছে নেকি বা Deputy Commissioner চাইছো নেকি, আমি জনপ্ৰতিনিধি খিনিয়ে এইখিনি চাইছো নে নাই এই বিষয়টো মন্ত্ৰী মহোদয়ে জনালে নিশ্চয় ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়ানী ।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো, যে আমাৰ কেন্দ্ৰ বিলাক এনেকুৱা ধৰণত পৰিত্যক্ত পৰিৱেশত আছে, সেই কাৰণে মাক-দেউতাক বিলাকে আমাৰ কেন্দ্ৰ বিলাকত পঠোৱাৰ কাৰণে অলপ অৱহেলা কৰে আৰু এই বিলাক দেখি গাওঁ অঞ্চলৰ দুখীয়া পৰিয়াল হলেও Private School ক পঠিয়াই দিবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰে। সেই কাৰণে আমাৰ যি বিলাক কেন্দ্ৰ সেই কেন্দ্ৰ বিলাকক অলপ উন্নীত কৰিব কাৰণে আমি চেষ্টা কৰিছো। সেই কাৰণে খোৱা ব্যৱস্থাটো যিটো সেইটো আমি উন্নত কৰিব লাগিব। তেতিয়াহে ল'ৰা-ছোৱালী বিলাকে অঙ্গনবাড়ী কেন্দ্ৰ সমূহত আহিব আৰু যিখিনি তেখেত সকলৰ Enrolment সেই হিচাপে সেই কাৰণে Presence টো কম হয়। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে সদনত

জনাব বিচাৰিছো, যে চুপ্ৰিম কোৰ্টে কৈছে যে অকল যি বিলাক শিশু Enrolment হৈছে, অকল তেওঁলোকৰ কাৰণে আমি Scheme টো ধৰিব নালাগে। গাওঁখনত যি বিলাক ল'ৰা-ছোৱালী আছে আৰু গৰ্ভৱতী মহিলা আছে, আৰু বৃদ্ধ লোক আছে, তেওঁলোকৰ নামো তাত থাকিব লাগে। সেই কাৰণে গাওঁখনত যিমান আছে, তেওঁলোকৰ নামটো বা নাম্বাৰটো ধৰি লোৱা হয়। কিন্তু Presence টো সেই কাৰণে কম থাকে সকলোবে অঙ্গনবাড়ী কেন্দ্ৰ সমূহত গৈ আমাৰ পুষ্টিকৰ খাদ্য খোৱাৰ যিটো ব্যৱস্থা আছে, তাত নাযায় সেই কাৰণে আমাৰ যি গৰাকী আগৰ Director তেখেতে চালে, যে Presence টো ইমান কম নাম্বাৰটো বেছি আছে, সেই কাৰণে তেখেতে প্ৰতিটো কেন্দ্ৰত কিমান আছে, Head count কৰা কৰিলে, Head count কৰাৰ পিছত তেখেতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ Office ত যেতিয়া Review কৰিলে, Review কৰাৰ পিছত তেতিয়া কলে যে ৯লাখ আমাৰ Beneficiary টো ভুৱা কিন্তু এইটো দৰাচলতে ভুৱা নহয়, টাৰ্গেতৰ ভিতৰত থকা ল'ৰা-ছোৱালী হয়, কিন্তু তেওঁলোকে নাযায়। কাৰণ তেওঁলোক Private School বিলাকক যায়, সেইকাৰণে সেই বিলাকত Presence টো কম হয়। সেই কাৰণে আমাৰ বিভাগে জিলা পৰ্য্যায়ত যি বিলাক বিষয়া আছে আৰু DC আমাৰ লগত জড়িত হৈ কাম কৰে। DC সকলৰ যোগেদি আমি চাব বিচাৰিছো, কিমানখিনি আমাৰ আচল genuine সেইটো চাব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Next Question No. 85 Amar Chand Jain. মন্ত্ৰী Social Welfare.

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

## Traslated Version from Hindi to English

Amar Chand Jain : Hon'ble Speaker Sir, though this very sincere department, but we should take it more sincerely. I thanks to the Hon'ble Minister for her valuable answer. But in my constituency i.e., Katigorah this project failed 100%. In the last two years, I had visited at least 20 Nos. of Anganwabadi Centre, but in all 20 Nos. of Anganwadi Centres 17 Nos. of centres, I have found remain closed. In Katigorah 80% of Anganwadi Centres are not in function. In my constituency, there are only two projects, but in these two projects only buildings of Awanwadi centre are remain in running condition, others are in dilapidated condition. In 2016, when a deadly thunder storm were blown then roof sheet of all the Anganwadi centres were damaged. Now, there is no space for sitting of children. So, I would like to know from the Hon'ble Minister, when it will be running condition, otherwise, no Anganwadi centre will be open. I had heard it from last six months that money will give for the repairing of these centres. But, even today, no repairing works have been started. So, I would like to know to whom this money has been given, to

whom called for repairing works.

**Hon'ble Speaker**: Mr. Jain, you give the question, otherwise, time will be ended. Ok, you speak but don't get answer.

**Shri Amar Chand Jain**: Hon'ble Speaker Sir, our life has started from Anganwadi Centre, so if our beginning is not good then nothing will be happened in future. So, I want to ask Hon'ble Minister about this. Sir, till now I have build up 35 Nos. of Anganwadi centre from MSDP Fund, but when the remaining Anganwadi Centres will be functional? Or, when the vacant posts in this regards will be filled up?

**Hon'ble Speaker:** Now, Minister please. It is up to her, whatever, language she can choice, let's her choice.

**Smti. Pramila Rani Brahma (Minister):** Hon'ble Speaker Sir, I have felled the grievances of Hon'ble Member Shri Amar Chand Jain. Our Department has also known about it that how many Anganwadi Centres are in Barak Valley, they are in dilapidated conditions. We have to give more importance to Barak Valley in this respect, we think about this. Whatever, savings in my hands I will give you Fund from that savings.

**Hon'ble Speaker**: Please quite.

Shri Amar Chand Jain: Respected, Speaker Sir, there are two Blocks in my constituency and both the two blocks there are two Anganwadi Centres. But there are so many problems; like that people of Katigorah are in Kaladi and people of Kaladi in Katigorah. So, I want both of these centres will be separated, and should need for special care on Aganwadi Centre.

**Smti. Pramila Rani Brahma (Minister)** : You gave it me in written mode. How, many you have complains, I will examine all of them.

**মাননীয় অধ্যক্ষ ঃ** Next Question 86 মাননীয় সদস্য শ্ৰী নুৰুল হুদা। মাননীয় মন্ত্ৰী।
**শ্ৰী ৰঞ্জিত দত্ত** (মন্ত্ৰী) ঃ উত্তৰ সদনৰ মজিয়াত দিয়া আছে।
**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো, আমাৰ নগাওঁ জিলাত MSDP ৰ আঁচনি ৩০ শতাংশ কামো হোৱা নাই, এইবোৰ লেহেমীয়া গতিত চলি আছে, মই আপোনাৰ জৰিয়তে বন্ধ কৰিবলৈ অনুৰোধ জনাম। উপায়ুক্ত

মহোদয়ক নিৰ্দেশ দিব লাগে, অতি সোনকালে এই আঁচনিৰ কাম বিলাক সম্পূৰ্ণ কৰিব লাগে আৰু মন্ত্ৰী মহোদয়ে যিটো কৈছে, Construction Committee কথা আমি সেইটো জনা নাছিলো, যদি Construction Committee আছে, Construction Committee কি ধৰণৰ অলপ কৈ দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, মই আপোনাক সময় দিব নোৱাৰিম কাৰণ এতিয়া আমাৰ সময় শেষ। বিষয়টো বৰ জৰুৰী বিষয় - যদি আপোনালোকে বিচাৰে বিষয়টো বিশদভাবে আলোচনাৰ সময় ল'ম। যিহেতুন নগাওঁৰ কথাটো বিশেষ ভাবে কৈছে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম আমাৰ বিধায়ক সকলৰ লগত এটা আলোচনা কৰিলে ভাল হ'ব।

**<u>পইন্ট অৱ অৰ্ডাৰ</u>**

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীআব্দুল খালেক।

**শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত যেতিয়া প্ৰশ্ন এটা উত্থাপন হয় সেইটো সদনৰ সম্পত্তি আৰু একেদৰে উত্তৰো সদনৰ সম্পত্তি। আজি তৰাচিহ্নিত প্ৰশ্ন নং ৮৩ টো ৰাজ্যিক ভিত্তিত প্ৰশ্ন আছিল। এই প্ৰশ্নটোৰ উত্তৰৰ পৰিশিষ্ট 'ক'টো আমাক দিয়া নাই অকল মই নহয় মোৰ কাষত থকা কোনো বিধায়ককে দিয়া নাই। আমি তথ্যখিনি পালে আমাৰ আলোচনা কৰাত সুবিধা হয়। অধ্যক্ষ মহোদয় ৰাজ্যভিত্তিত যিবোৰ প্ৰশ্ন তাৰ উত্তৰ যাতে আমি সকলোৱেই পাও এই ব্যৱস্থাটো যাতে ভৱিষ্যতে কৰে তাৰ বাবে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মানে কথাটো এনেকুৱা । যদি আপোনালোকে কোনো তথ্য নাপায় তেতিয়া আপোনালোকে সদনলৈ আহি টেবুল অৱ দ্যা হাউচত চাব ইয়াত সকলো থাকে। যিসমূহ প্ৰশ্নৰ উত্তৰত বহু তথ্য থাকে সেই তথ্য সমূহৰ আমি মাত্ৰ ছয়টা ছেট লওঁ আৰু সেখিনি টেবুল অৱ দ্যা হাউচত ৰখা হয়। আমাক কাগজ বিহীন সদন (Paperless House) কৰিবলৈ কৈছে। মইও উত্তৰটো এতিয়া ইয়াতহে চাইছো ইমান তথ্য আছে সকলোকে দিয়াটো সম্ভৱ নহয়। আমি কাগজ বিহীন সদন কৰিবলৈ বিচাৰি আছো যদিও সফল হ'ব পৰা নাই। গতিকে আপোনালোক সকলোকে অনুৰোধ কৰিছো আপোনালোক আহিব প্ৰয়োজনত আপোনালোকক ফটোকপি কৰি দিয়া হ'ব। মই কালিও কৈছো আমাৰ তিনি হাজাৰ পৃষ্ঠাৰ ছেট হৈছে। ৰাইজৰ টকাৰে সদন চলে সেইকাৰণে সকলোকে কৈছে- এইখন টেবুল অৱ দ্যা হাউচ। ইয়াত আপোনালোকে চাব আৰু ইয়াত যদি নাপায় তেতিয়া হ'লে - It's a gross irregularities. যোৱাকালিও মই এইবিলাক কথাৰ কাৰণে বিষয়াসকলক মাতি নিছো।

**শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাগজ বিহীনৰ কথাটো সম্পৰ্কত কথা এটা কৈছো - আমাক টেবলেট দিলে- কিন্তু ম'বাই নিষিদ্ধ কৰিলে - এই বিষয়টোত মই প্ৰত্যাহ্বান জনোৱা নাই মাত্ৰ আপোনাক অনুৰোধ কৰিব বিচাৰিছো যে আজিকালি Whatsapp ত বহু তথ্য আহে গতিকে যদি আমাক ম'বাইল ফোনটো ব্যৱহাৰ কৰিবলৈ দিয়া হয় তেতিয়া ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপোনালোকে বিধায়িনী দলৰ লগত কথা পাতি যিখিনি আমাক পৰিৱৰ্তন লাগে সেইখিনি পৰামৰ্শ আপোনালোকৰ দলপতি আৰু সদস্য ৰাজেদ আলী আহমেদ ডাঙৰীয়াক "কাৰ্য্য উপদেষ্টা সমিতি"ৰ সভাত উত্থাপন কৰিবলৈ দিব আৰু সমিতিয়ে বিষয়সমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰিব। এতিয়া শ্ৰীশ্বেৰমান আলি আহমেদ।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ পইন্ট অৱ অৰ্ডাৰটো হৈছে তৰাচিহ্নিত প্ৰশ্ন নং ৯৪ সম্পৰ্কত। চাৰ, সমাজ কল্যাণ বিভাগৰ অধীনত ২০১৫-১৬ চনত নবৌ, নবোৱাৰী

আদি আঁচনিৰ বাবে বৰপেটা জিলাৰ আঠটা সমষ্টিৰ বাবে মুঠ আঠ কোটি চল্লিশ লাখ টকা অনুমোদন দিয়া হৈছিল। সেই টকাখিনিৰ তিনি কোটি ছয় লাখ টকা তেতিয়াৰ ডি.চি.পি.অ' ডেইজী হাজৰিকাই কোনোবা ৰাজেন্দ্ৰ দাসৰ লগত মিলি নিজৰ একাউন্টত ট্ৰেনচ্‌ফাৰ কৰিলে আৰু তেওঁ গোটেইখিনি টকা চাৰি লাখ, পাঁচ লাখকৈ বিনিয়োগ কৰিলে। এইখিনি কথা বিষয়টো সম্পৰ্কত জিলা উপায়ুক্তই কৰা তদন্তত ওলাইছে আৰু তদন্তৰ প্ৰতিবেদনত আছে। মাননীয় অধ্যক্ষ মহোদয়, ২৭-১২-২০১৭ তে উপায়ুক্তই তদন্তৰ প্ৰতিবেদন দিলে কিন্তু আজিলৈকে নিলম্বনৰ বাহিৰে দোষী ব্যক্তিসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। যিহেতু ইমান ডাঙৰ বিত্তীয় কেলেংকাৰী এটা হৈছে , গতিকে এই বিষয়টো চি.বি.আইক হস্তান্তৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আপোনাৰ কথাটো যুক্তি সঙ্গত। মই নহয় বুলি কোৱা নাই সেইবাবে আপোনাক কবলৈও দিছো, কিন্তু এইটো পইন্ট অৱ অৰ্ডাৰ নহয়। এইবিষয়টো সম্পৰ্কত মই মাননীয়া সমাজ কল্যাণ বিভাগৰ মন্ত্ৰীক কৈছে যে তেখেতে যাতে বিষয়টো নোট কৰি লয় আৰু বৰ্তমান বিষয়টো কি হৈ আছে সেইটো মোকো আৱগত কৰে। শ্ৰীআবুল কালাম ৰছিদ আলম।

**শ্ৰীআবুল কালাম ৰছিদ আলম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে - তৰাচিহ্নিত প্ৰশ্ন নং ৮৩ সম্পৰ্কত। এই প্ৰশ্নটোত মই পৰিপুৰক প্ৰশ্ন কৰিছিলো যে - ব্লকলেভেল যিখন সমিতি সেইখন সময়মতে নিদিয়ে -কেইজন মেম্বাৰ দিয়া হ'ব - মোৰ কথা হৈছে ডি.চিয়ে ....

**মাননীয় অধ্যক্ষ** ঃ এই উত্তৰত আছেনে? পৰিপুৰক প্ৰশ্নত সুধিছিল?

**শ্ৰীআবুল কালাম ৰছিদ আলম** ঃ পৰিপুৰক প্ৰশ্নত চাৰ।

**মাননীয় অধ্যক্ষ** ঃ অনুগ্ৰহ কৰি পৰিপুৰক প্ৰশ্নৰ উত্তৰ কথা এতিয়া নকৰ, পিছত আপুনি মোক জনাব পাৰিব।

**শ্ৰীশ্বেৰমান আলি আহমেদ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ...

**মাননীয় অধ্যক্ষ** ঃ শ্ৰীশ্বেৰমান আলি ডাঙৰীয়া আপোনাৰ আগৰটো পইন্ট অৱ অৰ্ডাৰ নাছিল তথাপিও বিষয়টোৰ গুৰুত্ব বুজি মই আপোনাক কবলৈ দিছো। এতিয়া অনুগ্ৰহ কৰি বহক। এতিয়া শ্ৰীআব্দুল ৰচিদ মণ্ডল।

**শ্ৰীআব্দুল ৰচিদ মণ্ডল** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে - তৰাচিহ্নিত প্ৰশ্ন নং ৮৩ সম্পৰ্কত। ইয়াত এম.এছ্‌.ডি. সম্পৰ্কত কথা কোৱা হৈছে। মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে গোৱালপাৰা জিলাত দেখা গৈছে যে এম.এছ্‌.ডি.পি সূতৰ যিবিলাক টকা জমা হৈ আছে ...

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ প্ৰশ্নটো কি?

**শ্ৰীআব্দুল ৰচিদ মণ্ডল** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো এম.এছ্‌.ডি.পি সম্পৰ্কত।

**মাননীয় অধ্যক্ষ** ঃ উত্তৰত আপোনাক কিবা দিছে নেকি?

**শ্ৰীআব্দুল ৰচিদ মণ্ডল** ঃ যিহেতু এম.এছ্‌.ডি.পি সম্পৰ্কত প্ৰশ্নটো আহিছে....

**মাননীয় অধ্যক্ষ** ঃ উত্তৰত যদি দিয়া নাই কিয় কৈছে। I am ready to have a vast discussion on MSDP. Why don't you take the opportunity? This is not Point of Order. Today is Friday many questions are being left out everyday. I am in hurry to finish most of it. Now Shri Aminul Islam.

**শ্ৰীআমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, যি সমূহ তথ্য টেবুলত দিয়া হয় .....

**মাননীয় অধ্যক্ষ** ঃ মই কৈছো আপোনালোক ৰাতিপুৱা ন বজাত আহিব আৰু যি সকলক প্ৰয়োজন

হয় তেওঁলোকক প্ৰয়োজন হ'লে ফটো কপি কৰি দিয়া হ'ব। আপোনালোকে মোক সহায় কৰক, কিবা থাকিলে মোক ক'ব মই ব্যৱস্থা কৰি দিম। এতিয়া ডাঃ নোমল মমিন।

**ডাঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাচিহ্নিত প্ৰশ্ন নং ৮৩ সম্পৰ্কত মই ক'ব বিচাৰিছো যে জপৰাজান খাদী ভৱন নিৰ্মাণৰ যিটো আঁচনি সেইটো অনুমোদন হ'ল, নিৰ্মাণকাৰ্য্যও সম্পূৰ্ণ হ'ল কিন্তু বিগত দহমাহে সেইটো উদ্বোধন হোৱা নাই আৰু তাত দুজন কৰ্মচাৰীয়ে পোন্ধৰ-বিশ বছৰ ধৰি কাম কৰিছে - তেওঁলোকে এনেয়ে দৰমহা লৈ আছে - কোনো কাম নোহোৱাৰ বাবে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই বুজি পাইছো। মাননীয় হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী আপুনি বিষয়টো অলপ চাব। মই এটা কথা ক'ব বিচাৰিছো- এই সদনতে আমি আটাইতকৈ দৰকাৰী সঁচা কথা বিলাক পাওঁ আৰু অন্য ক'তো পোৱা নাযায়। গতিকেমই সকলো সদস্যকে কৈছো, আমাৰ চৰকাৰ পক্ষকো কৈছো । এই উত্তৰ বিলাক লৈ সদায় চাৰি - পাচঁটা কথা শুনিব লগা হয় । তাৰ মাজত দুই তিনিটা Genuine ও থাকে । কেতিয়াবা কেতিয়াবা অন্য ধৰণৰ কথাও থাকে, সেইবোৰ মই চাইছো। এতিয়া সদনত শুদ্ধ তথ্য বিলাক মন্ত্ৰীয়ে নিজেও দিব নোৱাৰে। তেখেত সকলক সহায় কৰিব লাগিব মেচিনাৰীটোৱে। এই মেচিনাৰীটোৱে সহায় কৰোতে যদি আমি কোনেও নধৰো, then Democracy can't survive like this .এইটো আজি নহয় বহুদিনৰ পৰাই হৈ আছে। সদনত ক'বলৈ মই নিজেই দুখ পাইছো । মই ভাবো যে প্ৰশ্নবিলাকৰ উত্তৰ to the point হ'ব লাগে। those who prepares the question . তেওঁলোককো কৈছো কাৰো বিপক্ষে মোৰ কোনো বেয়া ভাৱ নাই । আপোনালোক সকলোৱে কিন্তু হাউচক সন্মান কৰিব লাগিব । সদনৰ মজিয়াত এই কথাটো নোহোৱাৰ বাবে বহুত ক্ষেত্ৰত আমাক মানুহে সমালোচনা কৰিছে । সেইকাৰণে মই সদস্য সকলোকো কৈছো যে প্ৰশ্ন বিলাকত আপোনালোকে দৰকাৰী কথাবিলাকহে সুধিব। কালি প্ৰশ্নকৰ্তা এজনে গোটেই অসমৰ ঠিকাদাৰৰ লিষ্টখন বিছাৰিছে। এইটো কিয় লাগে ? মই কাৰো বিৰুদ্ধে কথাটো কোৱা নাই। কথাটো হ'ল We should be careful.Whether they are receiving the correct answer or nor. এইটো চিন্তনীয় বিষয়, নহলে মোৰ সদায় ১০ মিনিট সময় এনেকৈয়ে গৈ থাকিব। মই বিচাৰিছো যে - এটা - দুটাতকৈ বেছি প্ৰশ্ন পইন্ট অব অৰ্ডাৰ যাতে নহয়। বাকী বিলাক হওক, পইন্ট অব অৰ্ডাৰ থাকিবই সদায়। মই আমাৰ বিষয়া, মন্ত্ৰী ডাঙৰীয়া সকলক কম যে কেতিয়াবা কেতিয়াবা আপোনালোক অত্যন্ত ব্যস্ত হৈ থাকে, প্ৰশ্নও বহুত থাকে আৰু আপোনালোকৰ সময় নাথাকে। সেই ক্ষেত্ৰত এডিচনেলী আমি সকলোৱে অলপ চেষ্টা কৰিব লাগে, যাতে সদনত শুদ্ধ তথ্য অসমৰ ৰাইজে পাব পাৰে। এইটোৱে আমাৰ মূল কথা। এইখন আমাৰ উচ্চ সদন , আৰু নাই কতো । ইয়াত সকলোৱে শুদ্ধ উত্তৰতো পাব বিচাৰে । এইটো ইয়াত হ'ব বুলি মই আশা কৰিছো । কাৰো দোষ নহয়, এইটো এটা পৰম্পৰা হৈ গ'ল । মই ইয়াত ২৫ বছৰৰ আগতো বিধায়ক হৈ আহিছিলো । সেই কাৰনে কোনোবাই ভুল কৰিলে ভুলটো দেখুৱাই দিয়াতো উচিত । এইটো মোৰ অফিচ, কিন্তু মোৰ অফিচটো যিমান well equipped হব লাগে সেইধৰণে হৈ উঠা নাই। মোৰো lacuna আছে অফিচটোত। We must try to improve the situtation of the Assembly. I mean situation during discussion যাতে এনেকুৱা নহয়।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছিল ষ্টাৰড কোৱেশ্যনত আহিছিল, কিন্তু তেখেত তেতিয়া আহি পোৱা নাছিল। মই ধুনীয়াকৈ উত্তৰ দিছিলো। তেখেতে প্ৰশ্ন কৰাৰ কাৰণে বিষয়টো মোৰ

দৃষ্টিগোচৰ হৈছে, সেইকাৰণে তেখেতক মই ধন্যবাদ জনাইছো।প্ৰশ্নমৰ্মে বিষয়টোৰ ওপৰত একশ্যন লোৱাৰ কাৰণে উচ্চপদস্থ বিষয়াক নিৰ্দেশ দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ইয়াকেই কয় গণতন্ত্ৰ।

## শূণ্যকালীন ঘন্টাৰ ওপৰত আলোচনাঃ

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূণ্যকালীন ঘন্টা, মই প্ৰথমে প্ৰফুল্ল মহন্ত ডাঙৰীয়াক তেখেতৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, বিধায়ক ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ২৭-০৯-২০১৮ তাৰিখৰ ' Assam Tribune' কাকতত এটা বাতৰি প্ৰকাশ পাইছিল। ১ এপ্ৰিল,২০০৬ৰ পৰা অক্টোবৰ,২০১৭ চনলৈকে সমগ্ৰ অসমতে বিদ্যুৎস্পৃষ্ট হৈ অফিচিয়েলি ৫০০ আৰু আন-অফিচিয়েলি ১০০০ৰ ওপৰত মানুহে মৃত্যুবৰণ কৰিবলগীয়া হৈছে। আমাৰ ডেম'ক্ৰেটিক ডেভ'লপিং কান্ট্ৰিবিলাকত তিনিটা প্ৰধান বিষয় হৈছে যোগাযোগ,শিক্ষা আৰু স্বাস্থ্য। এই তিনিটা ক্ষেত্ৰত যদি উন্নতি কৰিব পাৰে,তেতিয়াহ'লে সেই দেশখন উন্নত দেশলৈ আগবাঢ়িব পাৰে। বহুতো কমিউনিকেশ্যনৰ ভিতৰত ইলেকট্ৰিচিটিটোও সামৰা হয়। আমাৰ প্ৰত্যেকৰে আজিৰ দিনটোত ইলেকট্ৰিচিটিৰ প্ৰয়োজন আছে। শ্ব'লাৰ চিষ্টেমৰ জৰিয়তেও আমি বিদ্যুৎ উপাৰ্জন কৰিছো। কিন্তু দেখা গৈছে যে এ পি ডি চি এল এ যিবিলাক ঠাইত ইলেকট্ৰিচিটি কমিউনিকেশ্যন কৰিব গৈছে, তাত দেখা গৈছে যে ঠিকাদাৰ সকলে যিবিলাক সামগ্ৰী ব্যৱহাৰ কৰিছে সেইবোৰ উচ্চ ক্ষমতাসম্পন্ন নহয়, মানসম্পন্ন নহয়, যাৰ ফলস্বৰূপে এনেকুৰাধৰণৰ ঘটনাবোৰ সংঘটিত হৈছে। আমাৰ ৰাজ্যখনে ইলেকট্ৰিচিটিৰ বাবে দাঁতিকাষৰীয়া ৰাজ্য মেঘালয়, অৰুণাচল, নগালেণ্ড আদিৰ ওচৰত হাত পাতিবলগীয়া হয়। তাকো দিয়া হয় নেশ্যনেল গ্ৰিডত। অধ্যক্ষ ডাঙৰীয়া, আজি যদি আমি চাওঁ অসম চৰকাৰক ভূটানৰ পৰা ইলেকট্ৰিচিটি দিব বিচাৰি আছে (মাজতে আলোচনা হৈছিল,কি হ'ল মই নাজানো) কিন্তু আমাৰ চৰকাৰে লবপৰা নাই। কিয়নো এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা এটা বিষয়ত ক্লিয়েৰেঞ্চ অহা নাই। কিন্তু পশ্চিমবংগ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ক্লিয়েৰেঞ্চ নোহোৱাকৈ ভূটান চৰকাৰৰ পৰা ইলেকট্ৰিচিটি লৈ আছে আৰু কম দামত তেওঁলোকে লব পাৰিছে। আমাৰ অসমত ৭১ টা ৰিপোৰ্টৰ ভিতৰত ৫৮ টা ৰিপৰ্টতেই এ পি ডি চি এল ক অভিযুক্ত কৰা হৈছে যে, তেওঁলোকৰ হেমাহিৰ কাৰণেই ৫০০ মানুহে জীৱন হেৰুৱাবলগীয়া হৈছে। আন-অফিচিয়েলি এক হাজাৰৰ ওপৰৰ লোকে জীৱন হেৰুৱাইছে। এই ক্ষেত্ৰত মই ভাবো যে, বৰ্তমানৰ নতুন মন্ত্ৰীয়ে , এই বিভাগটোৰ বিষয়াসকলে যাতে সঠিকভাৱে কাম কৰে তাৰ ওপৰত মনোনিৱেশ কৰিব লাগে। দুই-এজনে মোক কৈছে যে ইয়াত চিণ্ডিকেট চিষ্টেম হৈছে, (মই নাজানো কেনেকুৰা চিণ্ডিকেট) যাৰ ফলত উপযুক্ত ঠিকাদাৰ থাকিলেও তেওঁলোকে কাম কৰিবলৈ নোপোৱাৰ অভিযোগ উত্থাপিত হৈছে আৰু কোৱালিটি যিটো চেক কৰিব লাগে, সেইটোও বিভাগৰ ফালৰপৰা সাধাৰণতে কৰা নহয়। নকৰাৰ ফলতে কম মানদণ্ডৰ তাঁৰ সংযোগ কৰি তেওঁলোকে অধিক মুনাফা লাভ কৰে। তাৰ ফলত আমাৰ সৰ্বসাধাৰণ মানুহে ক্ষতিগ্ৰস্ত হ'বলগীয়া হয়। টাউন আৰু গাওঁবিলাকত যিটো ডিষ্ট্ৰিবিউশ্যন চিষ্টেম আছে এই চিষ্টেমটো সঠিকভাৱে প্ৰয়োগ নকৰাৰ বাবে প্ৰায়বিলাক গাওঁ, চহৰতে ইলেকট্ৰিচিটি নাথাকে। সেইবাবে তেওঁলোকে লাইটৰ সুবিধা নোপোৱাৰ কাৰণে অন্যান্য সুবিধাৰ পৰাও বঞ্চিত হ'বলগীয়া হয়। সেইকাৰণে মই ভাৱো যে ইলেকট্ৰিচিটি বোৰ্ডখন অধিক সক্ৰীয় কৰি তুলিব লাগে আৰু যিটো ডিষ্ট্ৰিবিউশ্যন চিষ্টেম এ পি ডি চি এলৰ জৰিয়তে কৰা হৈছে

এইটো অধিক কাৰ্যক্ষম কৰি তুলিব লাগে। ইলেকট্ৰিচিটিৰ যিটো মিটাৰ ৰিডিং চিষ্টেম, এই চিষ্টেমটো বিভিন্ন ক্ষেত্ৰত দেখা গৈছে যে আসোঁৱাহযুক্ত, যাৰ ফলস্বৰূপে গ্ৰাহকে অতিৰিক্ত হাৰত বিদ্যুৎ মাচুল পৰিশোধ কৰিবলগীয়া হয়।এই গোটেই কথাবিলাক ইয়াৰ লগত জড়িত হৈ আছে। গতিকে মন্ত্ৰী ডাঙৰীয়াই এ পি ডি চি এলক অধিক দায়িত্ব সম্পন্ন কৰি তুলিব লাগে আৰু তেওঁলোকে যাতে এই ক্ষেত্ৰত সঠিকভাৱে কাম কৰে তাৰ ব্যৱস্থা হাতত ল'ব লাগে। বিদ্যুৎস্পৃষ্ট হৈ বিভিন্ন ঠাইত মানুহ, জীৱ-জন্তু নিহত হোৱাৰ ক্ষেত্ৰত তেওঁলোকে ৫৮ টা ডাইৰেক্টলি পইন্ট কৰিছে। এইবিলাক পৰ্য্যালোচনা বিভাগত কৰা হৈছেনে নাই অধ্যক্ষ ডাঙৰীয়া ? যদি কৰা হৈছে, এইবিলাক দূৰ কৰাৰ কাৰণে তেওঁলোকে ব্যৱস্থা হাতত ল'ব পাৰিছেনে নাই? ইয়াত সাংবাদিক বৰঠাকুৰে লিখিছে যে- "According to the Central Electricity Authority(Measures relating to safety and electric supply), all electric supply lines shall be of sufficient rating for power, insulation and estimated false current and of sufficient mechanical strength for the duty cycle which they may be required to perform under environmental condition of installation, and shall be constructed, installed, protected worked and maintained in such a manner as ensure safety of human beings, animals and property" মই এই গোটেই বিষয়খিনি বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই ৰিপোৰ্টসমূহত যিবিলাক lacuna দেখুওৱা হৈছে বা যিবিলাক faults আউট হৈছে, যিবিলাক কাৰণত এ পি ডি চি এলে functioning কৰিবপৰা নাই , যিবিলাক কাৰণত অফিচাৰ সকল ম'টিভেটেড হোৱা নাই এই কাৰণসমূহ উলিয়াব লাগে। কাৰণ ইলেকট্ৰিচিটি কনজিউমৰ ওপৰত সেই অঞ্চলৰ ডেভ'লপটো সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰে। উন্নত দেশবিলাকত কোনে কিমান ইলেট্ৰিচিটি কনজিউম কৰে তাৰ এটা হিচাপ থাকে আৰু সেই হিচাপৰ ওপৰত তেওঁলোকৰ উন্নয়নটো হিচাপ কৰা হয়। মই আৰু দীঘলীয়া নকৰো। মন্ত্ৰী ডাঙৰীয়াৰ পৰা সঠিক উত্তৰ আৰু সঠিক কাৰ্যব্যৱস্থা লোৱাটো মই বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ সহযোগ কৰাৰ কাৰণে ধন্যবাদ, এতিয়া বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী তপন গগৈ,মন্ত্ৰী** ঃ. ২০০৬ ৰ পৰা ২০১৮ লৈকে আমাৰ মুঠ ৮৮৬ জন মানুহৰ মৃত্যু হৈছে আৰু আমাৰ এ পি ডি চি এলৰ যিখিনি ভুল আছিল বা এ পি ডি চি এলৰ যিখিনি দোষত হৈছে এই কথাখিনি তেখেতে ইতিমধ্যে উল্লেখ কৰিছে আৰু তাৰে আমাৰ ১৩৬ টা কেচ হাইকোৰ্ট আৰু লৱাৰ কোৰ্টত হৈছে। এই ১৩৬ টা কেচৰ ৬৫ টা কেচ ইতিমধ্যে সমাধান হৈছে। আমি সেইখিনি কমপেনচেশ্যন দিছো। ৭১ টা কেচ এতিয়া চলি আছে। এইখিনিৰ ৰিজাল্ট এতিয়ালৈকে অহা নাই। সেইখিনি আহিলে আমি নিশ্চয় সেইখিনিৰো ব্যৱস্থা কৰিম। যিহেতু ২০০৬ ৰ পৰা মই মন্ত্ৰী হিচাবে নাছিলো। মই মন্ত্ৰী হোৱা মাত্ৰ ৪ মাহ হৈছে। মই এটা সমীক্ষা আপোনালোকক দিব বিচাৰিছো যে ২০১৪-১৫ চনৰ পৰা ২০১৭-১৮ লৈকে এই সময়চোৱাত আমি ২৮ জন মানুহক নিযুক্তি দিছো।২০১৭-১৮ চনৰ এই বছৰটোত ৪৩ জন মানুহক আমি কমপেনচেশ্যন দিছো। বিভিন্ন কাৰণত আমাৰ এই ঘটনা বিলাক সংঘটিত হয়। আজি যিবিলাক তাঁৰ লাগি আছে এই তাঁৰ বিলাক আটাইতকৈ ল' কোৱালিটীৰ, যিবিলাক আগতে লগোৱা হৈছিল। এইবিলাক বহুত পুৰণি হৈ গ'ল। এই তাঁৰ বিলাক বিভিন্ন সময়ত চিঙি যোৱা কাৰণে এনেকুৱা ধৰণৰ ঘটনা বিলাক সংঘটিত হয়। সেইবিলাক নাইকিয়া কৰিবৰ কাৰণে আমি এতিয়া ব্যৱস্থা গ্ৰহণ কৰিছো যাতে ভৱিষ্যত দিনত মানৱ সম্পদ আমাৰ কেতিয়াওঁ হানি নহয়। জীৱ-জন্তুৰ যাতে কেতিয়াও হানি নহয় এনেধৰণৰ কথা বিলাক আমি

চিন্তা কৰিছো। কেইবাটাও স্কীমত আমাৰ কাম চলি আছে। আপোনালেকে জানে যে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই সৌভাগ্য আচঁনিৰ জৰিয়তে প্ৰত্যেকৰে ঘৰে ঘৰে কানেকশ্যন দিবৰ কাৰণে কৈছে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে খুব খৰতকীয়াকৈ ৩১ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ কাৰণে নিৰ্দ্দেশনা আমাক দিছে আৰু তাৰ কাৰণে আমি এতিয়া যিমানবিলাক আমাৰ কানেকশ্যন হ'ব সৌভাগ্য আঁচনিৰ জৰিয়তে এ ভি কেবলৰ জৰিয়তে হ'ব। তাত তাঁৰৰ কোনো ব্যৱস্থা নাথাকিব আৰু এ ভি কেবলৰ জৰিয়তে কৰাৰ কাৰণে আমাৰ দূৰ্ঘটনা সংঘটিত হোৱাৰ ক্ষেত্ৰতো আমি সকাহ পাম। ইতিমধ্যে ৬০ হাজাৰ কিলোমিটাৰ আমাৰ তাঁৰ লাগি আছে আৰু বিভিন্ন সময়ত এই তাঁৰ বিলাক যদি ছিগি যায় তাৰ পৰা এনেধৰণৰ দূৰ্ঘটনা বিলাক সংঘটিত হয়। এই ৬০ হাজাৰ কিলোমিটাৰ তাঁৰ আমি এতিয়া এ ভি কেবল কৰিবৰ কাৰণে ব্যৱস্থা কৰিছো। তাৰ বাবে আমি ৩২৮৪.০৪ কোটি আমি এ ডি বি ৰ পৰা বিচাৰিছো আৰু তেওঁলোকে দিবৰ কাৰণে ঠিক কৰিছে। এইখিনি হৈ যোৱাৰ লগে লগে ৬০ হাজাৰ কিলোমিটাৰ তাঁৰৰ সলনি আমি এ ভি কেবল কৰিম। এ ভি কেবল কৰাৰ লগে লগে এনেধৰণৰ দূৰ্ঘটনা বিলাক আৰু কেতিয়াওঁ সংঘটিত নহয়। আমি সেইখিনিৰ পৰা জনসাধাৰণক সকাহ দিব পাৰিম। ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনা বিলাক সংঘটিত নহয় এই কথাখিনি মই অৱগত কৰিলো। আমি এতিয়া আই পি ডি স্কীমত কাম চলাই আছো। ইতিমধ্যে এই স্কীমত ঠিকাদাৰ সকলক ৬৩৩.৯২ কোটি টকা ইতিমধ্যে আমি এৱাৰ্ড কৰিছো। আই পি ডি স্কীমত আমাৰ চিফটিঙৰ কাম বিলাক চলি আছে যাতে তাত থকা ট্ৰান্সফৰ্মাৰ লাইন বিলাক শক্তিশালী কৰিব পাৰো তাৰ কাৰণে আমি চিফটিঙৰ ব্যৱস্থা কৰিছো আৰু কভাৰ্ড কনডাকটৰ কৰিবৰ কাৰণে আমি ঠিক কৰিছো আৰু পৰীক্ষামূলক ভাৱে আমি দুটা কভাৰ্ড এৰিয়া ১১ কিলোমিটাৰ লৈছো। কাজিৰঙাত আমি দুটা ফিগাৰ লৈছো কভাৰ্ড কনডাকটৰ কৰিবৰ কাৰণে যিখিনি আমাৰ এনিমেল কৰিডৰ আছে, তাত আমি ব্যৱস্থা গ্ৰহণ কৰিছো। ভৱিষ্যতে পৰ্য্যায়ক্ৰমে আমি এই ব্যৱস্থা বিলাক গ্ৰহণ কৰিব লাগিব। বিভিন্ন সময়ত অসমত দেখুৱাই থাকে যে গছৰ মাজেৰে ফুটা কৰি লৈ তাঁৰ বিলাক লৈ যোৱা হৈছে। বাহঁৰ খুটা, কাঠৰ খুটাৰে আমাৰ তাঁৰবিলাক লৈ যোৱা হৈছে। আজি একবিংশ শতিকাত য'ত পৃথিৱীখন দ্ৰুত গতিত আগবাঢ়িছে আমি কিন্তু অসমত বাঁহ আৰু কাঠৰ খুটাৰে তাৰঁবিলাক লৈ গৈ আছো। কিন্তু আমি বিচাৰিছো অসমত যাতে কোনো কালে বাঁহ আৰু কাঠৰ খুটা থাকিব নোৱাৰে। তাৰকাৰণে আমি ইতিমধ্যে ২৫ কোটি টকা মুকলি কৰি দিছো। সমগ্ৰ অসমত কতো বাঁহ আৰু কাঠৰ খুটা থাকিব নোৱাৰিব। মই সন্মানীয় প্ৰতিনিধি তথা বিধায়ক সকলক অনুৰোধ জনাইছো আপোনালোকৰ এৰিয়া বিলাকত যদি বাঁহ আৰু কাঠৰ খুটা আছে তেতিয়াহ'লে আমাক অৱগত কৰিব। পাৱাৰ চেক্টৰত আমি মানুহক ২৪ ঘণ্টাই পাৱাৰ দিব লাগে। আমাৰ গ্ৰীড আৰু ট্ৰান্সমিশ্যনৰ যিটো ব্যৱস্থা কৰিব লাগিছিল পৰ্য্যায়ক্ৰমে আমি সেইখিনি শক্তিশালী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। কাৰণ যদি গ্ৰীড কেপাচিটি নাথাকে বা ট্ৰান্সমিশ্যনৰ ব্যৱস্থাটো যদি শক্তিশালী নহয় তেনেহ'লে ভৱিষ্যতে মানুহক আমি এনেধৰণে ২৪ ঘণ্টাই কাৰেণ্ট দিব নোৱাৰিম। উদাহৰণ স্বৰূপে আমাৰ শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াৰ সমষ্টিৰ কথা কৈছো। তেওঁৰ তাত ২৪ মেগাৱট পাৱাৰ দিব লাগে কিন্তু তাত ২৪ মেগাৱট দিবৰ কাৰণে যিটো কেপাচিটি লাগে মই তাত আজিৰ তাৰিখত ১০ মেগাৱতহে দিব পাৰো। ১০ মেগাৱটৰ পৰিৱৰ্তে আৰু ১৪ মেগাৱটৰ কাৰণে আৰু যি তাৰৰ ব্যৱস্থা কৰিব লাগে সেইখিনি আৰু ৪ মাহৰ ভিতৰত কমপ্লিট হৈ উঠিব। কমপ্লিট নোহোৱালৈকে আৰু ২৪ মেগাৱট মই দিব নোৱাৰো আৰু নোৱাৰাৰ কাৰণে তাত বিভিন্ন ধৰণৰ আন্দোলন বিলাক হৈ আছে। আন্দোলন হোৱাটো স্বাভাৱিক কথা। কিন্তু আমি এই ব্যৱস্থা সমূহ শক্তিশালী কৰাৰ কাৰণে চেষ্টা কৰি আছো

আৰু সেই ব্যৱস্থা বিলাক হোৱাৰ লগে লগে আমাৰ অসমৰ আমাৰ শক্তিখণ্ডটোৰ আমি উন্নতি কৰিব পাৰিম। ১০ বছৰৰ ভিতৰত অসমে নিজৰ ভৰিৰ ওপৰত থিয় দিব পাৰিব সেই বিশ্বাসটো মোৰ আছে আৰু সদনে আজি এই কথাটো বিশ্বাস ৰাখক নিজৰ ভৰিৰ ওপৰত আমি থিয় দিব পাৰিম আৰু যিমান পাৱাৰ প্ৰডাকশ্যন আমি কৰিব লাগে এই পাৱাৰ প্ৰডাকশ্যন আমি কৰিবলৈ সক্ষম হ'ব পাৰিম কাৰণ নেশ্যনেল গেছ গ্ৰীড আহি আছে। নেশ্যনেল গেছ গ্ৰীডলৈ আমি চিঠি লিখিছো আৰু তেওঁলোকে গেছ দিম বুলি কৈছে। তাৰ লগে লগে গেছ ভিত্তিক শক্তি উৎপাদন কৰিবৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। এইখিনি হোৱাৰ লগে লগে দেখিব যে অসমে নিজৰ ভৰিত আমি থিয় দিবৰ কাৰণে সক্ষম হৈছো। ১০০ মেগাৱট চ'লাৰ প্ৰজেক্টৰ আমি ইতিমধ্যে এৱাৰ্ড কৰিছো। আমগুৰিত ৭০ মেগাৱট চ'লাৰ প্ৰজেক্ট কৰিবৰ কাৰণে আমি গৈ আছো আৰু এক- ডেৰমাহৰ ভিতৰতে আমি সেইখিনি টেণ্ডাৰ প্ৰচেছলৈ লৈ যাম। জানুৱাৰী মাহৰ ভিতৰতে কাম আৰম্ভ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। আমি লৱাৰ কপিলীত ১২০ মেগাৱট হাইড্ৰ প্ৰজেক্ট কৰিবলৈ আগবাঢ়িছো। আজি শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই খুব সুন্দৰকৈ এই কথাখিনি ইয়াত উল্লেখ কৰিছে যে হয় বিভিন্ন সময়ত আমাৰ দোষ আছে। কিন্তু জানি শুনি এই কামখিনি কেতিয়াওঁ এ পি ডি চি এলৰ ফালৰ পৰা কৰা নহয়। কাৰণ আমাৰ দক্ষ ইঞ্জিনিয়াৰ সকলে সদায় জনসাধাৰণৰ ভালৰ কাৰণে কাম কৰি আছে আৰু ইঞ্জিনিয়াৰ সকলক জনসাধাৰণে সহায় কৰাৰ কাৰণে এই বিভাগটো ভালদৰে চলি আছে আৰু এই ক্ষেত্ৰত আমি সদায় প্ৰতিশ্ৰুতিবদ্ধ যে জনসাধাৰণক সেৱাৰ বৃত্তিৰে আমাৰ বিভাগে যিটো কাম কৰি আছে এইক্ষেত্ৰত আমি সকলোৰে লগ লাগিলে নিশ্চয় অসমৰ পাৱাৰ চেক্টৰত আমি কাম কৰিবলৈ সক্ষম হ'ব পাৰিম। আজিৰ তাৰিখত আপোনালোকে জানে যে আমাৰ ১৬৬৫ ডিমাণ্ড আছে আৰু এই ১৬৬৫ খিনি পাৱাৰ পাবলৈ আমি সক্ষম হৈছো। এইক্ষেত্ৰত অপেন মাৰ্কেটৰ পৰা আমি পাৱাৰ ল'ব পাৰো। পাৱাৰৰ ক্ৰাইচিচ্ আমাৰ নাই কিন্তু পাৱাৰ দিব বা লৈ যাবৰ কাৰণে আমাৰ যিখিনি আনুসংগিক ইনফ্ৰাষ্ট্ৰাকচাৰ লাগে সেইখিনি নিৰ্মাণ কৰি থকা হৈছে আৰু এইখিনি নিৰ্মাণ হোৱাৰ লগে লগে সকলোতে আমি ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম আৰু ইয়াত দুটা কেচৰ কথা উল্লেখ কৰিছিল। এটা হৈছে মজিৰাম বিবি আৰু এটা হৈছে ছাইফুল ইছলাম ধুবুৰী জিলাৰ। এই দুটা কেচত ইতিমধ্যে আপুনি গম পাই যে মজিৰাম বিবিক ২ লাখ ৫০ হাজাৰ টকা দিয়া হৈছে ২০১৫ চনত হাইকোৰ্টৰ নিৰ্দ্দেশনা অনুসৰি আৰু ছাইফুল ইছলামৰ গোচৰটো ইতিমধ্যে নিষ্পত্তি কৰা হৈছে আৰু ২০১৩ চনতেই তেখেতক ক্ষতিপূৰণ হিচাবে ১ লাখ টকা দিয়া হৈছে। এইখিনি কথা মই অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শূণ্য কালীন ঘণ্টা। শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে কওঁক।

**শ্ৰীমতী নন্দিতা দাস, বিধায়িকা (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূণ্য কালীন জাননীৰ জৰিয়তে যোৱা ৯ চেপ্তেম্বৰ ২০১৮তাৰিখে **"অসমীয়া প্ৰতিদিন"** বাতৰি কাকতত প্ৰকাশিত হোৱা মোৰ সমষ্টিৰ এটা ঘটনাৰ ওপৰত ক'বলৈ দিয়াত ধন্যবাদ জনাইছো। বিষয়টো আছিল **"বকোৰ সীমান্তৱৰ্ত্তী অসমৰ ভূমিক মেঘালয়ৰ বুলি দাবী মালাংকোনাত পৰিদৰ্শনকাৰী চৰকাৰী বাহিনীক গঞাৰ আক্ৰমণ"।** মাননীয় অধ্যক্ষ মহোদয়, ঘটনাটো এনেকুৱা ধৰণৰ আছিল যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ প্ৰায় ১৫ জনীয়া এটা দলে যেতিয়া জনস্বাস্থ্য বিভাগৰ এটি আঁচনি "Clean and Green Village" বুলি ঘোষণা কৰিবলৈ যাওঁতে হঠাৎ প্ৰায় ১০০ জনীয়া সেই অঞ্চলৰ মানুহৰ দলে এই ১৫ জনীয়া যি বিষয়াৰ দল আছিল, তেওঁলোকক আক্ৰমণ কৰিছিল। স্থানীয় যিজন গাওঁবুঢ়া আছিল, তেখেতক মাৰধৰ কৰিছিল। প্ৰায় তিনি-চাৰি ঘণ্টা তেওঁলোকক আৱদ্ধ কৰি থৈছিল আৰু তেওঁলোকৰ

হাতত থকা মোবাইল ফোনবোৰ ৰাখি থৈছিল। সন্ধিয়ালৈকে এই মানুহখিনিক এৰি দিয়া নাছিল। তেওঁলোকে এইদৰে এটা অতি বেয়া পৰিৱেশৰ সৃষ্টি কৰিছিল। মই গম পোৱা মতে সেইদিনা সেই অঞ্চলত মেঘালয়ৰ গৃহ মন্ত্ৰী আহিছিল আৰু সেই অঞ্চলটোৰ মানুহখিনিৰ লগত মিটিং কৰিছিল। কিন্তু সেইখিনি আমাৰ অসমৰ মাটি। সেই অঞ্চলটোক মালাংকোনা বুলি কয়। ঠিক যোৱাৰ পিছত সেই অঞ্চলত যেতিয়া PHE বিভাগৰ বিষয়াসকল গৈ উপস্থিত হ'ল আৰু চৰকাৰী কাম-কাজৰ বিষয়ে আলোচনা কৰি থাকোতে হঠাৎ ১০০ জনীয়া দল এটা আহি আক্ৰমণ কৰাৰ যি পৰিস্থিতিৰ সৃষ্টি হ'ল, সেইটোৱে সেই অঞ্চলৰ ৰাইজ তথা বিভাগৰ বিষয়া সকলক যথেষ্ট শংকিত কৰিছে। তাৰ পিছত মই কথা পাতি গম পালো যে তাত এটা আলোচনা হৈছিল যে সেই অঞ্চলটো আমাৰ অঞ্চল। আমি তাত কাকো কাম কৰিব নিদিওঁ। এই অঞ্চলত বিধায়িকা কিয় আহি থাকে? কাৰণ কিছুদিন আগতে মই তালৈ গৈ ৰাস্তাৰ ঘোষণা কৰিছিলো। মাননীয় অধ্যক্ষ মহোদয়, তাত আমাৰ এটা Water Fall আছে। সেইটো হুহুৱা Water Fall বুলি কয় আৰু এই Water Fall টো অতি মনোমোহা। যি হয়তো অসমৰ ভিতৰতে সৰ্ববৃহৎ Water Fall. সেই Water Fall টো সুপ্ত অৱস্থাত আছিল। যদিও সাধাৰণভাৱে কিছু মানুহে দৰ্শন কৰিছিল। কিন্তু সেই অঞ্চলটোৰ উন্নয়ণৰ কাৰণে বিগত দিনবোৰত কোনো ধৰণৰ চেষ্টা কৰা হোৱা নাছিল। সেই Water Fall টোত যোৱাৰ কাৰণে কোনো ৰাস্তা নাছিল। সেয়েহে তালৈ যোৱাৰ বাবে মই পকী চিৰি নিৰ্মাণ কৰিবলৈ প্ৰায় ১ কোটি টকাৰ এটা আঁচনি গড়কাপ্তানী বিভাগৰ ফালৰ পৰা ঘোষণা কৰিছিলো। সেইটোকে আক্ষেপ হিচাপে লৈ তাত যাতে মই বা অসম চৰকাৰে কোনো কাম কৰিব নোৱাৰাৰ পৰিৱেশ সৃষ্টি কৰিবৰ বাবে সেই ঘটনাটো সংঘটিত কৰিলে। যদিও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মানুহ গৈছিল সেই আক্ৰমণকাৰী দলে কৈছিল যে তাত তেওঁলোকে গড়কাপ্তানী বিভাগৰ বা অসম চৰকাৰৰ কোনো কাম হ'বলৈ নিদিওঁ। কাৰণ এইখিনি অসম চৰকাৰৰ নহয়, মেঘালয় চৰকাৰৰ মাটি। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথাটো হৈছে যে এতিয়া বিভাগৰ কৰ্মচাৰী সকলে মোক যোগাযোগ কৰি জনাইছে যে তেওঁলোকে তাত কাম কৰিবলৈ শংকা প্ৰকাশ কৰিছে। আপুনি জানি ভাল পাব যে মোৰ সমষ্টিত দিয়া একমাত্ৰ গড়কাপ্তানী বিভাগৰ যিখন RCC Bridge, মই সেই আমাগাওঁ শিলডুবিতে ধৰিছিলো। এতিয়া গড়কাপ্তানী বিভাগৰ ফালৰ পৰা হুহুৱা জলপ্ৰপাতলৈ যাবলৈ ৰাস্তাও ধৰা হ'ল আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ফালৰ পৰা Green Village ৰ কাৰণেও তেওঁলোকে তাত গ'ল। কিন্তু মেঘালয় চৰকাৰে হয়তো বিভিন্ন সময়ত সেই অঞ্চলটো নিজৰ বুলি দাবী কৰিবলৈ চেষ্টা কৰি আছে আৰু তাৰ বাবে গোপনভাৱে কৌশল কৰিছে। ইয়াৰ ওপৰত মোৰ হাতত তথ্যও আছে চাৰ, মই আপোনাক দিম। এতিয়া যিটো দেখিবলৈ পোৱা গৈছে, অসম চৰকাৰক কোনো কাম কৰিবলৈ নিদিয়ে আৰু কাম কৰিলেও বাধা প্ৰয়োগ কৰিব। মাননীয় অধ্যক্ষ মহোদয়, মই বিভিন্ন সময়ত বিধান সভাত উত্থাপন কৰি আহিছো যে আমাৰ যিখিনি সীমান্ত অঞ্চল মেঘালয়, লাংপি বা হুহুৱাই হওঁক সেইবোৰ দেখিবলৈ খুব সুন্দৰ তথা অতি মনোমোহা। সেই অঞ্চলসমূহ বেছিভাগেই বনাঞ্চল তথা জনবসতি কম। সেয়েহে বিভিন্ন সময়ত মেঘালয়ে সেই অঞ্চলসমূহ নিজৰ দখললৈ আনিবলৈ বিভিন্ন কৌশলে কৰিছে। সেয়েহে চৰকাৰী ভাৱে কোনো কাম-কাজ কৰিবলৈ গ'লে বাধা প্ৰয়োগ কৰে। মই তাত বহু কাম কৰিব খুজিছো আৰু চেষ্টাও কৰি আছো। কিন্তু তাত যদি বিষয়াসকল সুৰক্ষিত নহয়, আমাৰ কাম-কাজত বাধা আহিব আৰু মই অনুদান দিলেও ফলৱতী নহ'ব। এই ঘটনাটোৰ ওপৰত নিৰ্ভৰ কৰি মই সকলো বিভাগৰ মন্ত্ৰীকে অনুৰোধ কৰিছো যে এই বিষয়টো চৰকাৰে অতি গুৰুত্বসহকাৰে ল'ব লাগে আৰু নিৰাপত্তা ব্যৱস্থা উন্নত কৰিব লাগে। মেঘালয়ৰ যিটো

Community Development Block, আছে তাত তেওঁলোকে অসমৰ বহুখিনি গাওঁ অন্তৰ্ভুক্ত কৰি এটা কোড নম্বৰো দিছে। অসমৰ মাটিত তেওঁলোকে যোৱাবাৰ নিৰ্বাচনো অনুষ্ঠিত কৰিছিল। এনেকুৱা ঘটনাবোৰে আমাক বহুতো দুখ দিছে। যিহেতু চৰকাৰে জাতি-মাটি- ভেটিৰ কথা কৈছে, সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যে, এই কথাটো যাতে গুৰুত্বসহকাৰে লয়। এই কথাখিনি কেৱল বিধান সভাতে আলোচনা নকৰি এই সমস্যাৰ এটা সমাধান হোৱাটো আমি বিচাৰিছো। লগতে মই অনুৰোধ কৰিছো যাতে আমাৰ বিষয়াসকলে তাত সুৰক্ষিতভাৱে কাম কৰিব পাৰে। আমাৰ তাত যি দুটা Water Fall আছে, সেই দুটা যাতে মেঘালয়ে নিজৰ দখললৈ নিব নোৱাৰে তাৰ বাবে মই অনুৰোধ জনাইছো। নহ'লে আমি অনাগত দিনবোৰত বহু সমস্যাৰ সন্মুখীন হ'ম।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্বি লাংপি অঞ্চলটোত আগৰ পৰাই এনেকুৱা হৈ আছে আৰু এই কথাটো মন্ত্ৰী ডাঙৰীয়াইও জানে। মইয়ো এই সন্দৰ্ভত তালৈ গৈছো। এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক আৰু Practically কি কৰিব পাৰে সেইটো চেষ্টা কৰক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া বিধায়িকা শ্ৰী মতী নন্দিতা দাস ডাঙৰীয়নীয়ে উত্থাপন কৰা যোৱা ০৯-০৯-২০১৮ ইংৰাজী তাৰিখে **"অসমীয়া প্ৰতিদিন"** কাকতত প্ৰকাশিত **"বকোৰ সীমান্তৱৰ্ত্তী অসমৰ ভূমিক মেঘালয়ৰ বুলি দাবী- মালাংকোনাত পৰিদৰ্শনকাৰী চৰকাৰী বাহিনীক গঞাৰ আক্ৰমণ"** শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। ঘটনাটোৰ চমু বিৱৰণী তলত উল্লেখ কৰা হ'ল। যোৱা ইংৰাজী ০৮-০৯-২০১৮ তাৰিখে আবেলি ৩.৩০ বজাত গোচৰীয়া বকো জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কনিষ্ঠ অভিযন্তা শ্ৰী কমলেশ্বৰ সাউদে এজাহাৰ যোগে জনাই যে উক্ত দিনা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুখ্য অভিযন্তাৰ লগতে ২০ জন কৰ্মচাৰীয়ে মালাংকোনালৈ মালাং পানীৰ যোগান আঁচনিৰ কাম নিৰীক্ষণ কৰিবলৈ যাওঁতে উক্ত গাওঁৰ ২০০ ৰ পৰা ৩০০ লোকে তেখেতসকলক শাৰিৰীকভাৱে আক্ৰমণ কৰাৰ লগতে প্ৰায় দুঘণ্টা ধৰি আৱদ্ধ কৰি ৰাখে। উক্ত এজাহাৰ মৰ্ম্মে·বকো থানাত গোচৰ নং ৬৫৪/ ২০১৮ ভাৰতীয় দণ্ড বিধি আইনৰ ১৪৭/১৪৮/১৪৯/৩৪১/৩৪২/৩৩৩/৩৮৪/৫০৬ ধাৰাত গোচৰ ৰুজু কৰা হৈছে।

তদন্ত কালত জ্যেষ্ঠ আৰক্ষী আৰু প্ৰশাসনিক বিষয়াই ঘটনাস্থলী পৰিদৰ্শন কৰে আৰু উক্ত দিনাই নিশা গাওঁখনত দুৰ্বৃত্তৰ সন্ধান কৰে আৰু ঘটনা সন্দৰ্ভত জড়িত থকা ৫ জন আচামীক কৰায়ত্ত কৰি গ্ৰেপ্তাৰ কৰে আৰু ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। তদুপৰি এজাহাৰত উল্লেখ কৰা ঘটনাত জখম হোৱা ৫ জন ব্যক্তিক ডাক্তৰী পৰীক্ষা আৰু চিকিৎসা কৰোৱা হয়।

উল্লেখযোগ্য যে, উক্ত অঞ্চলত হহুৱা নামৰ এটি জলপ্ৰপাত আছে আৰু তাৰ ওচৰত মালাং নামৰ অসম চৰকাৰৰ অধীনত উক্ত পানী যোগান প্ৰকল্পটো অৱস্থিত।

উক্ত ঘটনা সংঘটিত হোৱাৰ পিছৰ পৰাই নিয়মিত ভাৱে সেই অঞ্চলত আৰক্ষী তহলৰ ব্যৱস্থা কৰা হৈছে যাতে তেনে ঘটনাৰ পুনৰাবৃত্তি নহয়। মেঘালয় আৰক্ষীৰ তৰফৰ পৰাও তেওঁলোকৰ নিজৰ অঞ্চলত নিয়মীয়া তহলৰ ব্যৱস্থা ৰাখিছে। অসম চৰকাৰৰ ফালৰ পৰা সীমামূৰীয়া উক্ত অঞ্চলৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে।

অধ্যক্ষ মহোদয়, মেঘালয়ৰ ফালে Police picket আছে আৰু সেই অঞ্চলৰ অভিজ্ঞতা আপোনাৰ আৰু মোৰ দুয়োৰে আছে কিয়নো আমি দুয়োজনে এবাৰ সেই অঞ্চ লৈলৈ গৈছিলো। তাত সদায় ২৪ ঘণ্টা সময় Police Patrolling দিয়া হয়। যিহেতু মেঘালয়ত picket আছে, তাৰে

মানুহখিনিৰ নিশ্চয় এটা safeguard আছে। আমাৰ এতিয়া এটাই সমাধান আছে যে আমি যাতে তাত এটা permanent picket দিব পাৰো যাতে আমাৰ মানুহখিনি সুৰক্ষিত হৈ থাকিব পাৰে। নহ'লে সুৰক্ষিত হৈ থকাত অসুবিধা হ'ব। আমি গৃহ বিভাগক আপোনাৰ concern টো জনাম আৰু তাত permanent picket দিব পাৰি নেকি সেইটো আলোচনা কৰিম।

**মাননীয় অধ্যক্ষঃ** ইয়াৰ পাছৰটো আছিল শ্ৰী গুনিন্দ্ৰ নাথ দাস ডাঙৰীয়াৰ, কিন্তু পবিন্দ্ৰ দাস ডাঙৰীয়াই বোধকৰো উত্থাপন কৰিব বিচাৰিছে।

**মাননীয় শ্ৰী পবিন্দ্ৰ দাস, (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী গুনিন্দ্ৰ নাথ দাস ডাঙৰীয়াই শূন্যকালীন ঘণ্টাত উত্থাপনৰ বাবে বিষয় এটা দিছিল আৰু সেইটো সদনত উত্থাপন কৰিবলৈ তেখেতে মোক দায়িত্ব দি গৈছে। মই অকল বিষয়টো উত্থাপন কৰিছো, ইয়াত বক্তব্য ৰাখিব বিচৰা নাই। "ভাৰত-বাংলাদেশৰ মাজত জীৱিত পশুধন ব্যৱসায়ত চুক্তি নাই- আন্তৰ্জাতিক ছিণ্ডিকেট চক্ৰৰ ওচৰত সেৰ দিছপুৰ-অসমত গৰুৰ বৃহৎ ছিণ্ডিকেট" শীৰ্ষক বাতৰিটো যোৱা ২৭ তাৰিখে দৈনিক জনমভূমি বাতৰি কাকতত প্ৰকাশ পাইছে। অৱশ্যে এই বাতৰিটো নতুন নহয় কাৰণ যোৱা ডেৰ দশক ধৰি এনেধৰণৰ বাতৰি ওলাই আছে আৰু ৰাজস্থানৰ মুস্তাফা আনচাৰী আৰু ইউচুফ নামৰ দুজন মাফিয়াই ইয়াৰে কিছুমান উপ-মাফিয়াৰ জৰিয়তে এই কাম কৰি আছে। তেওঁলোকে গৰুবোৰ এতিয়া অসমৰ মাজেৰে আনি ডাউকীৰে হৈ লৈ যায়। আগতে ধুবুৰী হৈ নাৰেৰে নিছিল কিন্তু ধুবুৰীত যেতিয়াৰ পৰা BSF কৰ্মী সক্ষম হ'ল, তেতিয়াৰ পৰা নিব নোৱাৰা হ'ল। ইয়াৰ জৰিয়তে কিন্তু ভাৰত চৰকাৰ তথা অসম চৰকাৰে কোনো ধৰণৰ ৰাজহ নাপায়। এই ব্যৱসায়টো সম্পূৰ্ণ ভাৱে অবৈধ। আনহাতে, মই এটা কথা দেখি বৰ দুঃখিত তথা লাজ পাইছো যে এই ছিণ্ডিকেটত শীৰ্ষ আৰক্ষী বিষয়া কিছুমানো জড়িত থকা বুলি বাতৰিটোত প্ৰকাশ পাইছে। কিন্তু মই বিশ্বাস কৰো যে, আমাৰ আৰক্ষী বিষয়া সমূহৰ ৰাজ্যখনৰ প্ৰতি, দেশৰ প্ৰতি যথেষ্ট দায়-বদ্ধতা আছে। তেওঁলোকৰ কথা ইয়াত কিয় উল্লেখ কৰিছে মই নাজানো। গতিকে, এই বিষয়ে মই বিভাগীয় মন্ত্ৰীৰ পৰা এটা ব্যাখ্যা বিচাৰি চমুকৈ কৈ শেষ কৰিছো।

**মাননীয় অধ্যক্ষঃ** Thank You very much.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৭-০৯-২০১৮ তাৰিখৰ অসমীয়া দৈনিক জনমভূমি কাকতত প্ৰকাশিত "অসমত গৰুৰ বৃহৎ ছিণ্ডিকেট" শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত শ্ৰী গুনিন্দ্ৰ নাথ দাসৰ হৈ পবিন্দ্ৰ ডেকাই যিখিনি কথা উত্থাপন কৰিছে সেই সন্দৰ্ভত মই এটা বিবৃত্তি দিব বিচাৰিছো আৰু জনাব বিচাৰিছো যে এই সম্পৰ্কত চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। গৰুৰ ছিণ্ডিকেটৰ বিষয়ে তদন্তত এতিয়ালৈকে কোনো তথ্য ওলাই পৰা নাই। গৰুৰ চোৰাং ব্যৱসায় ৰোধ কৰিবলৈ গৰু চোৰৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হয়। ধুবুৰীৰ হজৰত মাষ্টৰ আৰু ৰাজস্থানৰ Mustafa Ansari আৰু Yusuf নামৰ গৰুৰ চোৰাং ব্যৱসায়ত জড়িত থকা মানুহৰ কোনো তথ্য পোৱা নাই যদিও বিষয়টো তদন্তাধীন অৱস্থাত আছে। কোনো আৰক্ষী জিলাৰ বিষয়া গৰু ছিণ্ডিকেটত জড়িত থকাৰ প্ৰমাণ এতিয়ালৈকে পোৱা নাই। যদি কোনো আৰক্ষীৰ লোক জড়িত থকা প্ৰমাণ পোৱা যায় তেন্তে তাৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা লোৱা হ'ব। মই সদনক জনাও যে কোনো উচ্চ আৰক্ষী বিষয়া এই গৰু ছিণ্ডিকেটৰ লগত জড়িত নহয়।

গৰুৰ চোৰাং ব্যৱসায় বৃদ্ধি পোৱাৰ মূল কাৰণ সমূহ হ'ল-

ক) বাংলাদেশত গৰুৰ প্ৰচুৰ চাহিদা।

খ) ভাৰতৰ গৰু বাংলাদেশলৈ চালান দিলে যথেষ্ট মূল্য পোৱা যায় আৰু সেয়েহে ব্যৱসায়ী সকলে

নিজৰ জীৱনটো তুচ্ছ কৰি এই ব্যৱসায়ত নামি পৰে।

ভাৰত-বাংলাদেশ সীমান্তৰ পশুধনৰ অবৈধ বেহা ৰোধ কৰাৰ বাবে লোৱা ব্যৱস্থা সমূহ হ'ল-

ক) BSF আৰু আৰক্ষীৰ দ্বাৰা ২৪ ঘণ্টাই পহৰা দিয়া হৈছে।

খ) BSF আৰু আৰক্ষীৰ যৌথ অভিযান চলোৱা হৈছে।

গ) তালাচী চকী স্থাপন কৰা হৈছে।

ঘ) সীমান্তত গাওঁবাসীক এই বিষয়ে সভা পাতি সচেতন কৰা হৈছে।

ঙ) তাৎক্ষণিক ভৱে ব্যৱস্থা ল'বৰ বাবে BSF আৰু অসম আৰক্ষীৰ যুটীয়া গোট তৈয়াৰ কৰা হৈছে।

চ) নদী এলেকা সমূহত নাওঁৰ দ্বাৰা পহৰা দিয়া হৈছে।

ছ) গোচৰ ৰুজু, চোৰাং আৰু অবৈধভাৱে চালান দিবলৈ অনা গৰু উদ্ধাৰ আৰু গৰুৰ ব্যৱসায়ত জড়িত থকা লোকক গ্ৰেপ্তাৰ আৰু গোচৰ বিচাৰৰ বাবে আদালতলৈ প্ৰেৰণ কৰা হৈছে।

BSF আৰু আৰক্ষীৰ সক্ৰিয় ভূমিকাৰ বাবে ইতিমধ্যে ৰাজ্যত ২০১৬ চনৰ পৰা তলত দিয়া ধৰণে আজিলৈকে মুঠ ৫,৮৫৭ সংখ্যক গৰু উদ্ধাৰ কৰা হৈছে।

১) ২০১৬ চন- ৫০৫৬ টা

২) ২০১৭ চন- ২৬৫ টা

৩) ২০১৮ চন - ৫৩৬ টা

ইয়াৰ উপৰিও ২০১৬ চনৰ পৰা ২০১৮ চনলৈ তলত দিয়া ধৰণে পশুধন সৰবৰাহকাৰী গ্ৰেপ্তাৰ আৰু গোচৰ ৰুজু কৰা হৈছে-

| চন | গ্ৰেপ্তাৰ | গোচৰ |
|---|---|---|
| ২০১৬ | ২৪০ | ১৬৫ |
| ২০১৭ | ১৭০ | ১৪৩ |
| ২০১৮ | ৬০ | ৪৭ |

পশুধন যেতিয়া উদ্ধাৰ কৰা হয় তেতিয়া বিভিন্ন সমস্যা সমূহ আৰক্ষীয়ে সন্মুখীন হ'বলগীয়া হয়, যেনে-

ক) গৰুবোৰ ৰখাৰ বাবে নিৰ্দিষ্ট গো-শালা বা তেনে ঠাইৰ সমস্যা,

খ) খোৱা খাদ্যৰ সমস্যা,

গ) চিকিৎসা পাতিৰ সমস্যা, আৰু

ঘ) যিহেতু কোনো গৰুৰ গৰাকীৰ নাম জ্ঞাত নহয়, গৰুবোৰ কাক কেনেকৈ গতোৱা হ'ব তাৰ সমস্যা।

আৰক্ষী আৰু BSF ৰ সক্ৰিয়তাৰ বাবেই ২০১৬ চনৰ পৰা গৰুৰ চোৰাং ব্যৱসায় তুলনামূলক ভাৱে কমি আহিছে যদিও এই চোৰাং ব্যৱসায়ত লাভৰ হাৰ অত্যাধিক হোৱা বাবে এই ব্যৱসায় এতিয়াও চলি আছে। ইয়াৰ উপৰিও গুৱাহাটী চহৰৰ নিচেই গাতে লাগি থকা মেঘালয় ৰাজ্যৰ অন্তৰ্ভুক্ত যোৰাবাটত পশুধনৰ এটা বৃহৎ বজাৰ চলি আছে। এনে ধৰণৰ সমস্যাৰ বাবে পশুধনৰ চোৰাং ব্যৱসায় ১০০ শতাংশই ৰোধ কৰিব পৰা হোৱা নাই যদিও এই চোৰাং বেহা ৰোধৰ বাবে প্ৰচেষ্টা অব্যাহত আছে।

পৰিবহণ বিভাগৰ পৰা পোৱা তথ্য মতে মহামান্য সৰ্বোচ্চ ন্যায়ালয়ে জাৰি কৰা লেখ

আবেদন (চি) ২১০/২০১৫ আৰু গাইডলাইনচৰ পৰিপ্ৰেক্ষিতত সকলো জিলা পৰিবহণ বিষয়ালৈ বিহিত ব্যৱস্থা লোৱাৰ বাবে সময়ে সময়ে নিৰ্দেশনা জাৰি কৰা হৈছে । ইয়াৰোপৰি, এই সংক্ৰান্তত বিহিত ব্যৱস্থা ল'বলৈ সকলো জিলা উপায়ুক্ত আৰু সকলো জিলাৰ আৰক্ষী অধীক্ষক সকলক অৱগত কৰা হৈছে। এই সংক্ৰান্তত এতিয়ালৈকে ৭ টা গোচৰ পঞ্জীয়ণ কৰা হৈছে আৰু ইয়াৰ বিপৰীতে ৫০,৫০০/- টকা জৰিমনা বিহা হৈছে। আনহাতে, Directorate of Vigilance and Anti-Corruption ৰ পৰা পোৱা তথ্য মতে এই সন্দৰ্ভত তেওঁলোকে অনুসন্ধান বা তদন্ত কৰাৰ বাবে কোনো নিৰ্দেশ পোৱা নাই।

অধ্যক্ষ মহোদয়, ইয়াৰ ছিণ্ডিকেট আজিৰ দিনত তুলনামূলক ভাৱে বহুখিনি কমি গৈছে। আগতে, শ্ৰী ৰামপুৰ, বক্সিৰহাট, এই অঞ্চলেৰে গৰুৰ চোৰাং ব্যৱসায় হৈছিল। কিন্তু এতিয়া তাত অসম পুলিচ, Transport আৰু BSF ৰ enforcement ৰ বাবে এতিয়া যাব নোৱাৰে। পবিন্দ্ৰ ডেকা ডাঙৰীয়াই কোৱা মতে মেঘালয়ৰ ডাউকী হৈ গৰু নিয়া হয়। সেয়েহে, এই ক্ষেত্ৰত মেঘালয়ৰ চৰকাৰৰ লগত আমি এটা যোগাযোগ কৰিব লাগিব। আমাৰ অসম Border ত গৰুৰ এই ব্যৱসায়টো বন্ধ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২, মাননীয় সদস্য দীপক ৰাভাই ৰুল ৫৪ নং ৰ অধীনত যি শিতান, তাৰ বিষয়টো উত্থাপন কৰিব।

**শ্ৰী দীপক কুমাৰ ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৮ চনৰ ১৯ আৰু ২০ চেপ্তেম্বৰ তাৰিখৰ "অসমীয়া প্ৰতিদিন" কাকতত যিটো "গুৱাহাটী মহানগৰ সম্প্ৰসাৰণ প্ৰতিবাদ ছয়গাওঁ, মিৰ্জা, বকো, ধূপধৰাত জোৰ লৈ সমদল ৪ৰাভা সংগঠনৰ " আৰু অসম ৰাজ্যিক ৰাজধানী সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰাধিকৰণ বিধেয়ক "ৰাভা হাছঙত জ্বলিছে ক্ষোভৰ জুই" এই শীৰ্ষক বাতৰিটো গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছিলো। কিন্তু তেওঁ যিহেতু আজি সদনত উপস্থিত নাই, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় ইয়াত আছে, তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। Assam State Capital Region Act, 2017, অসম ৰাজ্যিক ৰাজধানী ক্ষেত্ৰৰ উন্নয়ন, সম্প্ৰসাৰণ আইন ২০১৭ৰ অধীনত ৰাভা হাচং স্বায়ত্ব শাসিত এলেকা আৰু Tribal Belt and Block ৰ এলেকাধীন, গাওঁসমূহ 'সম্প্ৰসাৰী ৰাজধানীৰ' ক্ষেত্ৰৰ আওতাৰ বাহিৰত ৰখাৰ দাবীত গোৱালপাৰা আৰু কামৰূপ জিলাৰ ৩৬ টাত কৈও অধিক সংগঠন, ঐক্যমঞ্চ, ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিয়ে আইন খনৰ বিৰোধীতা কৰি আহিছে আৰু এতিয়ালৈ এই সংগ্ৰাম অব্যাহত ৰাখিছে।

অধ্যক্ষ মহোদয়, বৃহত্তৰ খিলঞ্জীয়া ভূমি-পুত্ৰ আৰু জনগোষ্ঠীয় লোকসকলৰ কলা-কৃষ্টি, সংস্কৃতি তথা জাতি, মাটি, ভেটীৰ ভৱিষ্যত সুৰক্ষাৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি Extension Act, 2017, আইনখনৰ সংশোধনৰ প্ৰয়োজনীয়তাৰ অনুভৱ কৰি আলোচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰি মই অনুৰোধ জনাইছো যাতে ৰাভা হাচংখন এই Extension আইনখনৰ বাহিৰত ৰাখিব লাগে। এই আইনখনে আমাৰ Tribal লোকসকলৰ যথেষ্ঠ ক্ষতি কৰিব পাৰে।

যোৱা বিধানসভাতো মই এই আইনখনৰ বিৰোধীতা কৰি প্ৰস্তাৱ উত্থাপন কৰিছিলো। তাৰ পিছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো আমি আলোচনা কৰিছিলো। তেওঁ আমাক প্ৰতিশ্ৰুতি দিছিলে যে, আমাৰ অকনমানো ক্ষতি হোৱাকে তেওঁলোকে কাম নকৰে বুলি। কিন্তু আমাক আশ্বাস দিয়াৰ পাছতো এই আইনৰ সম্পৰ্কত Gazette Notification pass হৈ ওলাল। যিহেতু এইখন এতিয়া এখন আইনত পৰিণত হ'ল, এইখনে আমাৰ খিলঞ্জীয়া লোকসকলৰ ক্ষতিসাধন

কৰিব পাৰে। সেয়েহে মই অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে আমাৰ ৰাভা হাচংখনক এই আইনৰ আওতাৰ পৰা বাহিৰত ৰাখে।

**মাননীয় অধ্যক্ষ ঃ**ৰুল ৫৪ ত সাধাৰণতে আনক দিয়া নাযায়। কিন্তু এইটো এটা Sensitive issue.মোক দুজন সদস্যই আগতেই দিয়াৰ কাৰণে তেওঁলোকক অনুমতি দিছো। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত আমাৰ যিখন আইন অনা হৈছিল এই ক্ষেত্ৰত বিশেষভাৱে আমাৰ ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ জনসাধাৰনে আশংকা প্ৰকাশ কৰিছে। মহানগৰ সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত যদি এই অঞ্চল বিলাক অন্তৰ্ভুক্ত কৰা হয় তেনেহলে তেওঁলোকৰ অস্তিত্ব বা তেওঁলোকৰ মাটি বাৰীৰ যথেষ্ঠ ক্ষতি হোৱাৰ আশংকা কৰিছে। গতিকে মই বিশেষভাৱে আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যাতে ৰাভা হাচং স্বায়ত্ব পৰিষদৰ অন্তৰ্ভুক্ত যিখিনি অঞ্চল, সেইখিনিক যাতে এই আইনৰ পৰা বাতিল কৰা হয় আৰু মহানগৰ সম্প্ৰসাৰণৰ অন্তৰ্ভুক্ত নকৰে। আমি জানো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰো এই লোকসকলৰ প্ৰতি সদিচ্ছা আছে। ইয়াৰ বাবে তেখেতে বহুবাৰ আমাৰ লগতো আলোচনা কৰিছে। তেওঁ যিহেতু এই গোটেই কথাখিনি অৱগত, গতিকে মই দীঘলীয়া নকৰো। মই আশা ৰাখিছো স্বায়িত্ব শাসিত অঞ্চলৰ আবেগ অনুভুতিক সন্মান জনাই যাতে এই আইনৰ পৰা সেই অঞ্চল সমূহক মুক্ত কৰে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই যিখিনি কলে, মই সেই একেখিনি কথাই ক'ব বিচাৰিছিলো। অধ্যক্ষ মহোদয়, ছয়গাওঁ বিধান সভা সমষ্টিৰ পানতান, গোৱৰ্দ্ধন, বামুনীগাওঁ, উত্তৰ বনগাওঁ আৰু দক্ষিন বনগাওঁ পলাশবাৰী সমষ্টিত কুলচি, চানডুবি, শিলপোতা, ৰাণী, বকো বিধান সভা সমষ্টিত বকো, পাহাল কুনা, শলিয়াকুট, বান্দপাৰা, জাৰীবাগ এইকেইটা ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ সমষ্টি। বকোত ৰাভা হাচংৰ ৫ টা সমষ্টি আছে, পলাশবাৰীত ৪ টা আৰু ছয়গাওঁত ৫ টা সমষ্টি আছে। অধ্যক্ষ মহোদয়, কামৰূপ জিলাত ৩৭৮ খন গাওঁ আছে। দুধনৈৰ বিধায়ক. ডাঙৰীয়া আৰু টংকেশ্বৰ ৰাভা ডাঙৰীয়াৰ লগতো এই বিষয় লৈ আমাৰ আলোচনা হৈছিল। তেওঁলোকে আজি ভালে কেইদিন ধৰি আন্দোলন কৰি আছে। দুধনৈতো আন্দোলন কৰি আছে কাৰণ গোৱালপাৰা জিলাও Intact হৈ আছে আৰু কামৰূপ জিলাৰ দক্ষিন কামৰূপটো বিশেষকৈ জড়িত হৈ আছে। কিন্তু অধ্যক্ষ মহোদয়, তেখেত সকলে এই বকো অঞ্চলৰ ৫ টা সমষ্টি ৰাভা হাচংৰ, পলাশবাৰীৰ ৪ টা আৰু ছয়গাওঁৰ ৫ টা সমষ্টিকেটাকে ই ইয়াৰ পৰা release কৰিব কৈছে। গতিকে এই কথাটো ভালদৰে note down কৰি ল'ব লাগে।

অধ্যক্ষ মহাদয়, আন এটা কথা এই আইনখনৰ জৰিয়তে যদি গুৱাহাটীৰ সমষ্টিকেইটাত যদি কোটি কোটি টকা খৰচ কৰা হয়, আমি বিচাৰিম দক্ষিন কামৰূপৰ সমষ্টিকেইটানো কিয় বঞ্চিত হ'ব? সেইটো আমি লক্ষ্য ৰাখিব লাগিব। অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয় যিহেতু ইয়াত বহি আছে, মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, তেখেত সকলৰ আন্দোলনটোৱে পূৰ্ণ মৰ্য্যাদা পাব লাগে আৰু তেখেত সকলৰ যিটো শংকা সেইটো দূৰ হ'ব লাগে। লগতে এই সমস্যাটো এটা সমাধান আনিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ৰমাকান্ত দেউৰী ।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দীপক কুমাৰ ৰাভাই এই কথাটো উপস্থাপন কৰিছে। মোৰ সমষ্টিটোও তিৱা স্বায়ত্ব শাসিত পৰিষদৰ অন্তৰ্ভুক্ত। তাতো একে সমস্যা। যিহেতু সকলো কথাখিনিৰ আগৰ বক্তাসকলে বিতংভাৱে ব্যাখ্যা দাঙি ধৰিছেই, মই মাত্ৰ এটা কথাই ক'ব বিচাৰিছো যে এই গুৱাহাটী সম্প্ৰসাৰণৰ বিষয়টোৰ লগত সংগতি ৰাখি অসমৰ বিভিন্ন ঠাইত এনেধৰণৰ সম্প্ৰসাৰণ হোৱাত ভূমিপুত্ৰ সকল দিনে-দিনে ভূমিহীন হৈ আহিছে। গতিকে এই আইনখন অতি সোনকালে ammendment কৰিব লাগে বা ৰাভা হাচংৰ অন্তৰ্ভুক্ত হোৱা এলেকা সমূহ কৰ্তন কৰিব লাগে। লগতে তিৱা স্বায়ত্ব শাসিত পৰিষদৰো যিখিনি এলেকা সোমাইছে সেইখিনিও কৰ্তন কৰিব লাগে। তাৰবাবে মই আজিৰ সদনত মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ। তেওঁ এই কথাটো ভালদৰে হৃদয়ঙ্গম কৰিব বুলি মই আশা ৰাখিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টোত যিটো শংকা কৰা হৈছে, সেই শংকাৰ কোনো প্ৰয়োজন নাই। এই State Capital Region ৰ ভিতৰত যিবিলাক Autonomous Council আছে বা Autonomous Body আছে, তেখেত সকলৰ স্বকীয় যিটো বৈশিষ্ট্য, সেইখিনি সম্পূৰ্ণৰূপে বাহাল ৰাখি তাত আৰু বেছি Develop কৰিব পাৰি নেকি সেইটোহে আমাৰ চৰকাৰৰ উদ্দেশ্য। Development বেছি কৰিবলৈ হলে আমাৰ চৰকাৰৰ নিজাববীয়াকৈ কোনো সিদ্ধান্ত লোৱাৰ কথা নাহে। এই সিদ্ধান্ত লোৱাৰ সময়ত তিৱা Autonomous Council এ হওক বা ৰাভা Autonomous Council এ হওক,. এই দুখন কাউন্সিলৰ লগত permission (permission is mandatory) লৈ গোটেই উন্নয়নমুলক কামখিনি হ'ব। যিখন কমিটি আছে, মাননীয় মুখ্যমন্ত্ৰী এই কমিটিৰ চেয়াৰমেন। গতিকে Tiwa Autonomous Council ৰ পৱন মান্তাও এই কমিটিৰ সদস্য। আৰু Rabha Autonomous Council ৰ টংকেশ্বৰ ৰাভাও ইয়াৰ সদস্য। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো যে যিখন আইন সংশোধনীৰ কথা কৈছে The Assam State Capital Region Authority 2017, এই আইনখনৰ আচলতে 17, sub-clause 4 (b) ত আছে The Tribelbelt /blocks areas and Autonomous Council areas within the state capital region shall be developed keeping in view the existing laws while preserving the tradition and culture of the Tribel Blocks and prior consent of this authorities is mandatory. মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এই বিষয়টোত যে and prior consent of this authority is mandatory, before finalizing the regional plan covering the representative areas. এইটো ইমান সুন্দৰভাৱে আইনখনত কোৱাৰ পিছত তাত থকা Autonomous Council status ৰ গণ্ডুগোল একো হোৱা নাই, সেইটোৰ কাৰণে তেওঁলোকৰ উন্নতিয়ে হব।

গতিকে মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াৰ যিটো vision যে state capital region এফালে টিহুলৈকে, আনফালে মঙ্গলদৈলৈকে গৈছে, এফালে জাগীৰোড, এফালে বকোলৈকে গৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ vision টো গুৱাহাটীতে সীমিত হৈ থকা নাই, যেনেকৈ দিল্লীত NCR আছে, গতিকে তেনেকুৱা উন্নতি হওক। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এই concept টো কৰিছে এই কাৰণে দিল্লীৰ NCR

হৈ যোৱাৰ কাৰণে একেবাৰে নয়দালৈকে গ'ল আৰু বিভিন্ন ঠাইলৈ গ'ল।

এইটো ঠিক যে মাননীয় অধ্যক্ষ মহোদয়, সদনত মাননীয় মুখ্যমন্ত্ৰী মহোদয় উপস্থিত আছে, তেখেতৰ উপস্থিতিতে মই সদনত আশ্বাস দিব বিচাৰিছো যে without the consept of both the Council Government will not take this।

মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত দুই লাইন মানৰ এটা statement দিছো - সন্মানীয় সদস্য শ্ৰী দীপক কুমাৰ ৰাভা দেৱে প্ৰেৰণ কৰা জাননীত উল্লেখ কৰা ধৰণে যোৱ **১৯** আৰু **২০** চেপ্তেম্বৰ তাৰিখে "অসমীয়া প্ৰতিদিন" আৰু "এদিনৰ সংবাদ" কাকতত প্ৰকাশিত "গুৱাহাটী মহানগৰ সম্প্ৰসাৰণৰ প্ৰতিবাদত ছয়গাওঁ, মিৰ্জা, বকো, ধূপধৰাত জোৰ লৈ সমদল ৪ ৰাভা সংগঠনৰ" আৰু "অসম ৰাজ্যিক ৰাজধানী সম্প্ৰসাৰণ ক্ষেত্ৰ প্ৰাধিকৰণ বিধেয়ক, ৰাভা হাছঙত জ্বলিছে জুই" বাতৰিটোৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ হৈছে।

এই ক্ষেত্ৰত প্ৰথমে উল্লেখ কৰিব খোজে "অসম ৰাজ্যিক ৰাজধানী ক্ষেত্ৰ উন্নয়ন প্ৰাধিকৰণৰ কেবিনেট মেমোত উল্লেখ আছে যে 'State Capital Region Authority should be a visionary body with the jurisdiction to prepare the regional plan and to help the local/bodies/authorities to prepare and implement the sub-regional plan' উক্ত আইনৰ 17 no. দফাৰ 2 ত উল্লেখ আছে - 'Each authorities and local bodies are empowered to prepare a functional plan/ sub regional plan/Master plan for the sub-region' আকৌ 17 no. দফাৰ 4(b) ত উল্লেখ আছে যে - Tribel belts and block areas within the State Capital Region shall be developed keeping in view the existing lands while preserving the tradition and culture of the Tribel people.

ইয়াৰ পৰা এই কথা স্পষ্ট হয় যে 'Assam State Capital Region Development Authority, 2017' আইনৰ ফলত অসমৰ খিলঞ্জীয়া ভুমিপুত্ৰ আৰু নৃগোষ্ঠীয় লোকসকলৰ কলা-কৃষ্টি, সংস্কৃতি তথা জাতি, মাটি, ভেটিৰ ভৱিষ্যতৰ স্বাৰ্থত কোনো বিঘিনি নোপজে।

উল্লেখযোগ্য যে যোৱা ৪ চেপ্তম্বৰ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা authority ৰ প্ৰথম খন বৈঠকত উক্ত বিষয়টোৰ ওপৰত বিস্তৃত ভাৱে আলোচনা হৈছে। আৰু আলোচনাৰ অন্তত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে authority ৰ সদস্য ৰাভা ৰাছাং স্বায়ত্ব শাসিত পৰিষদৰ সভাপতি আৰু তিৱা স্বায়ত্ব শাসিত পৰিষদৰ সভাপতিক উক্ত পৰিষদৰ এলেকাৰ অধীনত জন-জাতীয় লোকৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত যাৱতীয় পৰামৰ্শ authority ৰ হাতত দাখিল কৰিবলৈ পৰামৰ্শ দিছে। সেই পৰামৰ্শসমুহো ক্ষেত্ৰীয় আৰু উপ ক্ষেত্ৰীয় আঁচনি প্ৰস্তুতকৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা হ'ব। সম্প্ৰসাৰিত ৰাজধানী এলেকাৰ আওতাত পৰা অন্যান্য জনগোষ্ঠীৰ সংগঠন সমুহেও সেইদৰে চৰকাৰৰ লগত সহযোগ কৰি ক্ষেত্ৰীয় উন্নয়নৰ আঁচনি তৈয়াৰ কৰাত অৰিহনা আগবঢ়াব পাৰে।

ৰাজধানী সম্প্ৰাসাৰণে গুৱাহাটীৰ চৌপাশৰ খিলঞ্জীয়া লোকসকলৰ কলা-কৃষ্টি, সংস্কৃতি তথা জীৱন যাত্ৰত এক নতুন মাত্ৰা যোগ দিব বুলি আশা কৰিব পৰা যায়। কাৰণ ইয়াৰ জৰিয়তে কামৰূপ মেট্ৰ' জিলাৰ লগত, কামৰূপ, মৰিগাওঁ, দৰং, নলবাৰী জিলাৰ অংশ বিশেষত উন্নত যাতায়ত ব্যৱস্থা স্থাপন হ'ব। যাৰ জৰিয়তে সেই অঞ্চলত জনজাতীয় ভাই-ভনী সকলে তেওঁলোকৰ উৎপাদিত

দ্ৰব্যৰ বাবে এখন উন্নত আৰু বিস্তৃত বজাৰ পাব। তেওঁলোকৰ পৰম্পৰা কৃষ্টি সংস্কৃতিৰ লগত বৰ্হিবিশ্বৰ শক্তিশালী সংযোগ ঘটিব। লগতে উত্তৰ পুৰুষে উন্নত শিক্ষা আৰু কৰ্মসংস্থানৰ সুযোগ পাব।

সম্প্ৰতি অসমত কেইবাগৰাকীও প্ৰতিভা সম্পন্ন খেলুৱৈয়ে আন্তৰ্জাতিক ক্ষেত্ৰত ক্ৰীড়া নৈপূন্য প্ৰদৰ্শন কৰি সমগ্ৰ দেশলৈ সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে। আমাৰ গ্ৰাম্যাঞ্চলত এনে বহুত সম্ভাৱনাপূৰ্ণ যুৱক-যুৱতী আছে। যিসকল যুৱক -যুৱতীয়ে কেৱল আন্তঃগাঁথনিৰ অভাৱত নিজৰ প্ৰতিভা বিকাশৰ সুযোগ পোৱা নাই। আমাৰ ৰাভা হাছং বা তিৱা জনগোষ্ঠিৰ যুৱক-যুৱতীও ইয়াৰ ব্যতিক্ৰম নহয়। Assam State Capital Region Development Authority (ASCRDA) ৰ জৰিয়তে সম্প্ৰসাৰিত ৰাজধানী ক্ষেত্ৰত যি উন্নত যোগাযোগ ব্যৱস্থা তথা আন্তঃ গাঁথনিৰ স্থাপন হ'ব, তাৰ ফলত নতুন প্ৰজন্মৰ সম্ভাৱনাপূৰ্ণ তথা প্ৰতিভাসম্পন্ন কিশোৰ-কিশোৰীসকল উপকৃত হব বুলি আশা কৰিব পাৰি।

ASCRDA ৰ মূল ভেঁটি হ'ব ক্ষেত্ৰীয় আৰু উপ-ক্ষেত্ৰীয় প্লেন, এই উপ-ক্ষেত্ৰীয় প্লেন সমূহ ক্ষেত্ৰ বিশেষে পৃথক হ'ব। সেই উপ-ক্ষেত্ৰীয় প্লেন প্ৰস্তুতকৰণৰ ক্ষেত্ৰত স্থানীয় লোকৰ স্বাৰ্থকেই প্ৰাধ্যন্য দিয়া হব আৰু স্থানীয় দল সংগঠনৰ মত প্ৰকাশৰ সুবিধা থাকিব। সেই ASCRDA ৰ জৰিয়তে খিলঞ্জীয়া লোকৰ অধিকাৰ খৰ্ব হোৱাৰ সম্ভাৱনা মুঠেই নাই । বৰঞ্চ ইয়াৰ কাৰ্যকৰীকৰণৰ পিছত ইয়াৰ আওতাত পৰা সকলো অঞ্চলৰ লোকৰ জীৱন যাত্ৰালৈ এক আমুল পৰিবৰ্তন আনিব বুলিহে চৰকাৰ প্ৰতিজ্ঞাবদ্ধ।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Government stand is clear.

এতিয়া দীপক কুমাৰ ৰাভা।

**শ্ৰী দীপক কুমাৰ ৰাভা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এই ইস্কাদা আইনৰ বিষয়ে মই কব বিছাৰিছো, মন্ত্ৰী মহোদয়ে যিটো clarification দিলে, এই ক্ষেত্ৰত ৰাভা হাচং Act খন আমাৰ State Act আৰু ইস্কাদা Act খনো আমাৰ State Act ইয়াতে কিছুমান দফা আছে, সেই দফাকেইটা আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক ইতিমধ্যে সংগঠন মেম'ৰেণ্ডাম কৰি দিছে। কোনোটো কোনোটো দফা আমাৰ কাৰণে ক্ষতিকাৰক হব পাৰে এই ক্ষেত্ৰত স্পষ্টভাবে উল্লেখ কৰি তেওঁক মেম'ৰেণ্ডামখন দিছে। ইয়াত ভাল কথা লিখিছে, যিটো আমাৰ Parliamentary Affairs Minister য়ে কলে যে, এনেকুৱা কিছুমান আছে যে Over writing কৰি কাম কৰিব পৰা এটা ক্ষমতা আনিছে। এইটো কিন্তু আমাৰ কাৰণে বিপদজনক।

**মাননীয় অধ্যক্ষ ঃ-** মই আপোনাক এটা কথা কওঁ, আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া এই মুহূৰ্তত আছে। এই কথাখিনি ইমানখিনি Specific কোৰাৰ পাছত যদি সন্দেহো থাকে I think, he will take necessary steps. যাতে আমাৰ indigenous যিখিনি পাব আছে, বিভিন্ন আমাৰ tribal মানুহ আছে, এইখিনি যদি intake থাকে, তেখেতে নিশ্চয় কৰিব। ৫৪ ত debate নহয়, মই আপোনাক কৈছো। গতিকে আপুনি এইটো আকৌ কেতিয়াবা আনিব পাৰে, মোৰ আপত্তি নাই। আজি ৫৪ ত এই বিষয়টো Sensitive কাৰণে দুই এজনক কবলৈ দিছিলো। গতিকে আপুনি এই কথাখিনি পিছত ঠিক কৰি লব। যদি কিবা অসুবিধা হয় you come to me again ok. মই এতিয়া আমাৰ সদন যিহেতু ১০ মিনিট বাঢ়ি গ'ল, মই শেষ কৰাৰ আগতে, ৩০১ মই আজি এটা দিছিলো, কিয়নো আজি শুক্ৰবাৰ। ৩০১ ৰ ৰূপজ্যোতি কুৰ্মী আছিল। তেখেত absent. ইয়াৰ

পাছত private Member ৰ যিটো pending আছে তাৰ ওপৰত যাব। মই হাউচক কৈ থৈছো আজি আমাৰ private Member আছে Government business নহয়। আমি বি এ চি ত এটা আলোচনা কৰিছিলো, যে বিল যদি আহে, ২৭ তাৰিখৰ পিছত আৰু যাব নালাগে। সেই কাৰণে আমি ২৭ তাৰিখে কালি যি দুখন Last bill পালো, আজি আমি introduce কৰি দিম, শেষত, I think, হাউচে এইটোত আপত্তি নকৰে। Thank you.

এতিয়া সদন আবেলি ৩ বজালৈ স্থগিত ৰখা হৈছে।

(অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ শ্ৰী কৃপানাথ মাল্লা)

**মাননীয় উপাধ্যক্ষ ঃ** আজি ৰাতিপুৱা মাননীয় অধ্যক্ষ মহোদয়ে সদনৰ অনুমতি সাপেক্ষে কৈ গৈছিলে যে দুখন বিল আছিলে introduce কৰাৰ কাৰণে। যদি হাউচে অনুমতি দিয়ে, মই আগতে বিল দুখন introduce কৰি দিও। তাৰ পিছত সংকল্প প্ৰস্তাৱ লও। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে কব। "The Assam Sri Sri Aniruddhadeva Sports University Bill, 2018". উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Sri Sri Aniruddhadeva Sports University Bill, 2018". বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** বিধায়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াৰ বাবে সদনৰ সন্মতি আছেনে ? অনুমতি দিয়া হ'ল। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২৬ চেপ্তেম্বৰ, ২০১৮ তাৰিখে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো। Under the provision of Article 207 (1) of the Constitution of india, I , Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the "The Assam Sri Sri Aniruddhadeva Sports University Bill, 2018" in the Assam Legislative Assembly. এতিয়া মাননীয় মন্ত্ৰীক বিধেয়ক সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Sri Sri Aniruddhadeva Sports University Bill, 2018". বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা। "The Assam Sri Sri Aniruddhadeva Sports University Bill, 2018".

**মাননীয় উপাধ্যক্ষ ঃ** কাৰ্য্যসূচী নং - ৮। মাননীয় পৰিবহন মন্ত্ৰী এতিয়া "The Assam Inland Water Transport Regulatory Authority Bill, 2018". উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Inland Water Transport Regulatory Authority Bill, 2018".বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** বিধেয়কখন উত্তাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিল আচলতে এইকাৰণে অনা হৈছিল নেকি যে, যিটো ভুটভুটি নাওঁ বা regulator ৰ কাৰণে। বিলখন পাচ হোৱাৰ আগলৈকে নাও বিলাক বন্ধ হৈ থাকিব নেকি ? আমি ভাৱিছিলো যে, এতিয়া আপাততে চলিবলৈ দি নাও কেইখন পিছত বিলখন পাচ হয় আচলতে ৰাইজৰ যাতে অসুবিধা নহয়। সেইটো কৰিব পাৰি নেকি ? সেইটো হলে ভাল আছিল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আগতে কৈছো বিধান সভাৰ মজিয়াত এই বিলখনৰ লগত এই নাওঁখনৰ সম্পৰ্ক নিশ্চয় আছে। থাকিব। কিন্তু বিল আপোনাসকলে পাচ কৰি দিয়াৰ পাছত ইয়াতে regulatory authority এটা হ'ব। হ'লে সেইখিনি আমি এনফোৰ্চ কৰিম। তেতিয়া আমি এই কথাবিলাক আলোচনা কৰি চাব পাৰিম। গতিকে বিলখনত সংশোধনী দিব খুজিলে দিব পাৰিব। ইয়াৰ ওপৰত আলোচনা হ'ব। তাত Perticipate কৰিব পাৰিব এইখিনি কথা। সেইখিনিত অসুবিধা নাই। এই বিলখনটো আজিয়েই পাচ নহয়। বিধান সভাত আহিব আপোনালোকে সংশোধন দিব তাতে যি আলোচনা কৰে, কৰিব পাৰিব। চৰকাৰে উত্তৰ দিব তাৰে ওপৰত।

**মাননীয় উপাধ্যক্ষ ঃ** আলোচনা যেতিয়া হ'ব, তেতিয়া কব।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** উপাধ্যক্ষ মহোদয়, বিলৰ কথাটো পাছত। সাধাৰণতে মঙ্গলবাৰ আৰু শুকুৰবাৰ এই দিন দুটা Private Members Business ৰ কাৰণে নিৰ্ধাৰিত দিন।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অধ্যক্ষ মহোদয়ে ৰাতিপুৱা অনুমতি লৈ থৈছে।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** উপাধ্যক্ষ মহোদয়, মই জানিব খুজিছো যে, Private Members ৰ কাৰণে নিৰ্ধাৰিত দিনত আগে পিছে কিন্তু চৰকাৰী বিল উত্থাপিত হোৱা দেখা নাই। কাৰণ এইটো Private Members ৰ কাৰণে নিৰ্ধাৰিত দিন। Private Member সকলৰ কাৰণে নিৰ্ধাৰিত দিনত চৰকাৰী Business কৰাটো মই ভাৱো যে, শুভ লক্ষণ নহয়। প্ৰশ্নোত্তৰৰ কথা বেলেগ, urgent matter ৰ কথা বেলেগ। কিন্তু আজি সম্পূৰ্ণৰূপে Private Members Business ৰ দিন এই কথাটো ঠিক হোৱা নাই উপাধ্যক্ষ মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কথাটো এনেকুৱা যে, এই বিলখন আজি আলোচনাৰ কাৰণে দিয়া নাই। Introduction হ'ব। Introduction যেতিয়া হ'ব ১ মিনিটৰ কাম। বাকীখিনি Private Members তে যাব। এইখনতো আজি আলোচনা নহয়। যদি বিল দুখন আজি আলোচনা হ'লহেতেন। তেতিয়া আমি Private Members ৰ যিটো ক্ষমতা, সেইটো curtail কৰা হ'লহেঁতেন। এইটো Introduction হে। Introduction টো কৰোতে আপোনালোকৰ Deputy leader তেখেতেও জানে কথাটো। তেখেতকো কৈছে কথাটো।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আগতীয়াকে অনাৰ কথাটো কোৱা নাই। আমাক কৈছিল যে, আজি এজেণ্ডাত আছে। আগতীয়াকৈ আনি লওঁ। তাত আমাৰ আপত্তি নাই। তেওঁ বেলেগ এটা কথা উপস্থাপন কৰিছে যে, আজিৰ দিনটোত অনাৰ কথাতো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উপায়তো নাই। এইটো short session.

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** উপাধ্যক্ষ মহোদয়, এইটো উত্থাপন কৰাটো ডাঙৰ কথা নহয়। কিন্তু এটা Private Members Business ৰ দিনাখন উত্থাপন কৰাটোয়েই ডাঙৰ কথা। অধিকাৰৰ

খৰ্বৰ কথা। গতিকে এই কথাটো যাতে ভৱিষ্যতে নহয়। আজিৰ কাৰণে মই আপত্তি কৰা নাই । কাৰণ আমাৰ কাৰণে এইটো নিৰ্ধাৰিত দিন। সেই দিনটোত চৰকাৰী Business হ'ব নালাগে। যিহেতু এটা নিৰ্ধাৰিত দিন।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰী আব্দুল খালেক ডাঙৰীয়াৰ যিটো concern, তেওঁ কৈছে, ঠিক আছে। কিন্তু এইটো এটা short session এই বিধান সভাৰ। কিন্তু চৰকাৰী বিলখিনিও পাচ হ'ব লাগিব। গতিকে আমি আজি Introduction কৰিছো। গতিকে Introduction stage ত মই ভাৱো আপত্তি হ'ব নালাগে আৰু আলোচনা পিছত কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** আলোচনা পিচত হ'ব।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** উপাধ্যক্ষ মহোদয়, Introduction ত আপত্তি কৰা নাই। কিন্তু মই কৈছো যে, এইটো convention হ'ব নালাগে। পৰম্পৰা হ'ব নালাগে আৰু short session হলেও চৰকাৰে ইচ্ছা কৰিলে Business Advisory Committee যে ইচ্ছা কৰিলে অধিৱেশনৰ দিন বঢ়াব পাৰে। এদিন দুদিন বঢ়ালে কি অসুবিধা আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে প্ৰথম ভাগত মাননীয় অধ্যক্ষ মহোদয়ে ইতিমধ্যে এই যে বিল দুখন উত্থাপন কৰিব তাৰ অনুমতি লৈ থৈছে। তেতিয়া সদনে অনুমতি দিছে। যদি সদনে অনুমতি দিছে, এতিয়া প্ৰশ্নটো আহিল ক'ৰপৰা। সদনে অনুমতি দিওতে তেতিয়া কব লাগিছিল। সদনে আজি প্লেছ কৰাৰ কাৰণে অনুমতি দিছো। আমি অনুমতি দিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সদনে আজি প্লেছ কৰাৰ কাৰণে অনুমতি দিয়া নাই। Agenda খনতো কালিয়ে দিছে। মাননীয় অধ্যক্ষ মহোদয়ে অনুমতি দিছে আগতীয়াকৈ কৰাৰ কাৰনে । ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই বিপথে পৰিচালনা কৰিব নালাগে । অধ্যক্ষ মহোদয়ৰ কথাটো হৈছে আমাৰ ডেপুটী লিডাৰে কোৱাৰ নিচিনাকে কাৰ্য্যসুচীটো আগুৱাই অনাৰ কথাটোহে কৈছে। মাননীয় মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়া এদিন অপোজিশ্যন লিডাৰ আছিল। অপোজিশ্যনৰ এদিন চীফ হুইপ আছিল । আজি আটাইবিলাক কথা পাহৰি গ'লে নহ'ব নহয়। কনভেনশ্যনৰ কথাটো মই কৈছো। এইটো কনভেনশ্যন হ'ব নালাগে।

**মাননীয় উপাধ্যক্ষ ঃ**— ঠিক আছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা কথা কৈছে- এইটোৰ কাৰণে অল পাৰ্টিৰ মিটিঙ হৈছে। ৪ নং প্ৰস্তাৱটো আছিল এইটো যে আজিৰ সভাই আগন্তুক অধিৱেশনত উত্থাপন হ'বলগীয়া বিধেয়কসমূহ বিধান সভা সচিবালয়ে গ্ৰহণ কৰাৰ অন্তিম তাৰিখ ২৭ চেপ্টেম্বৰ ২০১৮ হিচাপে নিৰ্দ্ধাৰণ কৰে আৰু উক্ত বিধেয়কসমূহ ২৮ চেপ্টেম্বৰ ২০১৮ তাৰিখে বিধান সভাত উত্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। এইটো অল পাৰ্টিত স্পীকাৰৰ সিদ্ধান্ত ।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো অল পাৰ্টিত সিদ্ধান্ত হৈছে ।

**শ্ৰীৰকিবুল হুছেইন ঃ** উপাধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষৰ সিদ্ধান্ত আমি বিৰোধিতা কৰা নাই, আগুৱাই অনাৰ বাবে আমি আপত্তি কৰা নাই। কেৱল আমি কৈছো যে এইটো কনভেনশ্যন হ'ব নালাগে। ডিচকাশ্যনৰ দিনটো কেতিয়া দিব সেইটো আমাক দিলে হ'ল।

**শ্ৰীআব্দুল খালেক ঃ** উপাধ্যক্ষ মহোদয় সেইটো দলৰ কথা। ইনডিভিজুৱেল মেম্বাৰ বুলি ক'লে সেইটো পদ্ম হাজৰিকা ডাঙৰীয়াই হওঁক , ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই হওঁক, এইটো আমাৰ ৰাইটৰ কথা । দল হিচাপে কোৱা নাই।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** অল পাৰ্টি মিটিঙ যেতিয়া স্পীকাৰে মাতিছে। বিধান সভাৰ দলসমূহৰ লিডাৰসকলকহে মাতিছে ইয়াত পাৰ্টিৰ মানুহক মতা নাই।

**শ্ৰীআব্দুল খালেক ঃ** আমি এপিল কৰিবতো পাৰো । আমাৰ ৰাইটৰ কথা।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** এপিল কৰিব পাৰে। কিন্তু অল পাৰ্টিত সৰ্ব্ব সন্মতিক্ৰমে সিদ্ধান্ত হৈছে , এতিয়া বিৰোধিতা কৰিলে কেনেকৈ হ'ব ?

**শ্ৰীআব্দুল খালেক ঃ** মই ৰাইটৰ কথা কৈছো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** যদি মাননীয় স্পীকাৰৰ সিদ্ধান্ত যদি ভুল হৈছিল তেন্তে আপোনালোকৰ লীডাৰক জনাব লাগিছিল যে তেওঁ ভুল সিদ্ধান্ত লৈছে ।

**শ্ৰীআমিনুল ইছলাম ঃ** উপাধ্যক্ষ মহোদয়, সেইদিনা বি এ চি মিটিঙত ময়ো আছিলো । বি এ চি মিটিঙত এইটো সিদ্ধান্ত হৈছিলে যে ২৮ তাৰিখৰ পাছত যাতে কোনো বিল দিয়া নহয়। এই কথাটো ময়ে উত্থাপন কৰিছিলো । গোটেইখিনি বিল একেলগে আহিলে এমেণ্ডমেণ্ড কৰাৰ বাবে ষ্টাডী কৰি এমেণ্ডমেণ্ড ৰেডী কৰাৰ সময় নাপায় । সেই কাৰণে কৈছিলো যাতে কমেও আমাক ১ সপ্তাহ সময় দিয়ে। ২৮ তাৰিখৰ পিচত যাতে কোনো বিল নাহে সেই কাৰণে সম্ভৱত আজি প্ৰাইভেট মেম্বাৰছ আনিছে। কিন্তু যোৱা দুইদিনত আকৌ আগৰ দৰে হৈ গ'ল ১দিনতে এমেণ্ডমেণ্ড দিব লগা হ'ল । যিটো উদ্দেশ্যত কৰা হৈছিল কমছে কম ৪-৫ দিনমান টাইম পালে আমি এমেণ্ডমেণ্ডখিনি ভালকৈ কৰিব পাৰো।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে, আগতে ইনট্ৰডিউচ কৰি লওঁ । তাৰ পিচত আৰু আলোচনা কৰিম। ৰাজভৱনৰ পৰা অহা বিধেয়ক সদনত উত্থাপন কৰাৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৮ চনৰ ২৭ চেপ্টেম্বৰ তাৰিখত এটা বাণী পঠিয়াইছে। মই এইটো পঢ়ি দিছো ।

Under the provision of party for 207(1) of Constitution of India I professor Jagadish Mukhi, Governor of Assam recommend to introduction of Assam Inland water Transport regulatory Authority Bill ,2018 in the House of Assam Legislative Assembly.

এতিয়া মাননীয় পৰিবহন মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Assam Inland water Transport regulatory Authority Bill ,2018 সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া অসম বিধান সভা সচিৱালয়ৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

প্ৰধান সচিব ঃ বিধেয়কৰ শিৰোনামা Assam Inland water Transport regulatory Authority Bill ,2018.

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং - ৪ , স্থগিত সংকল্প প্ৰস্তাৱ। যিহেতু সংকল্প প্ৰস্তাৱৰ আলোচনা সমাপ্ত হৈছে । অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰীক সংকল্প প্ৰস্তাৱটিৰ ওপৰত উত্তৰ দিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীকেশৱ মহন্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়। আমাৰ সদনত এক দীঘলীয়া আলোচনাৰ অন্তত আজি এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱৰ ক্ষেত্ৰত আলোচনাৰ অন্তত আমাৰ তৰফৰ পৰা উত্তৰ দিবলৈ প্ৰস্তুত হৈছো। ইয়াৰ যিটো বেকগ্ৰাউণ্ড সেইটোৰ কথা আমি সকলোৱে জানো। ৬ বছৰীয়া অসম আন্দোলনৰ পিচত অসম চুক্তি হৈছিল য'ত ৮৫৫ জন শ্বহীদে প্ৰাণ আহুতি দিব লগা হৈছিল । বহু জনে নিৰ্যাতিত হ'ব লগা হৈছিল , তেখেতসকলৰ প্ৰতি শ্ৰদ্ধা জনাই মই আগবাঢ়িবলৈ বিচাৰিছো। ১৯৮৫ চনৰ ১৫ আগষ্টৰ দিনা এই চুক্তিখন স্বাক্ষৰ হৈছিলে। এই চুক্তিত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু , সদৌ অসম ছাত্ৰ সন্থা, গণ সংগ্ৰাম পৰিষদৰ স্বাক্ষৰত এই চুক্তিখন সম্পাদিত হৈছিল । সেই সময়ৰ প্ৰধান মন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধী ডাঙৰীয়া চুক্তি স্বাক্ষৰত উপস্থিত আছিল । এই চুক্তিৰ বিভিন্ন সময় আমি পাৰ হৈ আহিছো। এই চুক্তি কাৰ্য্যকীৰকৰণৰ ওপৰত সদৌ অসম ছাত্ৰ সন্থাই এতিয়াও বিভিন্ন ধৰণৰ কাৰ্য্যসূচী গ্ৰহণ কৰি আছে। আমাৰ সন্মানীয় বিধায়ক আব্দুল খালেক ডাঙৰীয়াই বিধান সভাৰ মজিয়াত এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ বে-চৰকাৰী আলোচনাৰ বাবে আনিছে । আমাৰ প্ৰস্তাৱটো হৈছে অসম বিধান সভাৰ পৱিত্ৰ সদনে সৰ্ব্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যে কোনো কাৰণতে অসম চুক্তি বা চুক্তিৰ ৬ নং দফাৰ কোনোধৰণৰ সংশোধন কৰিব নালাগে । এনে সংশোধৰ ফলত সমগ্ৰ চুক্তিখনেই অৱমাননা কৰা হ'ব । এই প্ৰস্তাৱৰ ক্ষেত্ৰত ইতিমধ্যে বক্তব্য ৰাখিছে তেখেতে প্ৰথম প্ৰস্তাৱক হিচাপে আব্দুল খালেক ডাঙৰীয়াই , তাৰ পিছতে বক্তব্য ৰাখিছে এয়া হৈছে ২০১৭ চনৰ ৩ মাৰ্চত এই প্ৰস্তাৱটো আহিছিল। এতিয়া ২০১৮ চনৰ ৩ মাৰ্চ । ১ বছৰ হ'ল । আৰু আজি ২০১৮ চনৰ ২৮ চেপ্টেম্বৰ। দীঘলীয়া দিন ধৰি কেইবাখনো অধিৱেশনত এই প্ৰস্তাৱটি আলোচনা হৈ আহিছে। এই প্ৰস্তাৱটি আলোচনা হৈ অহাৰ ফলত অন্যান্য বেচৰকাৰী প্ৰস্তাৱ ইয়াৰ মাজত যিমান আহিছিল সকলো আলোচনা লৈ আহিব পৰা নাছিল যিহেতু এই প্ৰস্তাটি চলি আছিল - আব্দুল খালেক ডাঙৰীয়া, গুৰুজ্যোতি দাস, বৃন্দাৱন গোস্বামী, আমিনুল ইছলাম ,পদ্ম হাজৰিকা, কমলাক্ষ দে পুৰকায়স্থ, প্ৰফুল্ল কুমাৰ মহন্ত, শ্বেৰমান আলি আহমেদ , তৰুণ গগৈ, মামুন ইমদাদুল হক চৌধুৰী, প্ৰদীপ হাজৰিকা, উৎপল দত্ত, কমল সিং নাজাৰী, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ৰূপজ্যোতি কুৰ্মী, পবিন্দ্ৰ ডেকা, তপন কুমাৰ গগৈ, অজন্তা নেওগ, সত্যব্ৰত কলিতা । আৰু জাকিৰ হুছেইন সিকদাৰ এই সকলে এই গোটেই প্ৰস্তাৱটোৰ আলোচনাত অংশ গ্ৰহণ কৰিছে। এইটো অংশ গ্ৰহণ কৰি তেখেত সকলে বিভিন্ন মতামত দাঙি ধৰিছে, ইয়াৰ পটভূমিৰ বিভিন্ন কথাও উল্লেখ কৰিছে। কিন্তু এটা কথা সকলোৰে মতামতত সেই চুক্তিখন খৰতকীয়া ভাৱে সম্পাদন হ'ব লাগে আৰু ইয়াত যাতে কোনো ধৰণৰ সংশোধনী নাহে এই বিষয়টোৱে প্ৰধানকৈ স্থান পাইছে। আব্দুল খালেক ডাঙৰীয়াই যেতিয়া বক্তব্য দাঙি ধৰিছিল, তেতিয়া তেখেতে কেইটামান কথা উল্লেখ কৰিছিল। সেই উল্লেখ কৰা কথা কেইটাৰ ভিতৰত তেখেতে কৈছিল যে অসমলৈ যদি চাউদাং চুকাফা নাহিল হেতেন, অসমত যদি শ্ৰীমন্ত শংকৰ দেৱ গুৰুৰ জন্ম নহ'ল হেতেন, আজান পীৰ নাহিল হেতেন তেতিয়াহ'লে বৰ্তমান অসমখন এনেধৰণে গঢ় লৈ হয়তো নুঠিল হেতেন। গতিকে তেখেতে এইটোও কৈছিল যে সেই সময়ত যিটো আমি অসমৰ এটা ঐক্যসংহতি সকলোৰে সমন্বয়ৰ মাজত আছো, ঠিক তেনেধৰণে অসমখন আগবাঢ়ি যাব লাগে আৰু অসম চুক্তিয়ে তেনে এক প্ৰথায়ে বহন কৰিছে। সকলোকে ইয়াত বিভিন্ন সময়ত অসমলৈ অহা সকলো লোক, তেখেতে সেই সময়ত কনোজৰ পৰা কোন আহিছিল, চাহ বাগিছা কেতিয়া হ'ল সকলো কথাই মই আজি ব্যখ্যা নিদিও সেই ধৰণে কৈছিল যে অসম চুক্তিখন ১৯৭১ চনৰ ২৫ মাৰ্চলৈকে থকা সকলোকে লৈ অসম চুক্তি সম্পাদিত হৈছে, গতিকে ই এখন সকলোৰে সৰ্বসন্মত কথা, ইয়াত আৰু কোনো ধৰণৰ সংশোধনী আহিব নালাগে। ঠিক

তেনেধৰণে গুৰুজ্যোতি দাস তাৰ পিছৰ বক্তা আছিল, গুৰুজ্যোতি দাসৰ বক্তব্য আমি শুনিছিলো। গুৰুজ্যোতি দাসেও সেই ধৰণে বক্তব্য ৰাখিছিল। তেওঁ কৈছিল যে ১৯৭৯ চনত তেওঁৰ যি মঙ্গলদৈ, মঙ্গলদৈ সমষ্টিতে যেতিয়া হীৰালাল পাটোৱাৰী ডাঙৰীয়াৰ মৃত্যুত Bye election হৈছিল, তেতিয়াই এই অসমত বিদেশী নাগৰিকৰ যিটো স্থিতি সেইটো আৰম্ভ হৈছিল। কাৰণ ভোটাৰ তালিকাত যথেষ্ট সংখ্যক বিদেশী লোকৰ নাম অন্তৰ্ভূক্ত হৈ তাৰ পিছতে অসম আন্দোলনৰ সূচনা হৈছিল। তাৰপিছত পদ্ম হাজৰিকা ডাঙৰীয়াই বক্তব্য ৰাখিছিল। পদ্ম হাজৰিকা ডাঙৰীয়াই ঠিক তেনেধৰণে যে যোৱা সময়খিনিত অসম চুক্তি কিয় ৰূপায়ণ কৰিব পৰা নগ'ল? IMDT আইন খনে হেঙাৰ আছিল বুলি তেখেতে কৈছে আৰু IMDT আইনখন হেঙাৰ থকাৰ কাৰণেই এই অসম চুক্তি ৰূপায়ণ কৰিব পৰা নগ'ল আৰু এই IMDT আইনখন আজিৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ মহামান্য চুপ্ৰিম কোৰ্টত ইয়াক Case কৰি ইয়াত IMDT আইনখন বাতিল কৰাৰ ক্ষেত্ৰত তেখেতে সৱল ভূমিকা গ্ৰহণ কৰিলে, তাৰকাৰণে মুখ্যমন্ত্ৰীলৈ তেখেতে ধন্যবাদ জনাইছিল আৰু এতিয়া তেখেতে কৈছে যে অসম চুক্তি সকলোৰে পৰা মুক্ত, গতিকে অসম চুক্তি ইতিমধ্যে খুব খৰতকীয়াকৈ ৰূপায়ণ হ'ব লাগে ইয়াৰ কোনো ধৰণে সংশোধন হ'ব নালাগে। মই সকলোৰে বক্তব্য সমূহ আপোনালোকক যি পাৰো কিছু মনত পেলাই দিছো, ইয়াৰ পিছতে আমিনুল ইছলাম ডাঙৰীয়াই ইয়াৰ এই প্ৰস্তাৱৰ ক্ষেত্ৰত বক্তব্য ৰাখিছিল। তেখেতে সাংবিধানিক ৰক্ষা কবচৰ ওপৰত জোৰ দিছিল যে অসমত সাংবিধানিক ৰক্ষা কৱচ অতি সোনকালে হ'ব লাগে, অসমৰ থলুৱা লোক সকল সাংবিধানিক ভাৱে সুৰক্ষিত হ'ব লাগে। বৃন্দাবন গোস্বামী ডাঙৰীয়াই বক্তব্য ৰাখিছিল, তেখেতৰ বক্তব্যটো তেখেতে অসম চুক্তিখন এখন সময় ভিত্তিক time frame হিচাপে ইয়াত কাৰ্য্যকৰী হ'ব লাগে আৰু তেখেতে অসম চুক্তিৰ কোনো ধৰণে সংশোধন হ'ব নালাগে এই কথাটো আগবঢ়াইছিল। ঠিক তেনেধৰণে প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যেতিয়া বক্তব্য ৰাখিছিল তেতিয়া তেখেতে তেখেতৰ বক্তব্যত পুনৰ পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো উল্লেখ কৰিছিল যে IMDT আইনখনৰ কাৰণে তেখেতে এইখন বিদেশী বিতাৰণৰ যিটো ব্যৱস্থা, সেই ব্যৱস্থাটো আগবঢ়াব পৰা নাছিল আৰু তেখেতে এটাই কথা উল্লেখ কৰিছিল যে অসমীয়া জীৱনৰ এইখন আয়ুস ৰেখা অসম চুক্তি, গতিকে অসমীয়া জনজীৱনৰ এই আয়ুস ৰেখা কেতিয়াও আৰু পৰিৱৰ্তন হ'ব নোৱাৰে আৰু কেতিয়াও ইয়াত কোনো ধৰণৰ সংশোধন হ'ব নোৱাৰে। ঠিক তেনেধৰণে শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই তেখেতৰ বক্তব্য ৰাখিছিল, বক্তব্য ৰাখি তেখেতে এটাই কথা কৈছিল যে ৬ নম্বৰ যিটো দফা, সেই দফাটোত খিলঞ্জীয়া শব্দটো ব্যৱহাৰ হোৱা দেখা যায়। গতিকে এই ক্ষেত্ৰত ৬ নম্বৰ দফা সংৰক্ষণৰ ক্ষেত্ৰত কেনে ব্যৱস্থা হ'ব আৰু ৬ নম্বৰ দফাটো কাৰ্য্যকৰী হ'ব লাগে আৰু তেখেতে উল্লেখ কৰিছে যে ১৮৫০ চনৰ পৰা অসমত চাহ খেতি কৰাৰ কাৰণে চাহ জনগোষ্ঠী ইয়ালৈ আহিছিল, গতিকে সেই চাহ জনগোষ্ঠী সকলৰ কথা তেখেতে উল্লেখ কৰিছিল আৰু তাৰ পিছত Saadulla Ministry ৰ সময়ত ইয়ালৈ বাংলাদেশৰ পৰাও লোক আহিছিল, সেই সকল পুৰণি আছিল।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** Point of Order সভাপতি মহোদয়, বাংলা দেশৰ পৰা আনা বুলি মই কেতিয়াও নিশ্চয় কোৱা নাই।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** নাই, আনা বুলি কোৱা নাই, মানুহ আহিছিল।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** নহয়, নহয়, মই আহিছিল বুলিও কোৱা নাই। মই কৈছিলো ১৯৫০ চনত চাহ জনগোষ্ঠীৰ লোক সকল আহিছিল, তেওঁলোকক খিলঞ্জীয়া বুলি ধৰা হৈছে আৰু সমসাময়িক সময়ত তাহানিৰ পূৰ্ববংগৰ পৰা মুছলমান মানুহখিনি আহিছিল তেওঁলোকৰ ক্ষেত্ৰত কিয় খিলঞ্জীয়া,

তেওঁলোকক কিয় কোৱা নহ'ব?

**শ্রীঋতু পর্ণ বৰুৱা ঃ** মাননীয় সভাপতি মহোদয়, তেখেতে ১৯৫০ চনৰ চাহ জনগোষ্ঠী বুলি কৈছে, ১৮৩৪ চনৰ পৰা চাহ জনগোষ্ঠী আহিছে।

**শ্রীকেশৱ মহন্ত, মন্ত্রী ঃ** ১৮৩৪ চনৰ পৰা আহিছে, মই তেখেতৰ যিটো বক্তব্য, ইয়াত গোটেইখিনি লিখিত আছে, মই তাৰপৰা কৈছো। চাহ জনগোষ্ঠী লোক ১৮৩৪ চনত আহিছিল, এইটো সকলোৱে জানে। কিন্তু তেখেতৰ বক্তব্যত কি আছে মই সেইটোহে কৈ গৈছো। শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আপুনি আপোনাৰ বক্তব্যটো বাৰু চাই ল'ব, আমাৰ Proceedings আছে, মই তাৰপৰা পোৱাৰ কাৰণেহে কৈছো। ঠিক আছে, আমাৰ তৰুন গগৈ ডাঙৰীয়াই ঠিক তেনেধৰণে বক্তব্য ৰাখিছিল।

**শ্রীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় সভাপতি মহোদয়, মই এই চেগতে আৰু এটা Point of Order ৰ যোগেদি আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে এই প্রস্তাৱৰ মই সংশোধনী আনিছিলো। গতিকে মোৰ বক্তব্যও প্রস্তাৱ move কৰা আব্দুল খালেক চাহাবৰ পিছতে মই কৈ আছিলো। এইটোৱে নিয়ম আৰু তেনেকৈয়ে মই বক্তব্য ৰাখিছিলো। মই যে সংশোধন আনিছিলো এই কথাটো উল্লেখ হোৱা নাই।

**শ্রীকেশৱ মহন্ত, মন্ত্রী ঃ** সংশোধন আনিছিল আপুনি। হয়, সেইটো তাৰ পিছৰ বক্তাজনে আপুনি আছিল। ঠিক তেনেধৰণে তৰুন গগৈ ডাঙৰীয়াই বক্তব্য ৰাখিছে। তেখেতৰ মতে তেখেতে কৈছে, যে অসমত বিভিন্ন জনগোষ্ঠীৰ লোক থাকিলেও, বাহিৰৰ পৰা আহিলেও, তেওঁলোকে ভাষা লৈছে, কলা-কৃষ্টি লৈছে, আমাক আকোৱালি লৈছে। সেইখিনি মানুহক আমি ইয়াত ৰাখিব লাগে অসম চুক্তিৰ ভিতৰত যিখিনি অন্তৰ্ভূক্ত হয়। বাহিৰৰ খিনিৰ কথা কোৱা নাই অৱশ্যে। ঠিক তেনেধৰণে মামুন ইমদাদুল হক চৌধুৰী তেখেতে অসম চুক্তিৰ ওপৰত বক্তব্য ৰাখিছে আৰু বক্তব্য ৰাখি তেখেতে গৌৰীশংকৰ ভট্টাচাৰ্য্য দেৱৰ এখন কিতাপৰ উদ্ধৃতি দিছে আৰু উদ্ধৃতি দি তাত থকা গোটেই বিষয়টোৰ কথা তেখেতে দাঙি ধৰিছে। প্রদীপ হাজৰিকা ডাঙৰীয়াই বক্তব্য ৰাখিছে, প্রদীপ হাজৰিকা ডাঙৰীয়াৰ বক্তব্যত বিশেষকৈ ৬ নম্বৰ দফাৰ বিষয়টো বেছিকৈ তেখেতৰ বক্তব্যত প্রতিস্ফুত হৈছে যে অসমৰ সংস্কৃতি, অসমৰ সত্ৰ, অসমৰ ঐতিহ্য এই সমূহ আমি সংৰক্ষিত কৰিব লাগে আৰু অসমৰ ৬ নম্বৰ দফাত থকা আটাইখিনি কথা আমি অতি সোনকালে সাংবিধানিক সুৰক্ষা হিচাপে গ্রহণ কৰিব লাগে। উৎপল দত্ত ডাঙৰীয়াও বক্তব্য ৰাখিছে, উৎপল দত্ত ডাঙৰীয়াই ঠিক তেনেধৰণে অসম আন্দোলন ১৯৭৮ চনৰ ৮ জুনত আৰম্ভ হৈছিলে তাৰ ওপৰত আন্দোলনৰ বক্তব্য ৰাখি তেখেতে আন্দোলনৰ যিটো ত্যাগৰ বিষয়ে ব্যাখ্যা কৰি এই অসম চুক্তিখনক সমৰ্থন কৰিছে। আমাৰ শ্রী কমল সিং নাৰ্জাৰী ডাঙৰীয়াই বক্তব্য ৰাখিছে, সেই বক্তব্য ত তেখেতে প্রাক্তন মুখ্যমন্ত্রী গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ উদ্ধৃতিৰে তেখেতে খিলঞ্জীয়া সকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে ১৯৪৯ চনত সৃষ্টি কৰা Tribal Belt আৰু Block ৰ কথা কৈছে, এই ক্ষেত্ৰত এই যিখিনি অসম চুক্তিত অন্তৰ্ভূক্ত আছে, Tribal Belt আৰু Block ৰ কথা এই বিষয়ে উল্লেখ কৰি ঠিক তেনেধৰণে আমাৰ বাকী খিলঞ্জীয়া লোক সকলো সুৰক্ষিত হব লাগে। শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা ডাঙৰীয়াই এই বক্তব্য ৰাখি তেখেতে কৈছে যে ভৱিষ্যতে খিলঞ্জীয়া মানুহৰ ভৱিষ্যতৰ কথা চিন্তা কৰি সামাজিক, সাংস্কৃতিক দিশৰ অধিকাৰ সু-নিশ্চিত কৰিব লাগে আৰু অসমীয়া সঞ্জাটো সোনকালে নিৰ্ধাৰিত কৰিব লাগে। শ্রী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই বক্তব্য ৰাখিছে, তাত কোনো এটা ধৰ্ম সম্প্রদায়ৰ জনসংখ্যা বৃদ্ধি হোৱা বুলি কোৱা যিটো কথা তাত দ্বি-মত থাকিব নালাগে বুলি কৈছে। আৰু অসম চুক্তিৰ ক্ষেত্ৰত যাতে ইয়াত কোনো সংশোধনী নহয়, আৰু ইয়াক কাৰ্য্যকৰী কৰিব লাগে। থিক তেনেকৈ শ্রী পবিন্দ্র ডেকা ডাঙৰীয়াই

বক্তব্য ৰাখি তেখেতে উল্লেখ কৰিছে যে সংশোধনৰ অসম চুক্তিত প্ৰশ্নই নাহে, এই বিষয়টো আমি আলোচনা কৰাতকৈ ইয়াক কাৰ্য্যকৰী ক্ষেত্ৰতে আলোচনা হব লাগে। যে অসম চুক্তিৰ সংশোধনী বিষয়টো কিয় আহিল। ঠিক তেনেধৰণৰ উক্তিৰে বক্তব্য সামৰিলে। ইয়াৰ পিছতে শ্ৰী তপন কুমাৰ গগৈ ডাঙৰীয়াই বক্তব্য ৰাখিছে আৰু তেখেতে অসম চুক্তিৰ বিভিন্ন বিষয় ত্ৰিপাক্ষীক বৈঠকৰ কথা কৈছো, সেই ত্ৰিপাক্ষীক বৈঠকৰ ভিতৰত নিজেও উপস্থিত থকা ২০০৫ চনৰ ৫ মে তাৰিখে হোৱা যিখন ত্ৰিপাক্ষীক বৈঠক হৈছিল। সেই সময়ৰ প্ৰধান মন্ত্ৰীৰ নেতৃত্বত সেইখনৰ কথা তেখেতে উল্লেখ কৰিছে আৰু সেইখন মতে NRC ৰ ক্ষেত্ৰটোৰে বিশেষ ঠাই পাইছিল। অসমক বানপানী ৰাষ্ট্ৰীয় সমস্যা হিচাপে দিয়াৰ কথা হৈছিল, আৰু অন্যান্য দিশ উল্লেখ কৰিছে আৰু এই ক্ষেত্ৰত অসম চুক্তিৰ সংশোধনৰ প্ৰশ্ন কোনো ধৰণে আহিব নোৱাৰে বুলি কৈছে। গতিকে ইয়াৰ পিছত অজন্তা নেওঁগ ডাঙৰীয়ানী বক্তব্য ৰাখিছিল, বক্তব্য ৰাখি অন্যান্য বিষয়ৰ লগতে এটা বিষয় আনিছে NRC ৰ যিটো Affidavit সেই Affidavit ক্ষেত্ৰত ২/৩খন Affidavit ৰ কথা কৈছে আৰু তেখেতে কৈছে যে কোনো কাৰণতে অসম চুক্তি সংশোধন বা ইয়াৰ ওপৰত কোনো প্ৰশ্ন হব নোৱাৰে। তেনেকৈ সত্যব্ৰত কলিতা ডাঙৰীয়াই বক্তব্য ৰাখিছে তেখেতে অসমীয়া জাতিৰ স্বাধীনত্বোৰ কালৰ পৰা কেনেকুৱা ধৰণৰ বিপৰ্য হৈছে আৰু সেই বিপৰ্য্যৰ ফলত আমি বিভিন্ন আন্দোলন কৰি আহিছো, বিভিন্ন জন স্বহীদ হৈছে, শেহতীয়াভাৱে আন্দোলনৰ ৮৫৫জন স্বহীদ ৰ কথা উল্লেখ কৰিছে আৰু তাৰ লগতে তেখেতে উল্লেখ কৰিছে যে অসমৰ কেইবাটাও কবিতাৰ প্ৰাসংগিকতাৰে তেখেতৰ বক্তব্যত এইখিনি কথা কৈছে। যে অসমীয়া জাতিটো জীয়াই ৰাখিবলৈ হ'লে আজিৰ দিনত সাং বিধানীক সুৰক্ষাটো অতিকৈ প্ৰয়োজন নহলে আমাৰ জাতিৰ কাৰণে ভাবুকি আহিছে। যে সাংবিধানীক সুৰক্ষাৰ বাবে ৬ নম্বৰ দফাটো অতি সোনাকালে ৰূপায়ন হব লাগে। শ্ৰী জাকিৰ হুইছেন সিকদাৰ তেখেতে বিভিন্ন বক্তব্যৰ মাজত অসম চুক্তি সমৰ্থন কৰাৰ উপৰি তেখেতে উল্লেখ কৰিছে যে তেখেতৰ জন্ম ১বছৰ থাকোতে আন্দোলন হৈছিল। এই আন্দোলনৰ কথা তেখেতৰ মাকৰ মুখেৰে শুনিছে আৰু বহুত মানুহ পলায় গৈছে, এনেকুৱা ধৰণৰ কিছু বিষয় তেখেতে কৈছিলে। তেখেতে এটা দিশ দেখিছে, দুয়োটা দিশ দেখা নাই। যে বেলেগ ঠাইলৈ মানুহ পলাই গৈছিলে, অকল তেখেতে কোৱা মানুহখিনি পলাই যোৱা নাই তেখেতে যাৰ কথা কোৱা নাই, তেনেকুৱা মানুহৰ ঘৰ-বাৰী জুইত পুৰি পেলাই জুহে পুৰা যিটো ১৯৮৩ চনৰ যিটো আন্দোলন সেইটো প্ৰধানকৈ বেলেগ ঠাইতহে হৈছিল। তেখেতে কোৱা জাগা বিলাকত হোৱা নাছিল। তেখেত এতিয়া সদনত উপস্থিত নাই। গতিকে সেইদিনাখন তেখেতে সেইখিনি কথা বক্তব্য ৰাখি থৈ গৈছে। গতিকে গোটেই আন্দোলনটোক বিভিন্ন সময়ক বিভিন্ন ধৰণে বেলেগ ৰূপ দিবলৈ যথেষ্ট চেষ্টা কৰা হয়। চেষ্টা কৰি হলেও অসম আন্দোলনটো অসমীয়া জাতিৰ কাৰণে এটা স্বকৃত কথা । আমাক কেন্দ্ৰীয় চৰকাৰে দিছে, ৰাজ্য চৰকাৰে দিছে, অসমৰ ৰাইজে দিছে। গতিকে এই অসম আন্দোলন আৰু অসম চুক্তি আমাৰ কাৰণে গুৰুত্বভপূৰ্ণ বিষয় যি নথি কেতিয়া সংশোধন হব নোৱাৰে। মই এতিয়া কবলৈ গৈছো, যে অসম চুক্তিখন কিহৰ ভিত্তিত কি কথা কেইটা মনত ৰাখি কোৱা হৈছে। সেইটো হৈছে সাংবিধানিক আৰু আইনগত বিধিৰ ব্যৱস্থা আন্তঃৰাষ্ট্ৰীয় চুক্তি, আন্তঃৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতি আৰু মানৱীয় বিচাৰ বিবেচনা ধৰি সমস্যাটোৰ সকলো দিশ সন্মুখত ৰাখি তলত উল্লেখ কৰা ধৰণে থিৰ কৰা হয়। তাৰ পিছতে চুক্তিখন বা Memorandum of Understanding এইখন লিখা হৈছে, যে এই কেইটাৰ কথাৰ ওপৰত ভিত্তি কৰি য'ত সাংবিধানীক দিশটো ৰখা হৈছে। আইন-গত বিধি ব্যৱস্থা ৰখা হৈছে, আন্তজাৰ্তিক চুক্তি সমূহ ৰখা হৈছে। ৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতি সমূহক দিশ কৰা হৈছে। আৰু মানৱীয় বিচাৰ বিবেচনাৰ কাৰণে আমি হয়তো

১৯৫১ চনৰ যিটো বিষয় সেইটো ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ আহিব লগীয়া হল। সেইটো মানৱীয় বিচাৰ বিবেচনা। গতিকে এইখিনি সন্মুখত ৰাখি অসম চুক্তিখন সম্পাদন কৰা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰুকায়স্থ ঃ** মাননীয় সভাপতি মহোদয়, যদিও মই ১৫ পৰা ২০ মিনিট বক্তব্য দিছিলো , মন্ত্ৰী মহোদয়ে মোৰ কথাটো কোৱা নাই যদিও কথাটো হৈছে, বিবেধৰ মাজতো মিলনৰ মহান। তাৰ মানে অসম চুক্তিক লৈ আমি সকলো সন্তুষ্ট তাত কোনো দ্বিমত নাই। কিন্তু কথাটো হৈছে কি নাগৰীকত্ব সংশোধনী বিল লৈ Election manifesto Govt. ৰ এটা স্থিতি আছিল, Election ৰ পিছতো আমাৰ মুখ্যমন্ত্ৰীয়ে আৰু বহুতে বহুত কিবা কিবি কৈছিল যদিও দলৰ ভিতৰত বিভিন্ন মতামত আছিল। কিন্তু আজিৰ দিনত এই ক্ষেত্ৰত স্থিতি কি আছে, কাৰণ আজি এটা Resolution লোৱা হব, সেই কাৰণে এই বস্তুটো আজি Clear কৰিলে ভাল হব। আমাৰ কথাটো যদিও কোৱা নাই, মই যিটো বক্তব্য দিছিলো অন্য বিলাকৰ কথা বিলাক কোৱা হৈছে কিন্তু মোৰ বক্তব্যৰ কথাটো কোৱা হোৱা নাই। এইটো মোৰ অলপ অসন্তুষ্টি আছে।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী)** ঃ মাননীয় সভাপতি মহোদয়, এইটো মোৰ বৈ গৈছে, আপুনি বেয়া নাপাব। এইটো লিখা আছে, তেখেতে কৰিমগঞ্জৰ Border ৰ বিষয়ে বেছিকৈ কৈছিলে তেখেতৰ বক্তব্যটো এটা পেজ বেছিকৈ ওলোটাই দিলো, এই বিষয়ে মোৰ কৈ যোৱা নহল গতিকে তেখেতে যিখিনি কথা কৈছে, তেখেতে যিহেতু কৈ গ'ল মই আৰু Repeat নকৰো। সীমান্ত সুৰক্ষাকে ধৰি অসম চুক্তি আখৰে আখৰে পালন হব লাগে। গতিকে এইখিনিলৈ তেখেতৰ বক্তব্য আছিল। এতিয়া আমি অসম চুক্তিৰ এই কথাখিনি যেতিয়া এই আটাইখিনিৰ দৃষ্টিভংগী ৰাখি পেলাই অসম চুক্তিখন হৈছিল অসম চুক্তিখন হোৱাৰ ক্ষেত্ৰত আজি আমাৰ বিভিন্ন ক্ষেত্ৰত আমি বেলেগ ৰাজ্য সমূহতকৈ কেনেকৈ পৃথক আমি এতিয়া ভাৰতবৰ্ষৰ সকলো ৰাজত্যকৈ পৃথক আমাৰ মেঘালয় , আমাৰ খানাপাৰাৰ ৰাস্তাটো এই ফালে এটা নিয়ম সেইফালে এটা নিয়ম। সিপাৰে এটা নিয়ম। বৰ্তমান সমগ্ৰ ভাৰত বৰ্ষ অন্য ৰাজ্যত চলি আছে ১৯৪৬ ৰ ফৰেইনাৰ্চ এক্ট আৰু ইয়াৰ দ্বাৰা বিদেশীৰ বিষয়টো বিবেচনা কৰা হয়। ১৯৪৬ৰ ফৰেইনাৰ্চ এক্ট মতে পুলিচে যি কোনো এজন বিদেশীক চিনাক্ত কৰিব পাৰে আৰু খেদি পঠিয়াব পাৰে কিন্তু ১৯৬৪ত যেতিয়া ফৰেইনাৰ্চ ট্ৰিবিউনেল অৰ্ডাৰ হ'ল, তেতিয়া কি হ'ল? বিদেশীক পুলিচে চিনাক্ত কৰিব পাৰিব কিন্তু তেওঁক ট্ৰিবিউনেলত পঠাব লাগিব আৰু ট্ৰিবিউনেলে বিচাৰ কৰিব তেওঁ বিদেশী হয়নে নহয়। ইয়াৰ মতে আৰু এটা কথা আছে যদি ট্ৰিবিউনেলেৰ বিদেশী বুলি কয় তেতিয়া তেওঁ আকৌ উচ্চ ন্যায়লয়ত যাব পাৰিব। গতিকে ১৯৬৪ত যেতিয়া ফৰেইনাৰ্চ ট্ৰিবিউনেল অৰ্ডাৰ মতে অসমত কোনোবা বিদেশী আহিলে ১৯৬৪ত যেতিয়া ফৰেইনাৰ্চ এক্টৰ দ্বাৰা তেওঁ বিতাৰিত নকৰি তেওঁক ট্ৰিবিউনেলৰ দ্বাৰাহে বিতাৰিত কৰিব পাৰিব এই কথাটো আহি পৰিল। তাৰ পিছত অসম আন্দোলন চলি থকাৰ মাজতে আই.এম.ডি.টি এক্ট হ'ল। যেতিয়া আই.এম.ডি.টি এক্ট হ'ল আৰু আই.এম.ডি.টি এক্ট মতে যদি কোনোবাই এজন মানুহ বিৰুদ্ধে বিদেশী বুলি অভিযোগ দিয়ে তেতিয়া সেই অভিযোগকাৰীয়ে প্ৰমান কৰি দিব লাগিব যে এই মানুহজন বিদেশী যাৰ ওপৰত অভিযোগ দিব তেওঁ প্ৰমাণ কৰিব নালাগে তেওঁ বিদেশী হয়নে, নহয়। গতিকে এই যিখন আই.এম.ডি.এক্ট আহিল সেইখনে সকলোৰে হাত ভৰি বান্ধি নসাৎ কৰিলে। কিয়? যে কোনোবাই অভিযোগ দিলে তেওঁ প্ৰমান কৰা দায়িত্বটো কেনেকৈ ল'ব গতিকে আই.এম.ডি.এক্টৰ ফলত এই গোটেই কথাখিনি এটা বেবেৰিবাং অৱস্থালৈ গুচি গ'ল। পিছলৈ এটা দীঘলীয়া প্ৰক্ৰিয়াৰ মাজেৰে মহামান্য উচ্চতম ন্যায়ালত আজিৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই এটা পি.আই.এল কৰিছিল আৰু ২০০৫ চনৰ ১২ জুলাই তাৰিখে মহামান্য

উচ্চতম ন্যায়ালয়ে আই.এম.ডি.টি আইনখন খাৰিজ কৰিলে। আই.এম.ডি.টি আইন খাৰিজ হ'ল ঠিকেই কিন্তু এটা কথা আহি পৰিল যে বিদেশীৰ বিষয়টোৰ ক্ষেত্ৰত আকৌ ১৯৬৪ ৰ ফৰেইনাৰ্চ ট্ৰিবিউনেল অৰ্ডাৰ অসমৰ বাবে বাহাল থাকিল। এতিয়া আৰু আমি ট্ৰিবিউনেললৈ যাব লগা হ'ল অৱশ্যে ট্ৰিবিউনেলত বিদেশী হিচাপে প্ৰমান কৰাৰ দায়িত্ব অভিযোগকাৰীৰ নহয়, যাৰ ওপৰত অভিযোগ দিয়ে তেওঁ প্ৰমান কৰিব লাগে তেওঁ বিদেশী নহয় বুলি। আমি অসম চুক্তিৰ আগৰ, অসম চুক্তিৰ পিছত আৰু ২০০5 চনৰ পিছত গোটেই বিষয়টো বেলেগ বেলেগ হৈ আহি আছে। আমাৰ ট্ৰিবিউনেল আগতে আছিল ১৯ খন এতিয়া ১০০ খনলৈ বঢ়াই দিয়া হ'ল। ১০০ ট্ৰিবিউনেল বঢ়াই দিয়াৰ পিছত এতিয়া কেছসমূহ চলি আছে আৰু এই বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত কাম চলি আছে। এইখিনি কথা মই এই কাৰণে ক'ব লগা হৈছে যে - যদি আমাৰ খানাপাৰাৰ ৰাস্তাটোৰ সিপাৰে যদি কোনোবা এজন বিদেশী ওলাই তেতিয়াহ'লে সেই বিদেশীজনক তাৰ এছ.পিয়ে ধৰি নি বাংলাদেশলৈ পঠাই দিব আৰু যদি ৰাস্তাটোৰ ইপাৰে বিদেশী এজন ওলাই তেতিয়া হ'লে এটা দীঘলীয়া পক্ৰিয়াৰ মাজেৰে ট্ৰিবিউনেলত নি তাৰ পিছত উচ্চ ন্যায়াললৈ নি ঘূৰাই পকাইহে কৰিব পাৰিম। মেঘালয়ত ধৰা পৰাজন ১৯৫১ চনলৈ আৰু আমাৰ ইয়াত ধৰা পৰাজন ১৯৭১ অৰ্থাৎ ২০ বছৰ থাকি মিলি বহু বিছাৰ হোৱাৰ পিছত বিদেশীজন ইয়াৰ পৰা যাব কিন্তু মেঘালয়ত ধৰা পৰা জন লগে যাব। গতিকে এই প্ৰক্ৰিয়াটো ভাৰতৰ অন্যান্য ৰাজ্যত সুকীয়া সুকীয়া। আমাৰ অসম চুক্তিৰ ৬ নং দফাটো বিশেষ ভাবে উল্লেখ কৰা হৈছে - অসমীয়া ৰাইজৰ সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য ৰখা সংৰক্ষণ আৰু বিকাশৰ বাবে যেনে ধৰণে দৰকাৰ সাংবিধানিক, আইনগত আৰু প্ৰসাশনিক ৰক্ষণা ব্যক্ষণৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত এতিয়ালৈকে সাংবিধানিক ব্যৱস্থা একো হোৱা নাই। এই ক্ষেত্ৰত কেইটামান কথাহে হৈছে - সাংস্কৃতিক ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, জ্যোতিচিত্ৰবনৰ নিচিনা কিছু কাম হৈছে ঠিক তেনেধৰণে সামাজিক, ভাষিক পৰিচয় ক্ষেত্ৰত, ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত বিশেষ একো হোৱা নাই, ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত পুৰাতত্ব বিভাগৰ জৰিয়তে কিছু অঞ্চলৰ ঐতিহ্য ৰক্ষা কৰিবলৈ আঁচনি লৈছে, সত্ৰসমূহক টকা দিছে, বে-দখল উচ্চেদ কৰিবলৈ চেষ্টা কৰা হৈছে যদিও সম্পূৰ্ণ সফল হ'ব পৰা নাই। গতিকে এই ছয় নং দফাটো সম্পৰ্কত যিটো প্ৰস্তাৱ আনিছে সেই ক্ষেত্ৰত মই কওঁ ছয় নং দফাটো ৰূপায়ণৰ ক্ষেত্ৰত বিশেষ একো হোৱা নাই। সাত নং দফাটো হৈছে "অৰ্থনৈতিক উন্নয়ন" - সাত নং দফামতে- ৰাইজৰ জীৱনৰ মান উন্নত কৰিবৰ বাবে ৰাজ্যখনৰ খৰটকীয়া সৰ্বাংগীন অৰ্থনৈতিক উন্নয়নৰ বাবে আৰু নিজৰ প্ৰতিশ্ৰুতিৰ কথা এই সুযোগতে চৰকাৰে দোহাৰিছে। ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপনৰ জৰিয়তে শিক্ষা আৰু বিজ্ঞান তথা প্ৰযুক্তিবিদ্যা দিশত বিশেষ গুৰুত্ব দিয়া হ'ব। এই ক্ষেত্ৰত আই.আই.টি হৈছে, তেজপুৰ বিশ্ববিদ্যালয় হৈছে, অসম বিশ্ববিদ্যালয় হৈছে, নুমলিগড় ৰিফাইনাৰী হৈছে, গেছক্ৰেকাৰ হৈছে, বগীবিলৰ দলং হৈছে। গতিকে এনে ধৰণৰ কিছু অৰ্থনৈতিক উন্নয়নৰ কথা হৈছে। অসম চুক্তিৰ ছয় নং আৰু সাত নং দফা এই দুয়োটা দফা আমাৰ সুৰক্ষাৰ বাবে সকলো দিশত অৰ্থনৈতিক উন্নয়নৰ বাবে সংযোজিত কৰা হৈছিল। ইয়াৰ মূল কথাটো আছিল কি? মূল কথাটো হৈছে - যিহেতু অসমে ১৯৫১ চনৰ ১৯৭১ লৈকে অতিৰিক্ত মানুহৰ বোজা গ্ৰহণ কৰিছে তাৰবাবে কিছু নিৰাপত্তা দিব লাগিব আৰু সকলো দিশত অৰ্থনৈতিক উন্নয়নৰ পথ দিব লাগিব যাতে অসমে আনৰ লগত সমানে আগবাঢ়িব পাৰে। এই উদ্দেশ্য ৰাখিয়েই এই চুক্তিখনত ছয় আৰু সাত নং দফা দুটা সংযোজন কৰা হৈছিল। এই ক্ষেত্ৰত বৰবেছি আগবঢ়া নাই - আজি সীমান্ত চীল কৰা কথা আছিলে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে প্ৰায় ৮৬ কোটি টকা ইতিমধ্যে মুকলি কৰি দিছে। আপোনালোকে জানে যে ৪৮ কিলোমিটাৰ আমাৰ

নদীসীমা মুকলি হৈ আছে তাৰে যিখিনিত ফেনছিং দিব নোৱাৰে তাত প্ৰযুক্তিবিদ্যাৰে সুৰক্ষাৰ ব্যৱস্থা কৰিব লাগিব। ৪৮ কিলোমিটাৰ নদীৰ অংশৰ সুৰক্ষাৰ বাবে বি.এছ.এফক দায়িত্ব দিয়া হৈছে আৰু তেওঁলোকে প্ৰযুক্তিবিদ্যাৰে সুৰক্ষাৰ ব্যৱস্থা কৰিব। মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱালৰ নেতৃত্বত এনেধৰণৰ কিছু পদক্ষেপ গ্ৰহণ কৰিছে সেইখিনিও মই কৈ যোৱা উচিত হ'ব যে আমাৰ ক্লজ ৬ ৰ ক্ষেত্ৰত তেখেতে আলোচনা বিলোচনা আৰম্ভ কৰিছে। ক্লজ ৬ ৰ ক্ষেত্ৰত এখন ত্ৰিপাক্ষিক বৈঠক হৈছে। ক্লজ ৬ ৰ কাৰণে এখন কমিটি আৰু ক্লজ ৭ ৰ কাৰণে এখন এক্সপাৰ্ট কমিটি হৈছে। দুইখন কমিটিয়ে কেনেকুৱা কেনেকুৱা পৰামৰ্শ আগবঢ়াব, তাতে প্ৰচিডিঙত মই যিটো পাইছো তাত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সংস্থাৰ ফালৰ পৰা তিনিজন তিনিজন মেম্বাৰ থাকিব। সেইখিনিৰে ৯ জনীয়া ৯ জনীয়া দুখন কমিটি হ'ব আৰু এই কমিটিয়ে ৬ ৰ সুৰক্ষা আৰু ক্লজ ৭ ৰ অলৰাউণ্ড ডেভেলপমেণ্টৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব। এইটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ উপস্থিতিত ত্ৰিপাক্ষিক বৈঠক হিচাবে এই সিদ্ধান্তটো কৰিছে। ইয়াৰ উপৰিও যিখিনি মই বোৰ্ডাৰৰ কথা ক'লো, বোৰ্ডাৰ চিল কৰিবলৈ যদিও ৩১ ডিচেম্বৰ ঠিক কৰি দিছে হয়তো ৩১ ডিচেম্বৰত সকলোখিনি সম্পূৰ্ণ হ'ব বুলি মই আশা নকৰো। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৩১ ডিচেম্বৰৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰক আলটিমেটাম দিছে যে আমাৰ বোৰ্ডাৰ চিল কৰিব লাগে আৰু সেই ধৰণে কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰীয়ে ইয়াৰ কাৰণে ধন ইতিমধ্যে মোকলাই দিছে আৰু বি এচ এফ ক এই কামখিনি কৰিবলৈ দায়িত্ব দিছে। আজি শ্বহীদ স্মাৰকৰ কাৰণে, তেওঁলোকৰ স্মৃতি যুগমীয়া কৰাৰ কাৰণে ১০০ বিঘা মাটি ইতিমধ্যে লৈ শ্বহীদ স্মাৰকৰ এটা ডি পি আৰ ইতিমধ্যে প্ৰস্তুত হৈছে আৰু সেইধৰণে কাম কৰিবলৈ আগবাঢ়িছে। ইতিমধ্যে অসম চৰকাৰৰ ইয়াৰ আগতে অসম চুক্তি ৰূপায়ণৰ এটা ডাইৰেক্টৰেটেই নাছিল বা কেতিয়াবা ডাইৰেক্টৰেটৰ নামত ডাইৰেক্টৰ জন নিজেই নাথাকে বা বিষয়া নাথাকে আৰু এতিয়া অসম চুক্তি ৰূপায়ণৰ কাৰণে এটা সুকীয়া ডাইৰেক্টৰেট তেখেতে ঠিক কৰিছে আৰু সুকীয়া ডাইৰেক্টৰেটৰ ক্ষেত্ৰত তাৰ কাৰ্য্যালয় বেলেগ হৈছে, কাম-কাজৰ ক্ষিপ্ৰতা এতিয়া বাঢ়িছে। শ্বহীদ সকলৰ পৰিয়ালক চুক্তিমতে আগতেও যদিও সাহাৰ্য্য দিয়াৰ কথা আছিল আজি তেখেতে দায়িত্ব লোৱাৰ পিছত প্ৰতিটো পৰিয়াললৈ ৫ লাখকৈ টকা পুনৰ সাহাৰ্য্য হিচাবে আগবঢ়াইছে। নিৰ্যাতিত সকলৰ ক্ষেত্ৰত সাহাৰ্য্য দিবৰ কাৰণে যোৱা তিনদিন আগতে অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ আলোচনা হৈছে ইয়াক কেনেদৰে কাৰ্য্যকৰী দিশটো উদ্ভাৱন কৰিবৰ কাৰণে আৰু চৰকাৰে নিৰ্য্যাতিত সকলকো সাহাৰ্য্য দিবলৈ সিদ্ধান্ত লৈছে। এতিয়া অসম চুক্তিৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত কেইবাটাও বলিষ্ঠ পদক্ষেপ ইতিমধ্যে গ্ৰহণ কৰিছে। এতিয়া মই চমুৱাই আনিবলৈ বিচাৰিছো। সকলোৱে মত পোষণ কৰিছে যে অসম চুক্তিৰ ক্ষেত্ৰত কেতিয়াও ইয়াক সংশোধন হ'ব নালাগে বা ক্লজ ৬ টো সংশোধন হ'ব নালাগে। যিটো প্ৰস্তাৱ সেই প্ৰস্তাৱটো ইতিমধ্যে মই কৈছো। প্ৰস্তাৱটোৰ ক্ষেত্ৰত আমি কেতিয়াও সংশোধন কৰাৰ কথাটো নাহে, এইটো প্ৰশ্নই নুঠে। প্ৰস্তাৱটো আছিল " অসম বিধান সভাৰ পবিত্ৰ সদনে সৰ্ব্বসন্মতি ক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যে কোনো কাৰণতে অসম চুক্তি বা চুক্তিৰ ৬ নং দফাৰ কোনো ধৰণৰ সংশোধন হ'ব নালাগে। এনে সংশোধনৰ ফলত সমগ্ৰ চুক্তিখনকে অৱমাননা কৰা হ'ব। যোৱা ২৬-০৪-২০১৭ তাৰিখে আমাৰ নৰ্থ ব্লকত কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰী, অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা, সভাপতি, সম্পাদককে ধৰি বিষয়ববীয়া সকল উপস্থিত থাকি এখন ত্ৰিপাক্ষিক বৈঠক হৈছিল। তাত কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰচিডিঙত লিপিবদ্ধ কৰিছে সেইটো মই কৈ দিবলৈ বিচাৰিছো।

The Hon'ble Union Home Minister stated that the spirit of 1985 Assam Accord would not be allowed to get dilute and Central Government will strengthen security at Indo-Bangladesh border and that the Central and the State Government are commiitted to correctly update national Register of Citizens in Assam and provided Constitutional and economic safeguards to indigenous people. The representative of AASU were appraised of progrees made in the implementation of Assam Accord. গতিকে ইয়াত কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰী শ্ৰী ৰাজনাথ সিং ডাঙৰীয়াই ত্ৰিপাক্ষিক বৈঠকত তেখেত সকলে পুনৰ দোহাঁৰিছে যে অসম চুক্তিখন কোনো ধৰণে দাইলুট কৰা নহয় আৰু বোৰ্ডাৰৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব, এন আৰ চি ৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব আৰু আমাৰ সাংবিধানিক সুৰক্ষা আৰু ইক'নমিক ডেভেলপমেণ্টৰ কাৰণে কি কি ব্যৱস্থা লোৱা হ'ব অৰ্থাৎ চৰকাৰৰ যিটো কমিটমেণ্ট এই গোটেই কথাখিনি যোৱা ত্ৰিপাক্ষিক বৈঠকত পুনৰ দোহাঁৰিছে। গতিকে এইখিনি কথা যিহেতু দোহাঁৰিছে তেনেহ'লে অসম চুক্তিৰ সংশোধনৰ প্ৰশ্ন আহিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ মতামত, অসম চৰকাৰৰ মতামত, সদৌ অসম চৰকাৰৰ মতামত। গতিকে আমি আজি যিটো প্ৰস্তাৱ সদনত আনিছো এই প্ৰস্তাৱটো আচলতে কেন্দ্ৰীয় চৰকাৰৰ যিহেতু হোম মিনিষ্টি ন'ডেল মিনিষ্টি তেওঁলোকে পোনপটীয়া ভাৱে ইয়াক ব্যাখ্যা কৰি দিছে আৰু ব্যাখ্যা কৰাৰ কাৰণে মই ভাৱো যে এই প্ৰস্তাৱটো আমাৰ পুনৰ ইয়াত সৰ্ব্বসন্মত ভাৱে গ্ৰহণ কৰাৰ প্ৰয়োজন নহ'ব। কাৰণ যিহেতু কেন্দ্ৰীয় চৰকাৰে ইয়াক সম্পূৰ্ণ প্ৰতিশ্ৰুতি পুনৰ বাৰ অসম চুক্তিৰ পিছত যোৱা এপ্ৰিল মাহৰ ২৬ তাৰিখে ত্ৰিপাক্ষিক টকত এইখিনি দাঙি ধৰিছে আৰু আজিৰ সদন আৰু অসম চৰকাৰ এই অসম চুক্তি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ দায়বদ্ধ। মই পুনৰ ৰিপিট কৰিছো যে অসম চৰকাৰ এই অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত সম্পূৰ্ণ দায়বদ্ধ।

যোৱা ২৬ এপ্ৰিল ২০১৮ তাৰিখে আমি এই প্ৰস্তাৱটো গ্ৰহণ নকৰিলেও এই কথাটোত আমাৰ প্ৰশ্ন উদ্ভাৱন হোৱাৰ কথা নাই। এইটোত কোনোধৰণৰ অসম চুক্তিৰ সংশোধনৰ প্ৰশ্ন আহিব নোৱাৰে। গতিকে মই এইখিনিকে কৈ খালেক ডাঙৰীয়াৰ এই প্ৰস্তাৱটো উঠাই ল'বলৈ অনুৰোধ কৰিছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সভাপতি ঃ** মাননীয় সদস্য আব্দুল খালেক ডাঙৰীয়া, আপুনি এই ক্ষেত্ৰত কিবা ক'ব নেকি ?

**শ্ৰী আব্দুল খালেক, বিধায়ক, (জনীয়া) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, প্ৰস্তাৱটোৰ দুটা অংশ আছে। এটা অসম চুক্তি আৰু আন এটা হৈছে অসম চুক্তিৰ ৬ নং দফা। ৬ নং দফাত অসমীয়া মানুহৰ অসম ৰাজ্যত সাংবিধানিক, প্ৰশাসনীয়, সাংস্কৃতিক অধিকাৰ থাকিব লাগিব। তাত কোনো দ্বি-মত নাথাকিব। চুক্তিখনত খিলঞ্জীয়াৰ স্বাৰ্থ ৰক্ষাৰ কথাটো কোনেও নুই কৰিব নোৱাৰে। মাননীয় সভাপতি মহোদয়, আমি সকলোৱে জানো যে অষ্ট্ৰেলিয়াখন আগতে Aborigines সকলৰ আছিল। Federal Parliament ত আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী আমি একেলগে গৈছিলো। এতিয়া অষ্ট্ৰেলিয়া Federal Parliament ত Aborigines সকলৰ কেৱল এজন সদস্য আছে। ছিংগাপুৰ মালায় সকলৰ আছিল। কিন্তু এতিয়া ছিংগাপুৰত মালায়সকল তৃতীয় জনগোষ্ঠী। আমাৰ ওচৰতে ত্ৰিপুৰাৰ ত্ৰিপুৰীসকল আজি সংখ্যা লঘু হৈ গ'ল। আমি খিলঞ্জীয়া সকলৰ সুৰক্ষাও অস্বীকাৰ কৰিব নোৱাৰো। মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে আচলতে খিলঞ্জীয়া কোন ? আমাৰ মাননীয় সদস্য পবিন্দ্ৰ ডেকা ডাঙৰীয়াই ১৯৭১ চনৰ ভিত্তিত কৈছে। আকৌ কেমব্ৰিজ অভিধানত কৈছে

যিসকলে কেতিয়াও বাসস্থান সলনি কৰা নাই, তেওঁলোক খিলঞ্জীয়া। ৰাষ্ট্ৰ সংঘৰ চনদত কৈছে প্ৰি-কল'নীয়েল সকলো খিলঞ্জীয়া হ'ব পাৰে। আকৌ যদি আমি অসমৰ প্ৰেক্ষাপটত চাওঁ, কোনোবাই কৈছে, ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি আৰু ১৯৭১ চন। কিন্তু ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ সময়ত অবিভক্ত গোৱালপাৰা আজিৰ বঙাইগাওঁ, কোকৰাঝাৰ, গোৱালপাৰ, বাক্সা ইত্যাদি জিলাসমূহ আমাৰ অসমত নাছিল। আজিৰ কৰিমগঞ্জ, হাইলাকান্দি আৰু কাছাৰ অসমৰ লগত নাছিল। ১৯৪৮, ১৯৫১ চনৰ কথাও কৈছে। আকৌ যদি আমি অসমৰ ঐতিহাসিক প্ৰেক্ষাপটত যাওঁ ১২০৬ খ্ৰীষ্টাব্দৰ কথাও কৈছে। যেতিয়া এই ভূমিত প্ৰবজন হোৱা নাছিল। পৰৱৰ্ত্তী কালত আহোমৰ প্ৰৱেশ, এই কথাবোৰে আহিব পাৰে। সেয়েহে এই বিষয়টো বহলভাৱে বিতৰ্কৰ বিষয়। ইয়াত অসমীয়া আৰু খিলঞ্জীয়াৰ শব্দ সমাৰ্থক হ'ব নালাগে। অসমীয়া মানুহৰ সাংবিধানিক, প্ৰশাসনিক, ভাষিক সংস্কৃতিক সুৰক্ষাৰ কথা আহিব। এতিয়া অসমীয়া কোন সেই কথাৰ আলোচনাত কোনোবাই চন, তাৰিখৰ ভিত্তিতো কৰিব বিচাৰিছে। আজিলৈকে আমি ক'তো শুনা নাই যে কোনোবা জাতিৰ সংজ্ঞা চন, তাৰিখৰ ভিত্তিত নিৰূপণ কৰা হৈছে। মাননীয় সত্যব্ৰত কলিতা ডাঙৰীয়াই ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ কথা কৈছিল আৰু তেখেত আমাৰ সকলোৰে নমস্য। অসমীয়া জাতীয় জীৱনৰ কথা ক'লে তেওঁৰ কথা আহে। তেখেতে অসমীয়া ডেকাৰ উক্তিত কৈছে,

শক্তি পুত্ৰ মই
শক্তি বুকুত লৈ
মুক্তি প্ৰয়াসী হৈ
    অৰ্জ্জুন মই,গাণ্ডীবী মই,
    ময়েই ধনঞ্জয়-মৃত্যু কৰিছো জয়,
ময়ে অসমৰ
ময়ে ভাৰতৰ
    ময়ে ডেকা ল'ৰা অগ্নিময়।
ময়ে ভাৰতৰ নবীন সূৰ্য্য
পূৰ্ব্বাচলত বজাওঁ তুৰ্য্য
মোৰ পোহৰৰ গানে
বীন বৰগীৰ তানে
আকাশে আকাশে, দেশে মহাদেশে
    মুগ্ধ কৰিব আলোক যাত্ৰী
    শেষ হ'ব শেষ নোহোৱা ৰাত্ৰি
        কৰিম জগত জয়
        নবীন সূৰ্য্য মই।
উপচি আহিব পোহৰৰ ধল
    লুইতৰ দৰে ফেনে-ফুটুকাৰে
ফেনিল শুভ্ৰ জ্যোতি-প্ৰপাতৰ জল।
হাতীপটীয়েদি ঐৰাবাটেদি
কত নগৰৰ আলি-গলিয়েদি
কত মেধাবীৰ মহা মনীষীৰ

মনৰ মাজেদি
কবীন্দ্ৰ জিনি হ'ম
মহা মনী,ৰ মহা সাগৰত ৰ'ম।
মই লিখা গানে
আলোকে আলোকে
নতুন বাতৰি কৈ,
আলোকৰ এক মহাসঙ্গীত
তুলিব পৃথিৱীময়।
তেজ-মঙহৰ
মাতৃজনাৰ
কোলাত জনম লৈ,
দেশ-জননীৰ মহান কোলাত
লীন হৈ যাওঁ মই।
উদয় শৈল-গৰ্ভ বিদাৰি
অৰুণ দিপ্তীময়
ব্যাপে যেনেকৈ
গ্ৰাম-মহাগ্ৰাম
পৃথিৱী জগত ময়,
ক্ৰমে ক্ৰমে ক্ৰমে
উঠি উদ্ভাসি
সিঁচি যাওঁ মই
কিৰণৰাশি
ৰঙচুৰা হৈ সন্ধিয়া
সোণালীকৈ।
মৃত্যু সাগৰ পৰা হৈ যাওঁ
নতুন পুৱাৰ নতুন বাতৰি লৈ
নতুনৰ জ্যোতি হৈ,
থৈ যাওঁ মই পৃথিৱী ধুনীয়াকৈ
জনমে জনমে ঘূৰি ঘূৰি আহোঁ
মোৰ স্বদেশলৈ।
ময়ে ধনঞ্জয়
ময়ে অসমৰ
ময়ে ভাৰতৰ
ময়ে ডেকা ল'ৰা অগ্নিময়।
ময়ে কাৰুকৰ
ময়ে খনিকৰ
ময়ে চিত্ৰকৰ

গঢ়ি যাওঁ মনোহৰ,
সুৰ অপৰূপ
কত নৱৰূপ
মযেই ৰূপকোঁৱৰ।
মযেই স্বদেশ
মযেই বিদেশ
মই নানা দেশ
সাতো মহাদেশ.
সাতবাৰ ঘূৰি-ফুৰি,
জ্ঞানৰ মাণিক-মুকুতা আনিম
অঞ্জলি ভৰি ভৰি।
কামৰূপা মোৰ
সুৰদী সুৰীয়া
অসমীয়া ভাষা
জগত-সভালৈ যাব,
উজ্জ্বল
সমুজ্জ্বল

কহিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব।
ময়ে অসমীয়া
প্ৰাগ্‌জ্যোতিষৰ,
ময়ে অসমীয়া শোণিতপুৰৰ
নবীন যুগৰ কুমাৰ ভাস্কৰ মই
ময়ে অসমীয়া শৰাইঘাটৰ
চোকা-তৰোৱাল লওঁ লাচিতৰ,
মোমাই তামুলী গড়
দুৰ্জ্জয় অগ্নিগড় মযেই
নাই মোৰ সমসৰ।
মযেই খাছীয়া
মই জয়ন্তীয়া
ডফলা-আবৰ-অঁকা,
ময়ে চিংফৌ
ভৈয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা,
বিজয়ী আহোম কছাৰী-কোঁচৰ
মেছৰ কুমাৰ মই

ৰাজবংশী ৰাভা
কপালত জ্বলে শত গৌৰৱ আভা।
মই-
লালুং-চুটিয়া
লুচাই-মিকিৰ-গাৰো,
মিছিমি-খাম্‌তি
নগা-আঙ্গামী বীৰ,
পৰ্ব্বতে-পাহাৰে
জ্বলিছে উচ্চ শিৰ।
সাম্য-মৈত্ৰীৰ ময়েই ৰণুৱা
চাহ-বাগিচাৰ ময়েই বনুৱা
ন-অসমীয়া মৈমনছিঙীয়া
থলুৱা নেপালী
নৃত্য-কুশলী মণিপুৰীয়া মই।
মই-
কত পৰ্ব্বতৰ
কত ভৈয়ামৰ
শত নিজৰাৰ ধাৰ,
হিলদল ভাঙি
বৈ আহি আহি
বৰলুইতত
হৈ যাওঁ একাকাৰ।
মই-
যন্ত্ৰযুগৰ মোহন মন্ত্ৰ ল'ম
মন-বিমানৰ ময়েই সাৰথি হ'ম,
বিজুলী ৰথৰ মহাৰথী মই
জীৱনৰ ৰণজিৎ
বিদাৰিম মই সমাজতন্ত্ৰ
ৰচিম নতুন মানৱ-তন্ত্ৰ
বিজ্ঞান স্বৰ্গজিৎ
মই জ্ঞানৰ ইন্দ্ৰজিৎ।
মই ধৰিছো নতুন ৰূপ
জ্বালি নৱজীৱনৰ ধূপ
আলোকৰ শিখা লিখি কপালত
থিয় হলো মই নীলাচলত
অবিচলিত হৈ
অসমীয়া ডেকা মই।

আকাশীনেত্রে বিশ্বজগত চাই
হুঙ্কাৰি মই ঘোষিলোঁ অধিকাৰ
মই যে শক্তিমান,
তূণ ভৰি ললোঁ দিব্য অস্ত্ৰ
পিন্ধি ললো মই ত্যাগৰ বস্ত্ৰ
সন্ধান মোৰ নহয় ব্যৰ্থ
সব্যসাচী ধৰিলো ধনুৰ্বাণ
ময়েই হিন্দু
ময়েই মুছলমান
ময়েই ন-জোৱান।
মোৰ ভগৱান মন্দিৰে- মছজিদে
ভগৱান মোৰ নামঘৰে ঘৰে
অন্তৰে বাহিৰে,
মোৰ ভগৱান নৈয়ে বনে বনে
আকাশে- আছমানে,
গীতা-কোৰাণেৰে, বাইবেলেৰে
কত গ্ৰন্থৰে মই
সকলো ধৰ্মৰ মৰ্ম
বুকুত লৈ,
প্ৰণামিছোঁ মই
প্ৰাৰ্থনা নামাজ
লোৱাহে জ্যোতিৰ্ময়!
জয় তোমাৰেই
জয় তোমাৰেই
জয় তোমাৰেই
জয়।

সভাপতি মহোদয়, শ্ৰী সত্যব্ৰত কলিতা ডাঙৰীয়াই কবিতাটোৰ উক্তি দিয়াৰ বাবে মইয়ো দাঙি ধৰিছো। যদি জ্যোতি প্ৰসাদ আগৰৱালাৰ ধাৰণাক আমি আগুৱাই লৈ যাওঁ তেন্তে আমাৰ বহুত সমস্যা নাইকিয়া হ'ব। সেই কাৰণে মই প্ৰসংগক্ৰমে উল্লেখ কৰিছো। মই ভাৱো যে, সদনে বা আমাৰ সমাজ খনে অসমীয়াৰ ধাৰণা ঠিক কৰিব আৰু সেই কাৰণে অসমীয়া মানুহৰ সাংবিধানিক, সাংস্কৃতিক আৰু ভাষিক সুৰক্ষাৰ ক্ষেত্ৰত কোনোৱে বিৰোধিতা নকৰে। এতিয়া মূল কথাটো হ'ল- অসম চুক্তি। সভাপতি মহোদয়, অসম চুক্তিৰ প্ৰস্তাৱটো আমি আমি কিয় আনিব লগীয়া হ'ল ? যদি নাগৰিকত্ব সংশোধনী বিধেয়ক সংসদত উত্থাপিত নহ'লহেঁতেন, তেনেহ'লে কিন্তু অসম চুক্তিৰ সম্পৰ্কে এই প্ৰস্তাৱৰ কোনো প্ৰয়োজনীয়তা নাছিল। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰয়োজনীয়তা নাই বুলি সকলোৱে মানি লৈছে । অসম বিধান সভাত যদি এই প্ৰস্তাৱটো চৰকাৰেও আনিম বুলি কয়, তেতিয়া মোৰ আপত্তি নাই। কিন্তু এই বিধেয়কখন অহাৰ লগে লগে মই এই কথা স্পষ্ট কৰি দিছো কিছুমানে নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰোধিতা কৰাৰ লগে লগে সেই সকলক বঙালী

হিন্দুৰ বিৰোধী বনাব বিচাৰিছে। কিন্তু, সভাপতি মহোদয়, আজি এই কথা পাহৰি গলে নহ'ব যে, হেমাংগ বিশ্বাসে ইয়াত জন্মগ্ৰহণ কৰা নাছিল, কিন্তু অসমীয়া জাতীয়- জীৱনৰ বাবে, অসমীয়া ভাষাৰ সুৰক্ষাৰ বাবে হেমাংগ বিশ্বাসৰ যি অৱদান, সেই অৱদানক কোনোৱে অস্বীকাৰ নকৰে। অসমীয়াই আজি তেখেতক প্ৰণাম কৰে। অসমীয়া ভাষা-সাহিত্যলৈ অমলেন্দু গুহৰ যি অৱদান সেয়া কোনেও অস্বীকাৰ নকৰে। অসমীয়া আধুনিক কবিতাৰ প্ৰথম শ্ৰেষ্ঠ দহ জন কবিৰ নাম যদি লোৱা হয় তেন্তে হীৰেন ভট্টৰ অৱদান অন্যতম। কিন্তু যি সকল বঙালী হিন্দু স্বাধীনতাৰ আগত ইয়ালৈ আহিল বা স্বাধীনতাৰ পিছৰ বৰাক উপত্যকাৰ বঙালী হিন্দু সকল, তেওঁলোক সমাজখনৰ অবিচ্ছেদ্য অংগ। তেওঁলোক তাৰ ভূমিপুত্ৰ। আকৌ, যি সকল ১৯৭১ চনলৈ আহিলে সেই খিনিৰ লগত ১৯৭১ আৰু ২০১৪ৰ মাজৰ সময়ছোৱাৰ মানুহখিনিক একাকাৰ কৰিবলৈ বিচাৰে। মই কেৱল মুছলমান সকলৰ কথা নকওঁ, কিছু সংখ্যক স্বদেশী  হিন্দু-বঙালীও তথ্য-প্ৰমাণৰ অভাৱত নিজৰ নাগৰিকত্ব প্ৰমাণ কৰিব পৰা নাই। সদনত শিলাদিত্য ডাঙৰীয়াইও কৈছে যে বহু স্বদেশী হিন্দু-বঙালীয়ে বিদেশী নাগৰিকত্বৰ Notice পাইছে, তেওঁলোকৰ সৰহ সংখ্যকে ভাৰতীয় নাগৰিক বুলি ওলাই আহিছে, আনহাতে কিছুমানে আকৌ Tribunal Authority, উচ্চ ন্যায়ালয়, উচ্চতম ন্যায়ালয়লৈ গৈ তেওঁলোকৰ  নাগৰিকত্ব ঘোষণা  কৰাব লগীয়া হৈছে। সেই কাৰণে আমি যদি দুটা একাকাৰ কৰো, সেই কথাতো সমীচিন নহ'ব। ১৯৭১ চনৰ আগৰ হিন্দুৱেই হওঁক, মুছলমানেই হওঁক, তেওঁলোকৰ সুৰক্ষা আমি নিশ্চিত কৰিব লাগিব আৰু একে  সময়তে, যি সময়ত  আমাৰ ১৯৭১  চনৰ আগৰ  মানুহখিনিক লৈ  সমস্যা , সেই সময়ত হিন্দুৱেই হওঁক, মুছলমানেই হওঁক বা খ্ৰীষ্টানেই হওঁক, ১৯৭১ চনৰ  পিছৰ মানুহ খিনিৰ ক্ষেত্ৰত, সভাপতি মহোদয়,  মই মনত পেলাই দিছো যে,  মই কেতিয়াও হিন্দু বিৰোধী নহয়। মই জন্ম সূত্ৰে মুছলমান,  বিশ্বাস সূত্ৰে মুছলমান, কিন্তু মই কৈছো যে আজি যাতে  বাংলাদেশত  হিন্দুৰ বিপদ নহয়  । তাৰ বাবে ভাৰতবৰ্ষৰ মানুহে আৰু চৰকাৰে প্ৰয়োজন সাপেক্ষে কূটনৈতিক ভাৱে বা  সামৰিক ভাৱে হ'লেও বাংলাদেশ চৰকাৰক বাধ্য কৰিব লাগিব  নহ'লে ভাৰতৰ প্ৰতিজন নাগৰিক, বাংলাদেশৰ  হিন্দু ভাই-ভনী সকলৰ সুৰক্ষাৰ বাবে প্ৰয়োজন সাপেক্ষে  যুদ্ধত যাব লাগিব আৰু সেই যুদ্ধত চৰকাৰৰ পৰা পঠিয়ালে মই প্ৰথম শাৰীত যাবলৈ সাজু আছো। সভাপতি মহোদয়, খিলঞ্জীয়া সকলৰ  স্বাৰ্থ সুৰক্ষা হ'ব লাগিব আৰু চুক্তিৰ যি ৬ নং দফা তাক আখৰে আখৰে  ৰূপায়িত কৰিব লাগিব। চৰকাৰে যদি তেনেকুৱা এটা প্ৰস্তাৱ অনাৰ আশ্বাস দিয়ে তেন্তে সেই প্ৰস্তাৱ আনিলে মই প্ৰত্যাহাৰ কৰিবলৈ সাজু আছো।

**সভাপতিঃ** এতিয়া ইয়াত কোনো ধৰণৰ আলোচনা নহ'ব। যি জনে  প্ৰস্তাৱটো দিছে তেওঁৰ কোৱা অধিকাৰ আছে তাৰ বাহিৰে আন কোনো সদস্যই  ইয়াত কোনো ধৰণৰ বক্তব্য ৰাখিব নোৱাৰিব।

মাননীয় সদস্য, আব্দুল খালেক ডাঙৰীয়া, আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে?

**মাননীয় শ্ৰী আব্দুল খালেক, (জনিয়া)ঃ** চৰকাৰে যদি আশ্বাস দিয়ে যে তেওঁলোকে  এটা নিজৰ প্ৰস্তাৱ আনিব তেন্তে মই প্ৰত্যাহাৰ কৰিম।

**মাননীয় সভাপতিঃ** ইতিমধ্যে, মাননীয় মন্ত্ৰী মহোদয়ে সদনত  এটা কথা কৈছে যে অসম চুক্তিখন ৰূপায়ণ কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ দুয়ো দায়বদ্ধ। যিহেতু তেওঁ ইতিমধ্যে দায়বদ্ধতাৰ কথা দোহাৰিছে, গতিকে, মই ভাৱো যে মাননীয় সদস্য খালেক ডাঙৰীয়াই যাতে এই প্ৰস্তাৱটো উঠায় লয়।

**মাননীয় শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** সভাপতি ডাঙৰীয়া, এই কথাটোত আমি  দেখিছো যে

চৰকাৰ পক্ষৰো একেই মন্তব্য। এটা কথা ঠিক যে, বেচৰকাৰী প্ৰস্তাৱ এটা সদনত তেনেদৰে মানি ল'ব নোৱাৰে। কিন্তু এই কথাটো যিহেতুকে অসমৰ বৃহত্তৰ স্বাৰ্থৰ লগত জড়িত, অসম চুক্তিৰ লগত জড়িত গতিকে আমি পোনচাতে যদি প্ৰত্যাহাৰ কৰো সেইটো ঠিক নহ'ব। কিন্তু যদি চৰকাৰে কয় যে সময় সাপেক্ষে এনে ধৰণৰ প্ৰস্তাৱ চৰকাৰৰ ফালৰ পৰা আহিব তেন্তে আমি প্ৰত্যাহাৰ কৰিব পাৰিম আৰু সময় সাপেক্ষে এনে ধৰণৰ প্ৰস্তাৱ আনিলে আমিও আপোনালোকক সমৰ্থন কৰিম গতিকে সেই যুক্তিত প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবলৈ সদস্য গৰাকীক অনুৰোধ কৰিম।

**সভাপতি ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ খালেক ডাঙৰীয়াও এই বিষয়টো উল্লেখ কৰিছে আৰু তেখেত সকলৰ Deputy Leader ডাঙৰীয়াও এই বিষয়ে কৈছে। মইও এই বিষয়ে Parliamentary Affairs Minister ডাঙৰীয়াৰ লগত কথা পাতিছো। তেখেতে যেনেকৈ কৈছে যে প্ৰয়োজন সাপেক্ষে যদি এইটো আনিবলগা হয় তেতিয়াহলে অধ্যক্ষ ডাঙৰীয়া বা বিৰোধী দলপতিৰ লগত আলোচনা কৰিহে আনিব পৰা যাব। এতিয়া যিহেতু তেওঁলোক দুজন সদনত নাই এইটো কৰিব পৰা নাযাব। কিন্তু আপোনালোক সকলোৱে যিহেতু সদনৰ Consus টো গমেই পাইছে আৰু কেন্দ্ৰীয় চৰকাৰৰ Commitment টো আমি দোহাৰিছো। কোনো প্ৰকাৰে dilute নহয় বুলি কৈছে। প্ৰয়োজন সাপেক্ষে এইটো আমি অধ্যক্ষ ডাঙৰীয়া বা বিৰোধী দলপতিৰ লগত আলোচনা কৰি আনিব পাৰিম।

**শ্ৰী আব্দুল খালেক ঃ** সভাপতি ডাঙৰীয়া, চৰকাৰে যিহেতু প্ৰস্তাৱ আনিম বুলি কৈছে গতিকে মই প্ৰত্যাহাৰ কৰিছো।

**সভাপতি ঃ** ধন্যবাদ। এতিয়া মই সদনত প্ৰস্তাৱটো পাঠ কৰি দিছো যে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে সদনৰ সমৰ্থন আছেনে? (সদনৰ সন্মতি আছে) সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া আমি পৰবৰ্তী পৰ্য্যায়লৈ আগবাঢ়িছো।

মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই এটা সংকল্প প্ৰস্তাৱ আনিছে। তেওঁ এই প্ৰস্তাৱটো সদনত উত্থাপন কৰি তাৰ ওপৰত বক্তব্য ৰাখিবলৈ মই তেওঁক আহ্বান জনাইছো।

**শ্ৰী পদ্ম হাজৰিকা ঃ** সভাপতি ডাঙৰীয়া, আজি সদনত "বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচী" এই প্ৰস্তাৱটো আনিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো।

প্ৰস্তাৱটো ৰাজ্যখনৰ বেছিসংখ্যক সংৰক্ষিত বনাঞ্চলত বহুবছৰ ধৰি কিছু সংখ্যক লোকে বেদখল কৰি থকাৰ ফলত উক্ত বনাঞ্চল সমূহ চৰকাৰে দখলমুক্ত কৰিব পৰা নাই আৰু নতুনকৈ গছপুলি ৰোপনকে আদি কৰি কোনো ধৰণৰ চৰকাৰী আচঁনি ৰূপায়ন কৰিব পৰা নাই। যিহেতু বিষয়টো স্পৰ্শকাতৰ সেয়েহে বনাঞ্চল ৰক্ষাৰ স্বাৰ্থত বা মানবীয়তা ৰক্ষাৰ খাতিৰত এক বিধি পথস্থৰ মাজেৰে বহুবছৰ ধৰি বসবাস কৰি অহা থলুৱা ভূমিহীনক ভূমিপ্ৰদানৰ স্বাৰ্থত বৰ্তমান ৰাজ্যখনৰ সংৰক্ষিত বনাঞ্চল সমূহৰ কিছু শতাংশ বনাঞ্চল অসংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ লৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ল।

সভাপতি ডাঙৰীয়া, বৰ্তমান এইটো অসমৰ এটা জ্বলন্ত সমস্যা হৈ পৰিছে। অসমৰ যিখিনি বনাঞ্চল আছে সেই বনাঞ্চল সমূহত বহু মানুহে বহু বছৰ ধৰি দখল কৰি বনাঞ্চল ধ্বংশ কৰা পৰিলক্ষিত হৈছে। আমাৰ মুঠ বনাঞ্চল এলেকা হৈছে ২৬৮৩২ বৰ্গ কিলমিটাৰ। আমাৰ সংৰক্ষিত বনাঞ্চল আছে ১৪৫ খন। Wild Life Sanctuary আছে ২০ খন। National Park আছে ৫ খন। Tiger Reserve ৪খন আৰু এই বনাঞ্চল সমূহত প্ৰায় ৫৯৮৩ বৰ্গকিলমিটাৰ মাটি

বেদখল হৈ আছে। দেখা যায় যে, প্ৰায় ২৩ শতাংশ বনাঞ্চল বেদখলকাৰীৰ কবলত আছে আৰু বনাঞ্চল সমূহতো গছ-বন দেখিবলৈ নোপোৱা হৈছো। National Park বা Wild Life Sanctuary বাদ দি North Bank ত যিবিলাক reserve forest আছে প্ৰায় সমূহতে গছ-গছনি নোহোৱা হৈ গৈছে। এতিয়া এনেকুৱা হৈ গৈছে যে যলৈকে গছ-গছনি নাই সেইখিনি অসম আৰু য'ৰ পৰা গছ-গছনি আছে তাৰ পৰা অৰুণাচল প্ৰদেশ আৰম্ভ হৈছে।

গতিকে দেখা যায় যে যিসকল মানুহে তাত বসবাস কৰি আছে তেওঁলোকে সংবিধানিকভাৱে যিটো মৌলিক অধিকাৰ পাব লাগে তাৰ পৰা বঞ্চিত হৈ আছে আৰু যিখিনি বনাঞ্চলত আগতে হাতী, বাঘ আদি বসবাস কৰিছিল সেই বনাঞ্চল সমূহো কাটি ধ্বংশ কৰা হ'ল। এতিয়া এনেকুৱা হৈছে যে মানুহখিনিয়েও মৌলিক অধিকাৰ পোৱা নাই আৰু লগতে সেই বনাঞ্চল খিনি নোহোৱা হোৱাৰ কাৰণে তাত হাতী, মানুহৰ সংঘাত বা মানুহ আৰু বনৰীয়া জীৱ- জন্তুৰ সংঘাত বৃদ্ধি হৈছে। গতিকে Forest Department য়ে Forest Conservation Act,1980 মতে বনাঞ্চল ৰক্ষা কৰিবলৈ চেষ্টা কৰি আছে আৰু যিসকল লোকে বনাঞ্চল ধ্বংশ কৰি বেদখল কৰি আছে তেওঁলোকক এক ইঞ্চিও বনাঞ্চলৰ মাটি এৰি দিবলৈ ইচ্ছুক নহয়। এই মানুহখিনিৰ স্বাৰ্থত ২০০৬ চনত Parliament ত যিখন Bill পাছ কৰিছিল যে Forest Right Act,2006 সেইমতে সেই মানুহখিনিক মাটিৰ অধিকাৰ দিয়াৰ ক্ষেত্ৰত সিদ্ধান্ত লৈ ভাৰতবৰ্ষৰ কিছু ৰাজ্যত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহন হৈছে। কিন্তু অসমত ২০০৬ চনৰ যিটো Forest Right Act মতে কিন্তু কাৰ্য্যকৰী হোৱা নাই। কেবল নিৰ্বাচনৰ সময়ত তেওঁলোকৰ পৰা ভোট লোৱাৰ পৰিকল্পনা লোৱা দেখা যায় । নিৰ্বাচন যোৱাৰ পিছত কিন্তু কোনো সেই মানুহখিনিৰ খা-খবৰ নলয়। তেওঁলোকে ৰাজপথত আশ্ৰয় লোৱা দেখা যায়।

সেয়েহে আজিৰ পবিত্ৰ সদনত মই উত্থাপন কৰিছো যে আমাৰ দুয়োটা স্বাৰ্থই ৰক্ষা হ'ব লাগে। আমি বনাঞ্চল সমূহ ৰক্ষা কৰিব লাগে। কাৰণ গছ অবিহনে মানুহ জীয়াই থকা সম্ভৱ নহয়। বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই গছপুলি ৰোপণত যথেষ্ঠ গুৰুত্ব দিছে। তেনেদৰে যদি বনাঞ্চল সমূহতো গছ পুলি ৰোপণ কৰা হয় তেতিয়া আমি সফল হম। সেইকাৰণে মই আহ্বান জনাব বিচাৰিছো এই স্পৰ্শকাতৰ বিষয়টো যে আমি মানুহকো ৰক্ষা কৰিব লাগিব আৰু জীৱ-জন্তুও ৰক্ষা কৰিব লাগিব। তাৰ কাৰণে এক সিদ্ধান্ত বিধান সভাৰ পৰা যাব লাগে। ২০১৬ চনৰ ১৬ জানুৱাৰী তাৰিখে North Bank ত এনেকুৱা এটা পৰিবেশ হৈছিল যেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়া মোৰ সমষ্টি চাৰিদুৱাৰলৈ গৈছিল। প্ৰচাৰ হৈছিল যে গহপুৰৰ পৰা ঢেকীয়াজুলীলৈকে মানুহক মাটিৰ পট্টা দিয়া হ'ব। লাখৰ ওপৰৰ মানুহ মোৰ সমষ্টিত গোট খালে। মুখ্যমন্ত্ৰী ডাঙৰীয়া হেলিকপ্তাৰেৰে গ'ল, পট্টা দিয়াৰ নামত তেওঁ কলে যে আমি সকলো ঠিক -ঠাক কৰি আছো আৰু মে' মাহত আমি মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিম। তাৰমানে এপ্ৰিল মাহত নিৰ্বাচন হ'ব আৰু এই মানুহখিনিৰ পৰা ভোট লাভ কৰি নিৰ্বাচনত জয়ী হোৱাৰ পাছত মে' মাহত পট্টা বিতৰণ কৰিব। বিগত চৰকাৰৰ দিনত তেওঁলোকে এই ৰাজনীতিটোৱে কৰি থাকিল। ২০০৬ চনত দিল্লীত UPA চৰকাৰ আছিল। অসমতো UPA চৰকাৰ আছিল। যদি ঝাৰখণ্ডত সেইটো কাৰ্য্যকৰী কৰিব পাৰে, অসমত কিয় নোৱাৰে? তেওঁলোকৰ সচাঁ অৰ্থত অসমৰ এই বনাঞ্চলৰ ভূমিহীন লোক সকলৰ প্ৰতি আন্তৰিকতা নাই। তেওঁলোকে মাত্ৰ ভোটৰ ৰাজনীতি কৰি আছে। আৰু নিৰ্বাচন আহিলে মাটিৰ পট্টা দিম বুলি কয়। গতিকে এইটোৰ এটা নিৰাময় হ'ব লাগে। এই গোটেই বিষয়টো নিস্পত্তি কৰিব পৰাকৈ যিবিলাক Terms and Condition আছে যে ২০০৬ৰ Forest Right Act মতে তেওঁলোক Forest Dweller

হ'ব লাগিব, তেওঁলোক Forest ৰ ওপৰত Dependant হ'ব লাগিব, জনজাতীয় লোকসকল ২০০৫ চনৰ আগতে তাত অহা হ'ব লাগিব, অন্য লোকৰ কাৰণে তিনিটা প্ৰজন্ম তাত বসবাস কৰা হ'ব লাগিব। এতিয়া Forest Department ৰ যিবিলাক report , Territorial ৰ লগত Wild Life নিমিলে। ১৯৮৫ চনত এটা report দিছে আকৌ ১৯৯৫ চনত বেলেগ এটা report দিছে এই গোটেই বিলাক তথ্য মোৰ হাতত আছে। নামেৰি ৰাষ্ট্ৰীয় উদ্যান কেতিয়া ঘোষণা কৰিছে, এই কথাৰ এটা report Forest Department ৰ পৰা স্পষ্ট কৰাৰ প্ৰয়োজন আছে, নহলে বিসংগতি হব। কাৰণ ফৰেষ্ট বিভাগৰ পৰা মই দুই এটা ৰিপোৰ্ট চাইছো, বিসংগতি পোৰা গৈছে। আমাৰ ফৰেষ্টৰ মন্ত্ৰী ডাঙৰীয়া আছে যে তেখেতে satellite emgergency ৰ যিটো ইয়াত **১৯৯৫** চনৰ পৰা ৰিপোৰ্ট মই গোটাইছো। সভাপতি ডাঙৰীয়া মই আপোনাৰ জৰিয়তে তেখেতলৈ আগবঢ়াই দিম যে ফৰেষ্ট বিভাগেও এটা স্পষ্ট ছবি ডাঙি ধৰিব লাগে যে কোন কেতিয়া কত বেদখল হৈছে। যদি Forest right implement কৰিব লাগে , তেতিয়া হ'লে আমি এই ছবিখন ডাঙি ধৰিব লাগে।গতিকে এই কথাখিনি স্পষ্টভাৱে Forest Department ৰ report ত নাই। সেই কাৰণে আজি যিটো অৱস্থা হৈছে যে প্ৰাকৃতিক ভাৰসাম্য নোহোৱা হৈছে। আজি যিটো অৱস্থা হৈছে যে হাতী মানুহৰ সংঘাটত এৰাব নোৱাৰা এটা অৱস্থা হৈছে। বাঘ বনাঞ্চলৰ পৰা ওলাই আহি সন্ত্ৰাসৰ সৃষ্টি কৰিছে। এই গোটেই কথাবিলাক নিৰাময় কৰিবৰ কাৰণে আমি যিটো হিচাপ দেখা পাইছো যে কিছুমান মানুহে শ শ বিঘা মাটি দখল কৰি আছে। অসম চৰকাৰৰ ভূমি নীতি মতে প্ৰকৃত ভূমিহীন মানুহ যদি তাত আছে, তেওঁলোকক সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। তাত থকা মানুহ বিলাকৰ খোৱা পানী, শিক্ষা ব্যৱস্থা, চিকিৎসা ব্যৱস্থা কি অৱস্থাত আছে, তেওঁলোকে যিখিনি অধিকাৰ পাব লাগে, revenue area ত থাকি যিখিনি মানুহে অধিকাৰ পাইছে, সেই অধিকাৰৰ পৰা আমাৰ কিন্তু থলুৱা মানুহে, জনজাতি মানুহে তাত বঞ্চিত হৈ আছে। যদি প্ৰকৃত ভূমিহীন হয়, তেওঁলোকক অসম চৰকাৰে ভূমি নীতি মতে তেওঁলোকক সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ কাৰণে যিহেতু কেন্দ্ৰীয় চৰকাৰৰ FDR ৰ ভিতৰত Forest আছে। তেখেতসকলকো আমি জনাব লাগে যে কিছু অংশ, যদিও ইয়াত প্ৰায় 30% দেখুৱাছে, হয়তো প্ৰকৃত ভুমিহীন মাটি শতকৰা 15% মাটিত সেই মানুহখিনি সংস্থাপিত হব পাৰে। যদি dereserve 15%, 20% মাটি কৰে, 80% মাটি আমি বৃক্ষৰোপন কৰিবলৈ, বনানিকৰণ কৰিবলৈ সুবিধা লব পাৰি। গতিকে কেন্দ্ৰীয় চৰকাৰে এই প্ৰস্তাৱটো দিব লাগে যে দুয়োটা স্বাৰ্থ সুৰক্ষিত হব পৰাকৈ যে তাত বসবাস কৰা মানুহখিনিও মৌলিক অধিকাৰসমূহ পাওঁক আৰু যিটো আমাৰ অতিকৈ প্ৰয়োজন যে গছ অবিহনে মানুহ জীয়াই থকাতো সম্ভৱ নহয় আৰু জংঘল অবিহনে জংঘলত যিবিলাক জীৱ-জন্তু বসবাস কৰি আছে, তাত যিহেতু থাকিব নোৱাৰে, জনাঞ্চললৈ আহি যিবিলাক সন্ত্ৰাসৰ সন্মুখীন হৈছে, এই কথাবিলাকৰ এটা নিৰাময় হোৱাৰ যিহেতু সুবিধা আছে, তাৰ কাৰণে মই আহ্বান জনাইছো যে আমাৰ এই সদনত সকলো সদস্যই এই ক্ষেত্ৰত নিজৰ মতামত দি আমি যাতে সেই মানুহখিনিৰ স্বাৰ্থত, আমি ভৱিষ্যৎ প্ৰজন্মৰ স্বাৰ্থত, অসমৰ পৰিবেশ সুৰক্ষিত কৰাৰ স্বাৰ্থত, আমাৰ সেই জংঘলত বসবাস কৰা জীৱজন্ত সকলৰ স্বাৰ্থত আমি ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়ালে নিশ্চয়, তেওঁলোকক গোটেই কথাখিনি যুক্তিৰে বজাব পাৰিম, গতিকে নিশ্চয় উপকৃত হব পাৰিম বা এই জলন্ত সমস্যাৰ পৰা সমধান দিব পাৰিম, নহলে সেই মানুহখিনিৰ যি দুখ, তেওঁলোকৰ অবিৰত ভাৱে বৈ যোৱা চকুৰ সেই লোতক, কোনো মচিব, তেওঁলোক সদায় প্ৰতাৰণাৰ, প্ৰৱঞ্চ নাৰ সন্মুখীন হৈ আছে। তেওঁলোকৰ মুখত হাঁহি কোনো বিৰিঙিয়াব। এই পবিত্ৰ সদনে সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

অসমৰ যিটো এক সুনাম আছিল, যি ঐতিহ্য আছিল যে অসমখন প্ৰকৃতিৰ নুমলীজীয়ৰী। এইখন অসমক লৈ বহু মানুহে আকৰ্ষিত হৈছিল।

কবিৰ সুৰতে মই কওঁ, দেৱকান্ত বৰুৱাৰ সেই কবিতাৰ এটা কলি -

মোৰ দেশ, মানুহৰ দেশ
উত্তৰে উতুঙ্গ গিৰি।
দক্ষিনে সাগৰ, শত নদী বুকুয়ে বাগৰে,
পাৰে পাৰে সাজে ভাঙে ক'ত ইতিহাস।
ব্ৰহ্মপুত্ৰ, গোদাবৰী, চিপ্ৰা আৰু
গংগা যমুনাৰে সুন্দৰী ভাৰতবৰ্ষ ৰূপহী অসম।

এই ৰূপহী অসম আজি কি হৈ গ'ল। ৰূপহী অসমৰ এইখিনি সেউজী যি সৌন্দৰ্য আছিল কি হৈ গ'ল। এই তকলা পাহাৰ হৈ গৈছে, গতিকে আমাৰ যি গৌৰৱ আছে, যি গৌৰৱৰে আমি গৌৰৱান্বিত, সেই গৌৰৱ আমাৰ শেষ হৈ গৈছে। ইয়াক ৰক্ষা কৰাৰ কথাটো আমাৰ প্ৰতিগৰাকী সদস্যই উপলব্ধি কৰি তাত যিসকলে বনাঞ্চল ধংস কৰিছে, তেওঁলোককো আমি সজাগ কৰি পেলাই যে আমাৰ অঞ্চলটোৰ স্বাৰ্থত আমাৰ ভৱিষ্যতৰ প্ৰজন্মৰ স্বাৰ্থত, আমি জীয়াই থকাৰ স্বাৰ্থত, জীৱজন্তু খিনি জীয়াই থকাৰ স্বাৰ্থত আমি সকলোৱে যাতে শান্তিৰে থাকিব পাৰো তাৰ কাৰণে এই কথাটো ৰাজনীতিৰ খেলা হিচাপে লব নালাগে। ইলেক্টচন আহিলে হেলিকপ্টাৰেৰে গৈ পট্টা দিম , ইলেক্টচন গ'লে সকলো শেষ, যিটো চলি আছে, সেই কথাটো হব নালাগে। যে আমি কেন্দ্ৰীয় চৰকাৰক এই কথাটো বুজাই মেলি অসমৰ এই জ্বলন্ত সমস্যা সমধানৰ স্বাৰ্থত আমাৰ এই ন্যায্য দাবীটো তেওঁলোকক বুজাই সন্মতি প্ৰদান কৰিব লাগে। গতিকে মুখমন্ত্ৰী ডাঙৰীয়াৰ পৰা এই ক্ষেত্ৰত আমি আশা কৰিছো যিহেতু বৰ্তমান কেন্দ্ৰীয় চৰকাৰত, তেখেতৰ এক শাক্তিশালী ভূমিকা আছে। এই অসমৰ জলন্ত সমস্যাটো আজিৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত সমধান হওঁক। তাৰ কাৰণে গোটেই এই পবিত্ৰ সদনে দলমত নিৰ্বিশেষে সকলোৱে একমত হৈ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক এই দায়িত্ব অৰ্পন কৰি আমাৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াই, আমাৰ এই জ্বলন্ত সমস্যাটো এক সমধান কৰাৰ কাৰণে সকলো আগবাঢ়ি যাও আহক। মাননীয় সভাপতি ডাঙৰীয়া মই এই আহ্বানৰে প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো। ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (সভাপতি) ঃ** ধন্যবাদ।

**শ্ৰী অশোক সিংঘল, ঢেকীয়াজুলি ঃ** মাননীয় সভাপতি মহোদয়, মই অলপ কৈ লব খুজিছো। কিয়নো উত্তৰপাৰৰ কথা আৰু ঢেকীয়াজুলিৰ কথা অন্তৰ্ভূক্ত হৈ আছে। শ্ৰদ্ধাৰ সভাপতি ডাঙৰীয়া, মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই যিখিনি কথা ক'লে সচাঁকৈয়ে বৰ দুখ লগা কথা যে প্ৰকৃত অৰ্থৎ যিসকল ভূমিপুত্ৰ আজি ভূমিহীন অৱস্থাত এটা দৰিদ্ৰ অৱস্থাত জীয়াই থাকিবলৈ বাধ্য কৰা হৈছে। মোৰে অঞ্চলত প্ৰায় ৪০ হাজাৰৰো অধিক তেনেকুৱা ভূমিপুত্ৰ বড়ো লোকসকল আছে, তেখেত সকলৰ কোনো ধৰণৰ নিৰাপত্তা নাই, চৰকাৰী কোনো সা-সুবিধা তেওঁলোকক চুই যোৱা নাই। উন্নয়ন বোলা বস্তু তেখেতসকলৰ আজিলৈকে উপলব্ধি কৰা নাই, ৰাষ্টা ঘাট নাই , দলং নাই, খোৱা পানীৰ ব্যৱস্থা নাই, বিজুলী পাতিৰ ব্যৱস্থা নাই, পঞ্চায়তী ৰাজৰ কোনো সম্পৰ্ক তেখেতসকলৰ লগত নাই। এনে এটা অৱস্থাত ভুমিপুত্ৰ সকলক যদি আমি বনাঞ্চলত ভুমিহীন কৰি জীয়াই থাকিবলৈ এৰি দিওঁ, মই ভাৱো যে কৰবাত নহয় কৰবাত আমি তেখেতসকলৰ যি মৌলিক অধিকাৰ আছে আমি খৰ্ব কৰি আছো। মাননীয় সভাপতি মহোদয়, সেই ভূমিপুত্ৰ বাহিৰৰ পৰা অহা নাই, সেই

ভুমিপুত্ৰ **১৯৯১** ৰ পিছত অহা নাই, সেই ভুমিপুত্ৰ **১৯৭১** ৰ পিছত অহা নাই, আজিৰ পৰা পাচঁ হাজাৰ বছৰ আগত এই ভুমিপুত্ৰ সকল সত্য সনাতন ধৰ্ম যেতিয়া আৰম্ভ হৈছিলে, তেতিয়াৰ পৰা এই লোকসকল তাতে আছে। বন ৰজাৰ কন্যা উষাক, কৃষ্ণৰ নাতিয়ে বিয়া কৰাইছিল। এই কথা বিলাক আমি mythology ত, বুৰঞ্জীত পাওঁ। তাৰ অৰ্থতো হ'ল এই অঞ্চল বসবাস কৰা বড়ো সকল বন ৰজাৰ সন্তান। এই বন ৰজাৰ সন্তান সকল আজি ভূমিহীন হৈ, গৃহহীন হৈ দৰিদ্ৰ অৱস্থাত জীয়াই থাকিব লগা হৈছে। যিমানে চৰকাৰে আহিলে, মই কোনো চৰকাৰকে দোষ দিব খোজা নাই, কিন্তু কোনো এটা চৰকাৰে এই দুখীয়া ভুমিপুত্ৰৰ কথা চিন্তা নকৰিলে। মই মোৰ সমষ্টিত আমাৰ যেতিয়া শ্ৰীমতী প্ৰমীলাৰাণী ডাঙৰীয়া ফৰেষ্ট মন্ত্ৰী হিচাপে আছিল মই তেতিয়া বাইদেউক লৈ গৈছিলো, বাইদেউয়ে চেষ্টা দিলে, কিন্তু কি কাৰণত কাম বিলাক আগবাঢ়ি যোৱা নাই, মই নাজানো। কিন্তু মই ধন্যবাদ দিব খুজিছো মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াক যে তেখেত এই প্ৰস্তাৱটো এই পবিত্ৰ সদনত আনিলে। অকল প্ৰস্তাৱটো অনাই নহয়, তেখেতে আহ্বান জনাইছে প্ৰতিটো সদস্যক কংগ্ৰেছৰে হওক, বি.জে.পি ৰে হওক, এ.জি.পিৰে হওক বা এ.ইউ ডি এফৰে হওক যে এই বনাঞ্চলত থকা ভুমিহীন ভুমিপুত্ৰ সকলক স্থায়ী এটা ব্যৱস্থা কৰি দিব লাগে। এই স্থায়ী ব্যৱস্থাটো যদি আমি নিদিও মই ভাৱো আমি এই ভুমি পুত্ৰ সকলৰ প্ৰতি অন্যায় কৰি আছো। দ্বিতীয় কথা হ'ল সভাপতি মহোদয় উত্তৰ পাৰ এটা সময়ত আপোনালোক সকলোৱে জানে যে আতংক এটা বিৰাজ হৈ আছিল। এটা সন্ত্ৰাসৰ ৰাজ্য তাত চলি আছিল। পুলিচ বাহিনীয়ে তাত যাবলৈ সাহস কৰা নাছিল সময়ে সময়ে। যোৱা ৩ বছৰ ৪ বছৰ তাত বহু চেষ্টাৰ ফলত শান্তি বিৰাজ হৈছে। শান্তিটো যদি স্থিৰস্থায়ী হ'ব লাগে, আমি যদি বিচাৰো যে শান্তিটো শান্তিয়েই হৈ থাকিব লাগে, তেতিয়া হলে সেই অঞ্চলবোৰত আমি উন্নয়নৰ ছাঁ পেলাব লাগিব। উন্নয়নৰ পোহৰ আমি এই অঞ্চলবোৰটো পেলাব লাগিব। আজি খুব ভাল হ'ল যে এনেকুৱা এটা ধুনীয়া প্ৰস্তাৱ আহিছে। বনাঞ্চলত থকা লোক সকলক ভুমি পট্টা দি আমি ভূমিপুত্ৰ সকলক ভুমিহীন নাৰাখি তেখেত সকলকো ভুমিৰ গৰাকী বনাব লাগে। খুব ধূনীয়া এটা প্ৰস্তাৱ এই সদনত উত্থাপন হৈছে। মই সমৰ্থনো কৰিছো। প্ৰত্যেকজন সদস্যক মই আপোনাৰ জৰিয়তে আহ্বান জনাব বিছাৰিছো যে এই মহান কাৰ্য্যত সকলোৱে নিজৰ নিজৰ সমৰ্থনো আগবঢ়াব লাগে। ৩য় কথা হ'ল তেখেতে এটা খুৱ ভাল কথা কৈছে যে বনাঞ্চলত থকা জীৱ-জন্তু সকল সুৰক্ষিত হৈ থাকিব লাগিব, মানুহ আৰু জংঘলৰ মাজত যিটো সমিল মিল যিটো আছিল ভাৰসাম্য যিটো থাকিব লাগে, সেইটো থাকিব লাগে। চৰকাৰে যিটো নীতি লৈছে যে "জল জংগল আৰু জমীন" তাৰ অৰ্থটো হ'ল পানী, মাটি আৰু জংগলৰ ওপৰত ভূমিপুত্ৰ সকলৰ প্ৰথম অধিকাৰ আছে। এই সিদ্ধান্তটো আমাৰ চৰকাৰে মানিব বুলি মই আশা ৰাখিছো। আজি জংঘল যদি নষ্ট হয়, প্ৰকৃতি নষ্ট হ'ব। প্ৰকৃতি যদি নষ্ট হয়, জীৱ জন্তু নষ্ট হ'ব, গছ গছনি যদি নষ্ট হয়, অক্সিজেন আমি নাপাম। অক্সিজেন যদি নাথাকিব আমি মানুহ হিচাপে জীয়াই থাকিব নোৱাৰিম। এটা খুব বেয়া পৰিবেশ গোটেই বিশ্বত হৈ আছে, য'ত নেকি Global warming হৈ আছে কাৰ্বন ডাই অস্কাইড বাঢ়ি গৈ আছে, অসম এখন সেউজীয়া দেশ হিচাবে সকলোৱে চিহ্নিত কৰিছিলে। কিন্তু আজি গছ গছনি কটাৰ কাৰণে এই অৱস্থা ইমান ভাল নহয়। কিন্তু অকল এই দায়িত্বটো বনাঞ্চলত বা এই Reserve forest অঞ্চলত থকা ভূমিপুত্ৰ সকলৰ নহয় এই দায়িত্বটো গোটেই অসমৰ মানুহে লব লাগিব। অসমৰ প্ৰত্যেক চুকে কোনে কেনেকৈ আমি সেউজীয়া পৰিবেশ নিৰ্মান কৰিব পাৰো, সেই ব্যৱস্থাটো যদি নহয়, মই ভাবো যে এইটো ভাল নহব। তেখেতৰ যিটো প্ৰস্তাৱ যে ভূমিহীন ভূমিপুত্ৰ সকলক মাটি দিয়াৰ যিটো ব্যৱস্থা এই পবিত্ৰ সদনে গ্ৰহণ কৰিব. প্ৰত্যেকজন সদস্যই ইয়াত নিজৰ

সমৰ্থনটো আগবঢ়াব। আপোনাৰ জৰিয়তে মই চৰকাৰকো নিবেদন কৰিব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো নিবেদন কৰিব বিছাৰিছো। মাননীয় বন মন্ত্ৰীকো মই নিবেদন কৰিব খুজিছো, যিমান সোনকালে হয়, কেন্দ্ৰীয় চৰকাৰৰ লগত কথা পাতি এই ভূমিপুত্ৰ সকলক অলপ হলেও সৰু সৰু টুকুৰা যদি মাটি দি দিয়ে যেতিয়া ভাল হ'ব বুলি মই আশা কৰিছো।

(Deputy Speaker on Chair)

মাননীয় উপাধ্যক্ষ মহোদয়, এটা গধুৰ আলোচনা ইয়াত চলি আছে। এই আলোচনাৰ জৰিয়তে মই ভাবো যে অসমৰ জংঘল অঞ্চলত বসবাস কৰা লাখ লাখ ভূমিপুত্ৰ সকলৰ স্বাৰ্থত আমি কথা কোৱাৰ এটা চেষ্টা কৰি আছো। এই চেষ্টাৰ ফলত আপোনালোকৰ সকলোৰে সমৰ্থনত যদি এই ভূমিপুত্ৰ সকলে এক টুকুৰা এক টুকুৰা মাটি পায়, মই ভাবো যে তেখেত সকলৰ জীৱনটো মংগল আহিব। যিটো অঞ্চলত আমি খোৱাপানী দিব পৰা নাই, যিটো অঞ্চলত স্বাস্থ্যৰ কোনো ব্যৱস্থা নাই, যিটো অঞ্চলত শিক্ষাৰ কোনো ব্যৱস্থা নাই, যিটো অঞ্চলত মানুহ অন্ধকাৰত থাকিবলৈ বাধ্য কৰা হৈছে। সেইটো অঞ্চলত যদি এই পবিত্ৰ সদনৰ মাধ্যমত অলপ হলেও যদি পোহৰ আহে, আমি ভাবা যে এই সদনৰ গৰিমাটো বাঢ়িব। এই সদনৰ গৰিমাটো যদি বাঢ়ে এই ভুমিপুত্ৰ সকলেও ভাল পাব। আৰু এই পবিত্ৰ সদনে ভুমিপুত্ৰ সকলৰ স্বাৰ্থত এটা সিদ্ধান্ত লব, নিজৰ সমৰ্থনটো আগবঢ়াব এইখিনি মই আশা ৰাখি, ধন্যবাদ জনাই নিজৰ কথা শেষ কৰিব খুজিছো।

**মাননীয় উপাধ্যক্ষ ঃ-** এতিয়া মাননীয় সদস্য ইমানুৱেল মুছাহাৰী।

**শ্ৰী ইমানুৱেল মুছাহাৰী ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই যি Private Member Resolution আনিছে, সেই প্ৰস্তাৱ আমি সমৰ্থন জনাইছো। আৰু তেখেত সকলৰ ওচৰত আমি কৃতজ্ঞতা স্বীকাৰ কৰিছো, যে তেখেত সকলে এই বিষয়টোৰ ওপৰত যথেষ্ট গুৰুত্ব সহকাৰে লৈ আজি সদনত উত্থাপন কৰিছে। সদনত আজি ইতিমধ্যে আমাৰ দুজন সদস্যই বক্তব্য আগবঢ়াইছে। বিশেষকৈ আমি জানো যে মইও যিহেতু চৰ অঞ্চলৰে সদস্য এই বিষয়ত আমি যথেষ্ট সমস্যাৰ সন্মুখীন হওঁ, প্ৰতিবাৰে। আমাৰ সমগ্ৰ উত্তৰ অঞ্চলৰ বেছিভাগ অঞ্চলেই আমি বিশেষকৈ বাক্সা মৌজা বুলি কওঁ, তাত ম্যাদি মাটিবিলাকো নাই, বন জংঘল আছে, Reserve forest বোৰ আছে। দেখা যায় যে, যি বিধি ব্যৱস্থাৰ মাজেৰে বুলি কোৱা হৈছে, ইয়াত আৰু অলপ উল্লেখ কৰিলে। আজি এই অঞ্চল বিলাক Land Rights ৰ কথা যদি কওঁ, তেখেত সকলক মাটিৰ যিটো অধিকাৰ দিয়াৰ কথা যদি আহি যায়, নিশ্চয় ইয়াত Forest Rights ৰ কথাই আহিব। Forest Act, 2006 চনত যিটো আইন পাচ কৰিছে, সেই আইনৰ জৰিয়তে সেই অঞ্চল বিলাকত নিশ্চয় যি সকল ভূমিহীন জনজাতি লোক আছে, যি সকল Qualified হয়, বিধি বিধানৰ জৰিয়তে যি সকল বসবাস কৰি আছে, তেখেত সকলক সেই বিধিৰ জৰিয়তে, মাটিৰ অধিকাৰ দিয়াৰ কাৰণে যিটো ব্যৱস্থা, সি নিশ্চয় সফল হব। আমি যদি চাওঁ বিভিন্ন State সমূহত কি ধৰণে Traditional Dwellers Act আমি অসমত ২০১৭ চনলৈকে, আজিলৈকে যিমান indivisual Land Rights ৰ অধীনত যিবিলাকে apply কৰিছে, সমগ্ৰ অসমত ১,৪৮,৯৬৫ জনে apply কৰিছে। ইয়াৰে Committee wise apply কৰিছে ৬০৪৬ টা, তাৰ পিছত Total apply কৰিলে ১,৫৫,০১১। গতিকে ইয়াত সেই claims & objection,dispose কৰা হ'ল আৰু Land Right দিয়াৰ এই record টো আছে, ২০১৭ চনৰ মাৰ্চলৈকে ৫৮,৮২০ জনক দিয়া হ'ল বুলি আমাৰ ইয়াত record হিচাপে আছে। গতিকে আমাৰ Rejection ৰ হাৰ হ'ল 37%. অসমত Rejection ৰ শতাংশটো হ'ল claims dispose with respect

of clams receive of 37%. অন্যহাতেদি আমি ওচৰ চুবুৰীয়া আমাৰ ত্ৰিপুৰাৰ বিষয়ে যদি চাওঁ, তেখেত সকলৰ এটা Remarkable এটা achievment আমি দেখা পাইছো যে এখেত সকলৰ Almost 96.14% তেখেত সকলে achieve কৰিলে। Claims And objection যি সকলে apply কৰিছিলে। এইটো আছিলে ২০০১ আইনৰ অধীনত। এতিয়া যদি আমি উভতি চাওঁ যে এই Forest কি ধৰণে কেনেকুৰা অৱস্থাত আছিল সেই Forest বা Reserve Forest বিলাকক ঘোষণা কৰা হৈছিল। আমি জানো যে সেই Forest অঞ্চলত বা অৰণ্যৰ আশে-পাশে, maximum যি সকল বসবাস কৰে তেখেত সকল হ'ল ট্ৰাইবেল জনগোষ্ঠীৰ মানুহ। ইয়াত Traditional Dwellers বুলি কাক চিনাক্ত কৰা হৈছে মই নাজানো। নিশ্চয় আমাৰ Traditional Dwellers বুলিবলৈ আমাৰ অসমত খুব সম্ভৱ নাই। বিশেষকৈ ট্ৰাইবেল লোক সকলে বসবাস কৰে। গতিকে এই অঞ্চল বিলাকত অন্যফালেদি যি Forestৰ protection ৰ দায়িত্ব আছে, আমাৰ Forest বিষয়া সকলৰ হাতত। সদায় সেই Traditional Dwellers নাইবা সেই ট্ৰাইবেল সকলে Forest ৰ ওচৰে পাজৰে বসবাস কৰে। এখেত সকলৰ কোনো নিজৰ থকা ঘৰৰ ওপৰত অধিকাৰ নাই। মাটিৰ ওপৰত অধিকাৰ নাই, খেতিৰ ওপৰত অধিকাৰ নাই। ইয়াৰ উপৰিও এখেত সকলক সদায় সন্দেহৰ চকুৰে ছোৱা হয়, যে এখেত সকলে Forest খন ধংস কৰিছে। গতিকে সেই Forest খন ৰক্ষণা-বেক্ষনৰ দায়িত্ব আইন মতে Forest বিষয়া সকলৰ আছে। গতিকে দেখা যায় Forest খন ৰক্ষনাবেক্ষন কৰা আৰু Forest ৰ আশে পাশে বসবাস কৰা লোক সকলৰ মাজত সংঘাট আহি পৰিছে। গতিকে সেই সংঘাটৰ স্বাৰ্থত Forest বিভাগৰ সম্ভৱপৰ নহয়, অন্যফালেদি যি সকলে তাত বসবাস কৰি আছে, তেখেত সকলৰো কবলৈ গলে এখেত সকলৰ নিজাববীয়া একো নাথাকে। গতিকে এখেত সকলৰ Forest টো protection ৰ প্ৰতি এখেত সকলৰ অনীহা ভাবটো আহি যায়। এখেত সকলৰ Accountability বুলি একো নাথাকে। গতিকে এনেকুৰা সন্ধিক্ষণত আমি যদি চাওঁ বিশেষকৈ Forest অঞ্চলৰ আশেপাশে বসবাস কৰা লোকসকলক কি ধৰণে ব্যৱহাৰ কৰা হৈছিল, এখেত সকলক কেনে ধৰণে যোৰজলুম কৰা হৈছিলে, আমি যদি চাওঁ অসমৰ ক্ষেত্ৰত আমাৰ তথ্য নাই। কিন্তু যে harassment eviction etc. on the pretext of being encroachers in their own homes, torture bonded labourers গতিকে তেনেকুৰা ধৰণৰ ৩ লাখতকৈ বেছি পৰিয়াল সকলক eviction কৰা হৈছিল। কবলৈ গলে মধ্য প্ৰদেশৰ কথা মই কৈছো তেতিয়া তাত বৃহৎ ১২৫ খন গাওঁ eviction কৰা হৈছিল তদ্ৰুপ আমাৰ অসমতো eviction কৰা বাতৰি আমি প্ৰত্যক্ষ কৰো। গতিকে এনেকুৰা সন্ধিক্ষণত Commission for Tribals Commission Schedule Caste and Schedule Tribes his 29th Report said that the criminalisation of the entire communities in the tribal areas is the darkest plot on the laboural tradition of our country. গতিকে এনেকুৰা সন্ধিক্ষণত আমি পাইছিলো যে, 29th Report ত যেতিয়া Commission for Schedule Caste and Schedule Tribes য়ে এটা ৰিপোৰ্ট দাখিল কৰিছিল। 29th Report ত যে, এইটো আমাৰ গণতন্ত্ৰৰ কাৰণে এটা darkest plot যি সকলে অভয়াৰণ্যৰ আশেঃপাশে বসবাস কৰে। সেইসকলক criminalisation বা criminal হিচাপে ব্যৱহাৰ কৰে, কাৰণ সদায় এই সকল মানুহৰ ওপৰত encroach কৰিছে। ফৰেষ্টৰ ওপৰত অন্যায় কৰিছে তেনেকুৰা ধৰণৰ। গতিকে ইয়াৰ ভিত্তিত যে Forest and Traditional Dwellera Act খন আনিবৰ

কাৰণ চৰকাৰে প্ৰচেষ্টা চলাইছিল আৰু সেই হিচাপে এই আইনখন পাচ কৰিলে। গতিকে আজি আমি আকৌ যদি চাওঁ যে, Indian Forest Act 1927 the main Forest Law had nothing to do it converation. ইয়াত কোনো ধৰণৰ converation ৰ সম্পৰ্ক নাছিল। সেইটো সময়ত বৃটিছৰ যিটো নিজৰ টিম্বাৰ আহৰণ কৰিব লাগে। সেই টিম্বাৰ আহৰণ কৰিবলৈ হয় এখেত সকলৰ নিজৰ ৰাষ্ট্ৰত পঠাব লাগে। সুন্দৰ সুন্দৰ আচবাব বনাব লাগে, ঘৰ বনাব লাগে, পেনেলিঙ বনাব লাগে। সেই বিষয়টো লৈ সেই ফৰেষ্ট এক্টবিলাক গঠন কৰা হৈছে। গতিকে সেই ১৯২৭ ৰ পৰা আহি আকৌ ১৯৮০ ত সংশোধন কৰা হৈ গ'ল। গতিকে ইয়াৰ মূল উদ্দেস্য আছিল যে, বনাঞ্চলৰ উৎপাদন সমূহ আহৰণ কৰা। চৰকাৰৰ এটা সম্পত্তি ফৰেষ্ট। এই ফৰেষ্টৰ ওপৰত সাধাৰণ মানুহবিলাকৰ অধিকাৰ নাই। আনকি এনেকুৱা অধিকাৰো দিয়া নাই। এজন সাধাৰণ মানুহে এখন ফৰেষ্ট প্ৰটেক্শ্যন কৰিবৰ কাৰণে সেই অধিকাৰখিনিও নাই। গতিকে সেই ভিত্তিত আমি যদি চাও আৰু আজি যিটো বৰ্তমান চলি আছে। বিশেষকৈ শ্ৰী হাজৰিকা ডাঙৰীয়া এইটো স্পষ্টভাৱে দাঙি ধৰিছে। এখেতৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা আমি যিটো দেখি আহিছো। গতিকে এইক্ষেত্ৰত আমি ভাৱো যে, আমাৰ যিটো Existing Forest and Traditional Dwellers Act খন পাচ কৰিলে সেই আইনৰ অধ্যনত এখেত সকলক আমি land rights দিয়াৰ যিটো সুবিধা আছে সেই সুবিধাখিনি কৰি লব লাগে আৰু চৰকাৰে দৃঢ়তাৰে খৰতকীয়াভাৱে এইটো কাম কৰিব লাগে। কাৰণ অন্যান্য ৰাজ্যবিলাকত ঝাৰখণ্ড হওঁক বা ত্ৰিপুৰা । ত্ৰিপুৰাৰো remarkable achievement এখেতসকলে কৰিছে। গতিকে সেই হিচাপে যদি কেন্দ্ৰীয় চৰকাৰৰ যেনেকৈ অনুমোদন নাইবা কেন্দ্ৰীয় চৰকাৰৰ অনুমতিৰ খুব সম্ভৱ প্ৰয়োজন নহ'ব। যেনেকৈ অসমত আমাৰ অঞ্চলবিলাক আমি আৰম্ভ কৰিলো। ইয়াত গ্ৰাম্য সভা বা এখন প্ৰথম এই কমিটি গঠন কৰা হয়। তাৰ পাছত চাবজিভিজন লেভেলত এখন কমিটি থাকে। তাৰপাছত জিলাভিত্তিত কমিটি থাকে। তাৰ পাছত ষ্টেট লেভেলত মনিটৰিং কমিটি এখন থাকে। গতিকে সেই কমিটিবিলাক গঠন কৰা হয়। গঠন কৰাৰ পাছত Nodel Department হিচাপে Ministry of Tribal Affiars, Sub-division Tribal officer নাইবা District Tribal Officer আৰু Welfare officer য়ে ইয়াত Member Secretary হিচাপে function কৰে আৰু DC জন Chairman হয়। তাৰ পাছত DFO জন হয় এজন সদস্য। গতিকে ইয়াত যিটো Community requirement, এখেতসকলে claims কৰা মতে Comunity যিটো requirement, Community Forest ঠিক তেনেকৈ Individual Tital ৰ কাৰণে। তাৰ পাছত ঠিক তেনে ধৰণৰ সেই rights বিলাক দিয়া হয়। গতিকে ইতিমধ্যে বাক্চা অঞ্চলত আমি আৰম্ভ কৰিছো আৰু চিৰাঙতো কিছু কিছু ক্ষেত্ৰত সম্পূৰ্ণ হৈছে। গতিকে এনেকুৱা প্ৰক্ৰিয়াৰ মাজেৰে যদি এখেত সকলে ক'লৈ হৈ যায় যে, এখেতসকলৰ যদি ২০০৫ চনৰ আগতে বসবাস কৰা নাইবা তিনিটা জেনেৰেশ্যন সম্পূৰ্ণ হৈ গৈছে, সেই বিষয়টোক চিন্তা-চৰ্চা কৰি অতি সোনকালে এখেতসকলক এই land rights দিয়াৰ যিটো ব্যৱস্থা আছে আইনৰ জৰিয়তে forest rights ৰ অধীনত দিয়াৰ ব্যৱস্থা কৰে নিশ্চয় আজি আমি যথেষ্ট সুখী হ'ম। লগতে আমি যে বছৰে বছৰে যি সকলে বসবাস কৰি আছে, তেখেত সকলৰ ওপৰতো এটা ন্যায় প্ৰদৰ্শন কৰা হ'ব। এইখিনি মই ভাৱো যে, মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, Private Member Resolution হিচাপে যিটো আনিছে, এইটো যথেষ্ট ভাল হৈছে। লগতে আমাৰ সমূহ সদস্যই নিশ্চয় সমৰ্থন আগবঢ়াব। সেই বিষয় লৈ বিভাগ সমূহে এইটো গুৰুত্ব সহকাৰে লৈ কামবোৰ আগুৱাই

লৈ যাব। এইখিনি আহ্বান ৰাখি মই বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই তেখেতৰ বক্তব্য দাঙি ধৰাৰ কাৰণে অনুৰোধ কৰিলো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আজি আনিছে, প্ৰস্তাৱৰ প্ৰতি মোৰ পূৰ্ণ সমৰ্থন আছে। বিশেষভাৱে এই সম্পৰ্কত কিছু কথা ক'বৰ কাৰণে মই উঠিছো আৰু আপুনি বিশেষভাৱে মোক ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, বনজ সম্পদ হৈছে, আমাৰ জাতীয় সম্পদ আৰু এই জাতীয় সম্পদটো ৰক্ষা কৰাৰ দায়িত্ব অকল চৰকাৰৰে নহয়, আমাৰ সকলোৰে নৈতিক দায়িত্ব আছে। সেই দায়িত্ব আমি বিশেষভাৱে আমাৰ যিসকল সচেতন ব্যক্তি আছে বা যিসকল ৰাইজৰ প্ৰতিনিধি আছে এই ৰাইজৰ প্ৰতিনিধি সকলে বিশষভাৱে এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। হয়, কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ, বিশেষভাৱে ফৰেষ্টৰ ক্ষেত্ৰত এখন আইন আছে। আমি লক্ষ্য কৰিছো যে, এই আইনৰ গন্দিত থাকি যিসমূহ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আজি তেনেধৰণে এই আইনখন বিশেষভাৱে ৰাজ্য চৰকাৰে যিহেতু লক্ষ্য ৰাখিব লাগিব। ৰাজ্য চৰকাৰে বিগত দিনসমূহত যিভাৱে গুৰুত্ব আৰোপ কৰিছিল আৰু বিশেষভাৱে তেনেধৰণৰ কাৰ্য্যব্যৱস্থা নোলোৱাৰ কাৰণে আজি বনাঞ্চল সমূহ ধংস হোৱাৰ উপক্ৰম হৈছে। মই বিশেষভাৱে আপোনাৰ জৰিয়তে মাননীয় বনমন্ত্ৰীৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো যে, প্ৰকৃতাৰ্থত সমগ্ৰ অসমত সংৰক্ষিত বনাঞ্চল কিমান আছে আৰু এই সংৰক্ষিত বনাঞ্চল সমূহৰ কিমানখিনি এলেকা আছে তাৰে এই সমূহ প্ৰকৃতাৰ্থত নিৰ্ধাৰণ কৰি সেই সংৰক্ষিত বনাঞ্চলসমূহ সুৰক্ষিত হৈ আছে নে নাই? নে এই ক্ষেত্ৰত আমি বিভিন্ন সময়ত দেখিছো আৰু বিভিন্ন মিডিয়াৰ যোগেদিও আমি ইতিমধ্যে অৱগত হৈছো যে, বহুতো বনাঞ্চল এতিয়া ধংসৰ মুখত পৰিছে। বিশেষভাৱে বহুতো সংৰক্ষিত বনাঞ্চল বেদখলৰ কবলত পৰিছে। এতিয়া যুগ যুগ ধৰি যিসকলে বনাঞ্চলত বসবাস কৰি আছে। সেই সকলৰ ক্ষেত্ৰতো নিশ্চয় আমি মানৱীয় দৃষ্টি ভংগীৰেও চাব লাগিব। কিন্তু এটা কথা ঠিক যে আজি বিশেষভাৱে সংৰক্ষিত বনাঞ্চল যেতিয়া ঘোষণা কৰিছিল, তাৰ পূৰ্বতে বহুতো সংৰক্ষিত বনাঞ্চলত বহুসংখ্যক পৰিয়ালে বসবাস কৰি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** ৫ টা বাজি গ'ল। এই resolution টো pending থাকি গ'ল। পৰৱৰ্তী দিনত যেতিয়া সময় হয়, continue কৰিব।

**সদন ইংৰাজী ০১-১০-২০১৮ তাৰিখ ৰাতিপুৱা ৯.৩০ বজালৈ স্থাগিত ৰখা হ'ল।**